# গ্ৰীষ্মকালীন অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখ ঃ ৩০/০৭/২০১৯ মঙলবাৰ**

---

**আজি ইংৰাজী ৩০-০৭-২০১৯ তাৰিখে ৰাতিপুৱা ৯ঃ৩০ বজাত মাননীয় অধ্যক্ষৰ অধ্যক্ষতাত অসম বিধান সভাৰ গ্ৰীষ্মকালীন অধিবেশন পূৰ্ব নিৰ্দ্ধাৰিত কাৰ্য্যসূচীমতে অনুষ্ঠিত হয়।**

**মাননীয় অধ্যক্ষ ঃ** এতিয়া question no. 61. শ্ৰী শ্বেৰমান আলী অনুপস্থিত, তেখেতে শ্ৰী জাকিৰ হুছেইন সিকদাৰক দায়িত্ব দিছে। Minister, Power.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰ, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি জানো সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমৰ প্ৰত্যেক খন গাওঁত Electricity ৰ connection দিয়াৰ ব্যৱস্থা ইতিমধ্যে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে কৰিছে। তাৰ কাৰণে বিভিন্ন ধৰণৰ আচঁনি নামাকৰণ কৰিছে। বৰপেটা জিলাৰ বাঘবৰ সমষ্টিত সকলোৱে জানে, মহাবাহু ব্ৰহ্মপুত্ৰ নদীৰ বাবে সৃষ্টি হোৱা কিছুমান অতি দুৰ্গম এলেকা আছে, চৰ এলেকা আছে। আজি বহুদিন হৈ গ'ল মাননীয় মন্ত্ৰী ডাঙৰীয়াই ইয়াতে উত্তৰ দিছে। অধ্যক্ষ ডাঙৰীয়া, আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা জানিব বিচাৰো যে আজি বহুদিন হৈ যোৱাৰ পিছতো নিবিদা লৈ বিভিন্ন সন্থাক ইতিমধ্যে সেই ঠিকা দিয়া হৈছে। তাৰ পিছতো কিয় আজিলৈকে ১৬২ খন গাওঁৰ ভিতৰত এতিয়ালৈকে কোনো এখন গাওঁতে সৰ্ম্পূণ ভাৱে এই বৈদ্যুতিকৰণ কৰিব পৰা নাই আৰু এনেকুৱা বহুত গাওঁ আছে যিবিলাক গাওঁত কোনা ধৰণৰ কামতেই হাত দিয়া নাই। গতিকে এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী ডাঙৰীয়াই কি পদক্ষেপ ল ব, আৰু কামখিনি যাতে অতি সোনকালে কৰাৰ ব্যৱস্থা কৰা হয় তাৰ বাবে কি ব্যৱস্থা লব। আপোনাৰ জৰিয়তে জানিব বিচাৰো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো লৈ Government ৰ concern নথকা নহয়। ইতিমধ্যে নিবিদাও দিয়া হৈছে কিন্তু কিছুমান ঠিকাদাৰে ভালদৰে কাম কৰা নাই। গতিকে এতিয়া APDCL এ এইটোত, যিসকল ঠিকাদাৰে কাম কৰা নাই, তেওঁলোকৰ contract বাতিল কৰিব লাগিব আৰু নতুন ঠিকাদাৰক দিব লাগিব। কিন্তু এইটো কথা ঠিক যে যিহেতুকে আমাৰ চৰকাৰে এটা সিদ্ধান্ত লৈছে, আমি সকলোতে electrification কৰিম। মাননীয় অধ্যক্ষ মহোদয়, আপুনি জানি ভাল পাব, আমি যেতিয়া চৰকাৰত আহিছিলো তেতিয়া Indivisual House well connection 40% আছিল। আজি সৌভাগ্য আচঁনিয়ে হওঁক বা যিটো দীনদয়াল গ্ৰামীন যোজনাই হওঁক, ইয়াৰ জৰিয়তে এতিয়া আজিৰ দিনটোত আমি জনাবলৈ পাই সুখী হৈছো যে House well connection 100% হৈছে। কৰবাত হয়তো point 001% বৈ যাব পাৰে কিন্তু আজিৰ দিনটোত আপুনি জানি ভাল পাব যে, House well connection almost 100% হৈছে। আপুনি যিটো কথা কৈছে যে এইবিলাকত ধৰক কিছুমান ঠাই আছে, যিবিলাক ঠাইত post দিব লাগিব, তাৰ লগাব লাগিব, তাৰ কাৰণে ঠিকাদাৰক দিয়া হৈছে। গতিকে তাতেও বাঘবৰত এনেকুৱা কিছুমান কাম কৰিছে য'ত আমি কিছুমানত খুটা দিব পৰা নাই। তাত আমি solar ৰ জৰিয়তে দি আমি কিছুমান তাতে ব্যৱস্থা কৰা হৈছে। সৰু সৰু, ডাঙৰ নহয়। য'ত এটা এটা solar ৰ indivisually

ও দিয়া আছে আৰু stand alone বুলি কয় যে এটা এটা ঘৰত, এটা এটা চ'লাত কৰবাত হয়তো এটা Station কৰি তাৰ পৰা ১০ ঘৰ মানুহক তেনেকৈ solar ৰত দিয়া হৈছে। খুটা নহলেও তেনেকৈ connection দিয়াৰ এটা ব্যৱস্থা হৈছে। কিন্তু সেইটো sufficient নহয়, এইটো ঠিক। কিন্তু sufficient কৰাৰ কাৰণে এই যিটো আপুনি কৈছে সেই ঠিকাদাৰ সমূহৰ কাম তেওঁলোকে কৰিব নে নাই, এই কথাটো বিবেচনা কৰি বাতিল কৰা হ'ব আৰু তেনেকৈ নতুন contractor নিযুক্তি কৰি কামখিনি কৰা হ'ব আৰু এতিয়া বাৰিষাৰ কাৰণে হয়তো এইখিনি হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** আচলতে এইটো purely বাঘবৰ সমষ্টিৰ প্ৰশ্ন। Supplymentary ইয়াত কোনো scope নাই। বাঘবৰ সমষ্টিৰ development ৰ কথা, গতিকে মই Supplymentary দিব বিচৰা নাই। Next question 62, শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা। এইটো একেই, সমষ্টিৰ প্ৰশ্ন। মই চাইছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰ, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, পশ্চিম গুৱাহাটী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ কিছুমান কামত tender হয়, কিছুমানে কম ৰেটত lowest bidder ত tender দিয়ে আৰু দিয়াৰ পিছত এনেকুৱা উদাহৰণ আছে মোৰ সমষ্টিত যে sub-contract দিয়ে আৰু sub-contract দিয়াৰ কাৰণে সেই কামবিলাক আজি দুই বছৰে সম্পূৰ্ণ নহ'ল, এইটো ১ নম্বৰ। এইক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে ব্যৱস্থা ল'ব নে নাই আৰু তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰিব নে নাই?

দ্বিতীয়তে, এতিয়া Air port ৰ পৰা কইনাধৰা লৈকে এটা পথ নিৰ্মাণৰ ক্ষেত্ৰত বিগত কংগ্ৰেছ আই চৰকাৰে এটা ব্যৱস্থা লৈ কাম আৰম্ভ কৰিছিল আৰু কাম যথেষ্টখিনি হৈছেও। কিন্তু মাননীয় অধ্যক্ষ ডাঙৰীয়া সেই ৰাস্তাটোৰ এটা অঞ্চলত অলপমান forest area পৰে। বুগ বুলি ঠাইটো। এতিয়া সেইটো যিহেতু forest এ অনুমোদন দিয়া নাই, তাৰ alinement টো। ইতিমধ্যে এটা বেলেগ দিশ দি পেলাই alinement টো মিলোৱা হৈছে। Forest Department ৰ লগত কোনো এতিয়া তাত জড়িত নহয়। গতিকে এই ৰাস্তাটোৰ কাম, যিটো কইনাধৰালৈ যোৱা ৰাস্তা আজি কিজানি ৬ বছৰমান হ'ল এতিয়ালৈকে সম্পূৰ্ণ হোৱা নাই। গতিকে এই ৰাস্তাটো এই বছৰৰ ভিতৰত সম্পূৰ্ণ কৰাৰ কাৰণে ব্যৱস্থা ল'ব নেকি? কোনো জটিলতা নাই। আনকি মানুহে স্বইচ্ছাই মাটিও এৰি দিছিল। PWD ৰ কাম কৰাৰ ক্ষেত্ৰত তেওঁলোকে পইচা নিবিচাৰি মাটি এৰি দিছিল কিন্তু কামটো কৰা নহ'ল। গতিকে এই ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে ব্যৱস্থা ল'ব নেকি?

তৃতীয়তে, মোৰ এটা সীমান্তৱৰ্তী এলেকাত মই বহু কেইটা ৰাস্তা আৰু দলং PMGSY ৰ জৰিয়তে লোৱা হৈছিল আৰু PMGSY ৰ জৰিয়তে লওঁতে কাম সুন্দৰভাৱে আগবাঢ়িছিল আৰু ইতিমধ্যে যিটো সীমান্তৱৰ্তী এলেকা, সেই সীমান্তৱৰ্তী এলেকাত ৰজাৰ secretary থাকে। সেই ৰজাৰ Secratary জনে আমাৰ ৰাস্তা, আমাৰ দলং, আমিয়ে ৰাস্তা কৰিছো, আমিয়ে কাঠৰ দলং কৰিছিলো, concret bridge কৰাৰ কাৰণে অনুমোদন হ'ল, কামো চলিল। কিন্তু কিয় যিজন ৰজাৰ secretary আছিল, সেই ৰজাৰ secretary জনে ২০ লাখ টকা demand দিলে। মেঘালয়ৰ ৰজা। সেই অঞ্চলবিলাকত কিবা চৰকাৰী ৰজা থাকে। গতিকে সেই ৰজাৰ secretary য়ে প্ৰথমতে দিলে কিছু টকা। তাৰপিছত আকৌ ২০ লাখ টকাৰ ডিমাণ্ড দিলে। ডিমাণ্ড দিয়াৰ পিছত টকাটো নিদিয়াৰ কাৰণে তেওঁলোক মেঘালয় উচ্চ ন্যায়ালয়ত গ'ল। ইতিমধ্যে উচ্চ ন্যায়ালয়ে কামটো বন্ধ কৰাৰ কাৰণে এটা অৰ্ডাৰ দিছে। আমি কিন্তু কাম কৰি আছিলো। মাজতে

এটা ঘটনা সংঘটিত হ'ল। সেয়ে কামটো বৰ্তমান বন্ধ হৈ আছে। ইতিমধ্যে ৬ খন মান ব্ৰীজ হ'ল, দুখন ব্ৰীজ বাকী আছিল। মুডুকী ব্ৰীজখন আধা হ'ল যিখন ৫-৬ হাজাৰ মানুহৰ একমাত্ৰ পথ। এতিয়া সেই মানুহবিলাকৰ যাতায়াতৰ কোনো ব্যৱস্থা নাই। গতিকে মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক জনাইছো। মই ইতিমধ্যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক গোটেই বিষয়টো অৱগত কৰিছো। মেঘালয় চৰকাৰৰ লগত আলোচনা কৰি আৰু হাইকোৰ্টত যিহেতু কেচটো আমাৰ চীফ চেক্ৰেটাৰীক লৈ দিছে গতিকে চীফ চেক্ৰেটাৰীৰ ফালৰ পৰা, চৰকাৰৰ এডভোকেট জেনেৰেলকো মই লগ কৰিছিলো। কিন্তু এতিয়া এডভোকেট জেনেকেলক সেই দায়িত্বটো দিয়া নাই। এপিয়াৰ হোৱাৰ কাৰণে যদি সেই কেচটোত কোনেও কনটেষ্ট নকৰে তেতিয়াহ'লে তেওঁলোকে এটা এক্সপাৰ্ট ডিচিশ্যন দিব। গতিকে তেওঁলোকৰ এই যিটো আগ্ৰাসন, এই আগ্ৰাসনটো বন্ধ কৰাৰ কাৰণে চৰকাৰে তৎকালীন ভাৱে মেঘালয় চৰকাৰ আৰু আমাৰ এডভোকেট জেনেৰেলক কৈ যাতে এই কেচটোত কনটেষ্ট কৰে সেইটো কৰাৰ ব্যৱস্থা কৰিব নেকি ?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতৰ তিনিটা চাপলিমেনটৰী আছে। প্ৰথম চাপলিমেনটৰীটো হৈছে যে কোনোবাই কম ৰেটত কাম কৰি পেলাই আকৌ কাৰোবাক কন্ট্ৰেক্ট দিয়ে। এই বিষয়ে হয়তো বিভাগ অৱগত নহয়। আচলতে মেইন কন্ট্ৰেক্টৰ কাক কাক এৱাৰ্ড কৰা হৈছে এইটো নিশ্চয় বিভাগে পৰীক্ষা কৰি চাব আৰু যদি দেখে যে চাব- কন্ট্ৰেক্ট দি যদি কাম হোৱা নাই বিভাগে নিশ্চয় যিজন মূল কন্ট্ৰেক্টৰ এৱাৰ্ড কৰা হৈছিল সেই কন্ট্ৰেক্টৰ কেইজনক ইঞ্জিনিয়াৰে মাতি আনি কামখিনি কৰিব। এইটো হৈছে প্ৰথম চাপলিমেনটৰী। দ্বিতীয়টো হ'ল, কইনাধৰালৈকে অহা যিটো ৰাস্তা এইটো অতি গুৰুত্বপূৰ্ণ ৰাস্তা। এই ৰাস্তাটোৰ মুঠ দৈৰ্ঘ্য আছিল ২২.১৫ কি.মি.। ইয়াৰে ১৭ কি.মি ৰাস্তা ইতিমধ্যে সম্পূৰ্ণ হৈছে। মাত্ৰ এতিয়া ৫.১ কি.মি. ৰাস্তা সম্পূৰ্ণ হোৱা নাই কাৰণ ইয়াত বন বিভাগৰ কথা এটা জড়িত হৈ আছে। লগতে মাটি অধিগ্ৰহণৰ কথা মাননীয় বিধায়ক গৰাকীয়ে কৈছে যে কোনোবাই ৰাস্তা হ'বৰ কাৰণে মাটি কমপেনচেশ্যন নোলোৱাকৈ দিছে। এইটো বহুত ভাল কথা। আজিকালি বন বিভাগৰ যিহেতু এনজিটি আছে, কাৰণ হাত দিলেই এনজিটিলৈ গুছি যায়। গতিকে বন বিভাগৰ ক্লীয়াৰেঞ্চটো লাগিবই। আজিকালি এইটো ইমপোৰটেন্ট হৈ গৈছে। নুমলীগড় ৰিফাইনেৰীত তেওঁলোকে এনজিটি বন্ধ কৰি দিছে, ওৱাল ভাঙি দিছে, ফাইন কৰাৰ নিচিনা অৱস্থা। গতিকে বন বিভাগৰ লগত বিভাগে এই কথাখিনি আলোচনা কৰিব লাগে আৰু এই বাকী থকা ৫.১ কি.মি. ৰাস্তাখিনি যদি বন বিভাগ নোহোৱাকৈ এলাইনমেণ্টটো হৈছে তেন্তে কৰিব পৰা যাব। তৃতীয়তে, মেঘালয়ৰ যিটো কথা কৈছেসেই বিষয়ে আলোচনা কৰা চুক্তিত মাননীয় বিধায়ক শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা আছিল আৰু কলিতা ডাঙৰীয়াৰ লগত বুজাবুজি হৈ কাম কৰিব দিলে। ইতিমধ্যে কাম কৰাও হৈ গ'ল। তাত তিনিটা পথ আছে। এটা হ'ল মদুৰী গড়কাপ্তানী পথ, এটা জিনিৰ গাওঁ, বাখালাপাৰা আৰু এটা হ'ল মাতৈবাৰী ৰাণীবাৰী পথ। গতিকে তেওঁলোকে উচ্চ ন্যায়ালয়ত গৈ পেলাই এটা অৰ্ডাৰ আনিলে। অৰ্ডাৰ আনি মাননীয় বিধায়ক শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ডাঙৰীয়াৰ তেওঁলোকৰ লগত লিখিত ভাৱে এম ও ইউ চুক্তি কৰিছিল। কিন্তু তেওঁৰ চুক্তি মেঘালয়ে ভায়োলেট কৰি ক'লে যে আমি কোৰ্টৰ পৰা অৰ্ডাৰ আনিছো পৰা আপোনালোকৰ লগত চুক্তি বাতিল কৰিছো। গতিকে চুক্তি বাতিল হৈ গ'ল আৰু চুক্তি বাতিল হৈ যোৱাৰ পিছত মাননীয় সদস্য গৰাকীৰ কথাটো হ'ল যে আমি কেচটো কনটেষ্ট কৰিব লাগে। হাইকোৰ্টত তেওঁলোকৰ যিটো কেচ চলি আছে এইটো তেখেতৰ মতে এডভোকেট জেনেৰেলে

ইণ্টাৰফেয়াৰ কৰিব লাগে বা গড়কাপ্তানী বিভাগে ভাল উকিল ল'ব লাগে। দৰকাৰ হ'লে গৰ্ভমেণ্ট ষ্টেণ্ডিং কাউঞ্চিল ল'ব লাগে। এইটো মই আপোনাক আশ্বস্ত কৰিলো।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, আৰু এটা কথা থাকি গ'ল যে, যিটো ফটাশিল গড়চুক পথ সেই পথেৰে অৰিজিনেল যিটো নেশ্যনেল হাইৱে নহওঁতে এটা ৰাস্তা আছিল। সেই ৰাস্তাটো হৈছে পশ্চিম বৰাগাওঁ, পূব বৰাগাওঁ নেশ্যনেল হাইৱে। অৰ্থাৎ গড়চুকত সেই পথটো লগ হৈছে আৰু এই ৰাস্তাটোৰ কাম ভাৰত স্বাধীন হোৱাৰ পিছত হোৱাই নাই। এতিয়া গাওঁৰ মাজেৰে যিটো ৰাস্তা গৈছে সেই ৰাস্তাটোৰ অৱস্থা একেবাৰে শোচনীয়। সেই ৰাস্তাৰে প্ৰায় ২০ হাজাৰ মান মানুহ অহা যোৱা কৰে আৰু তেওঁলোকে অতি কষ্টত দিন কটাব লগীয়া হৈছে। গতিকে মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক কৈছো যে যাতে সেই ৰাস্তাটো নিৰ্মাণৰ কাৰণে এই বছৰ যাতে ব্যৱস্থা গ্ৰহণ কৰে। ইতিমধ্যে প্ৰাক্কলন প্ৰস্তুত কৰিছে মাথো পুঁজিৰ অভাৱৰ কাৰণে কাম আৰম্ভ হোৱা নাই। এই বছৰ যিহেতু পুঁজিৰ অভাৱ নাই গতিকে কামটো কৰিব পাৰিব বুলি মোৰ বিশ্বাস আছে।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে কোৱা পূব বৰাগাওঁ আৰু পশ্চিম বৰাগাওঁ ৰাস্তাটোৰ মুঠ দৈৰ্ঘ্য হৈছে ২.৯৭ কি.মি.। এইটো এটা অতি গুৰুত্বপূৰ্ণ ৰাস্তা। কাৰণ এইটো ইঞ্জিনিয়াৰিং কলেজ, আয়ুৰচন্দ্ৰা হস্পিটাল, জালুকবাৰীলৈকে কানেকটিং পথ আৰু সেইকাৰণে ২.৯৭ কি.মি. ৰ প্ৰাক্কলন প্ৰস্তুত কৰা হৈছে। এতিয়া মই আপোনাক উত্তৰটো দিব লাগে যেপুঁজি সাপেক্ষে এই ৰাস্তাটো হ'ব। যিহেতু এই ৰাস্তাটো গুৰুত্বপূৰ্ণ সেইকাৰণে এই ৰাস্তাটো নিশ্চয় কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ৬৩, শ্ৰী সঞ্জয় কিশান।

**শ্ৰী পিযুজ হাজৰিকা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত দিয়া আছে।

**শ্ৰী সঞ্জয় কিশান(তিনিচুকীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই উত্তৰ পাইছো। কথা হ'ল পি এম জে এ ওৱাই প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা, এই আঁচনিখন সফল ৰূপায়ণ কৰিবৰ কাৰণে আজি অসমৰ যিবিলাক জিলা চিভিল হস্পিটাল আছে উক্ত হস্পিটাল সমূহত অমৃত ফাৰ্মাচী নামেৰে একোখন ফাৰ্মাচী খোলা হৈছে। মাননীয় অধ্যক্ষ মহোদয়, দেখা গৈছে যে আচলতে এই ফাৰ্মাচী সমূহত যি জেনেৰিক ঔষধ হ'ব লাগে সেই জেনেৰিক ঔষধ বিলাক ৰোগী সকলে নাপায়। বেছিভাগ ব্ৰেণ্ডেড ঔষধেই ৰোগীক তেওঁলোকে দিয়ে। যাৰবাবে ডাক্তৰ সকল প্ৰশ্নৰ সন্মুখীন হ'বলগীয়া হয়। কিছুমানে কয় যে জেনেৰিক ঔষধ দিব লাগিছিলে ব্ৰেণ্ডেড ঔষধ কিয় লিখিছে আৰু এটা কথা যিহেতু এই ফাৰ্মাচী বিলাক ২৪ ঘণ্টাই খোলা থাকিব লাগে কিন্তু মোৰ সমষ্টি তিনিচুকীয়াত যিখন ফাৰ্মাচী আছে দুই বজাতেই বন্ধ কৰা দেখা যায়। গতিকে পি এম জে এ ওৱাই আঁচনিটো সফল ৰূপায়ণ কৰাৰ ক্ষেত্ৰত বাধা হোৱা বুলি মই ভাৱিছো আৰু ঔষধৰ যিটো দাম, ধৰা হ'ল এটা ঔষধৰ দাম ১০০ টকা, যদি অমৃত ফাৰ্মাচীয়ে ৮০ টকাত দিয়ে দেখা গৈছে যে সাধাৰণ ফাৰ্মাচীয়ে এইটো আকৌ ৭০ টকাত দিয়ে। গতিকে অমৃত ফাৰ্মাচীৰ পৰা যিটো সহায় পাব লাগে সেইটো হোৱা নাই বুলি মই ভাৱো। প্ৰকৃতাৰ্থত আমাৰ যিটো উদ্দেশ্য আছে, এটা মহান উদ্দেশ্য লৈ এইটো কৰা হৈছে, গতিকে যাতে অমৃত ফাৰ্মাচীটো সঠিক ভাৱে মানুহে যিটো সহায় তাৰ পৰা পাব লাগে, দুখীয়া মানুহ বিলাকৰ কাৰণে বিশেষকৈ এইটো অলপ ব্যৱস্থা হ'ব লাগে বুলি মই মন্ত্ৰী ডাঙৰীয়াক আপোনাৰ যোগেদি কব বিচাৰিম আৰু বিশেষ ভাৱে এইটো যাতে ২৪ ঘন্টাই খোলা থকাৰ ব্যৱস্থা হয় তাৰ কাৰণে এটা নিৰ্দ্দেশ জাৰি কৰিব লাগে। কাৰণ এই ফাৰ্মাচী সোনকালে

বন্ধ কৰা দেখা যায়। গতিকে এইটো মই আপোনাৰ যোগেদি মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, সন্মানীয় বিধায়ক সঞ্জয় কিষাণ ডাঙৰীয়াই যিটো কথা সুধিছে, আচলতে অমৃত ফাৰ্মাচী অসমত চলায় Hindustan Latex Life Care Ltd. বুলি ভাৰত চৰকাৰৰ এটা PSU আমাৰ অসম চৰকাৰৰ লগত, NHM ৰ লগত HLL ৰ Memorandum of Understanding কৰা আছে আৰু অমৃত ফাৰ্মাচী আপোনালোকে জানে যে নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ সুপ্ৰচেষ্টাত Amrit মানে A for Afordable, M for Medicine, R for Reliable, I for Implane for Treatment. আমি অমৃত ফাৰ্মাচী সমগ্ৰ ভাৰতবৰ্ষত খোলাৰ ব্যৱস্থা কৰিছো। সেই অনুসাৰে অসমৰ HLL এ বিভিন্ন হস্পিটালত অমৃত ফাৰ্মাচী খোলাৰ ব্যৱস্থা কৰিছে। অধ্যক্ষ ডাঙৰীয়া, আমি NHM ৰ পৰা Guide Line প্ৰস্তুত কৰিছিলো যে আমাৰ সন্মানীয় ডাক্তৰ সকলে Prescription যেতিয়া লিখিব Brand Name লিখিব নোৱাৰে Composition লিখিব লাগিব। অধ্যক্ষ মহোদয়, যোৱা অলপ দিন ধৰি এইবিষয়ে আমি যথেষ্ট ঘুৰাপকা কৰিছো, হস্পিটাল সমূহতো গৈছো, সকলোকে অনুৰোধো কৰিছো যাতে Brand Name নিলিখে। কাৰণ আমি অসম চৰকাৰে Almost all Medicine supply দিও। কোনোবাই যদি কয় যে কৰবাত ঔষধ নাই কিন্তু আমি যেতিয়া খৱৰ লওঁ ঔষধ Available থাকে। গতিকে কৰবাত কৰবাত খুৱ বেছি কম ৫ শতাংশ ডাক্তৰ, ৯৫ শতাংশ ডাক্তৰ is working very good manner. কৰবাত ৫ শতাংশ ডাক্তৰে হয়তো কৰবাত কেতিয়া Brand Name লিখি দিয়ে, হয়তো কৰবাত ভুলতো লিখি দিয়ে, কেতিয়াবা ইচ্ছাকৃত ভাৱে লিখি দিব পাৰে। কিন্তু আমি সকলোকে অনুৰোধ কৰি আছো যাতে Brand Name নিলিখে। কাৰণ আমাৰ অসম চৰকাৰৰ বা NHM ৰ পৰা আমি দৰব যিমানপাৰো supply কৰিছো। গতিকে আমাৰ হস্পিটাল বোৰত দৰৱ Available থাকে। কিন্তু Brand লিখিলে কি হয় য'ত Particular Brand Name টো নাথাকে, Particular Brand Name ৰ দৰৱটো আমাৰ ফাৰ্মাচীত নাথাকে বা অমৃত ফাৰ্মাচীত নাথাকে তেতিয়া বাহিৰৰ পৰা ৰোগী জনে কিনি আনিব লগীয়া হয়। তেতিয়া ৰোগীজনৰ বা পৰিয়ালৰ অলপ অসুবিধা হয়। গতিকে আমি সকলোকে বাৰে বাৰে অনুৰোধ কৰিছো, আমি ইতিমধ্যে ফাৰ্মাচীষ্ট সকলকো অনুৰোধ কৰিছো যাতে তেখেত সকলে Brand Name লিখা Prescription গ্ৰহণ নকৰে। আমি ডাক্তৰ সকলৰ যি সংগঠন আছে তেখেতসকলকো অনুৰোধ জনাইছো, ফাৰ্মাচী কাউন্সিলকো অনুৰোধ কৰিছো যাতে এই ধৰণৰ কথা বতৰা বিলাক নহয়। কিন্তু মই আকৌ কৈছো খুব বেছি ৫ শতাংশ বা ৩ শতাংশ ডাক্তৰে এই কামটো কৰবাত কৰে, সকলোৱে নকৰে। বেছিভাগে ভাল কাম কৰি আছে। কিন্তু এই কাম যাতে নহয় তাৰ কাৰণে আমি সচেতন। অধ্যক্ষ মহোদয়, সঞ্জয় কিষাণ ডাঙৰীয়াই যিটো কথা কৈছে কিছুপৰিমাণে অসত্য বুলি মই নকওঁ কাৰণ Human Albumin, Nebulised for Asthma, আমি যে

Nebulised কৰো আমাৰ Asthma হ'লে, Sweater, আমাৰ যিটো সূতা চিলনী দিয়া বুলি কওঁ সেই thread আৰু Anti-Rabbis Vaccnie আৰু Snake Venom এইখিনি আমাৰ Generic Medicine ৰ পৰিসৰৰ বাহিৰত। কিছুমান particular Medicine আছে Generic Medicine ৰ পৰিসৰৰ বাহিৰত। গতিকে সেইখিনিটো important, এতিয়া যদি কোনোবা মানুহক সাপে কামোৰে গতিকে তেওঁটো injection লবই লাগিব। তেওঁটো অমৃত ফাৰ্মাচীলৈও

যাব পাৰে, Asthma হলে তেওঁটো অমৃত ফাৰ্মাচীলৈও যাব পাৰে। গতিকে সেই particular Medicine সমূহ অমৃত ফাৰ্মাচীয়ে Brand Name দৰৱ ৰাখিবলৈ বাধ্য। আমাৰ সঞ্চয় কিষাণ ডাঙৰীয়াই আমাক যিটো পৰামৰ্শ দিছে যে ২৪ ঘন্টাই খোলা ৰাখিব লাগে সেই বিষয়ে আমি চিন্তাচৰ্চা কৰিম আৰু যাতে কৰিব পৰা যায় তাৰ বিষয়ে প্ৰচেষ্টা হাতত লম। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, ইয়াৰ পিছত শ্ৰীআব্দুৰ ৰহিম আজমল।

**Shri Abdur Rahim Ajmal :-** Respected Sir, the Government has taken a very good step that the prescription that prescribe has to be generic medicine, for the generic medicine. But, there is a big question mark on itself, on the regulation of generic medicine in India. Whereas, the company have been accused in the past as that they are not following the regulations, which the company follows in USA or Europe standard. So, they are making different kinds of good medicines for European & American market, and they are the low quality medicines are coming here in India. Because, there is no regulation plus there are instances where the Doctors are said the generic medicine is not working accordingly. So Sir, this also indicate the question mark that if it is not tested and not regulated properly in India than the medicine don't work and it can have other kind of reaction to it also. And one more thing is that one it is not working properly and other things is that if you want to the Govt. is focusing in this matter, they have to be very good law, very good regulation to adopt, then we can say it's a very good step to adopt all these kind of tactics in all the Hospitals. Now, I want to know what the Govt. is thinking action on all about these.

**মাননীয় অধ্যক্ষ ঃ** Thank You.

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, আমি time to time যিখিনি দৰৱ, অসম চৰকাৰৰ পৰা Supply কৰা হয় time to time আমি পৰীক্ষা কৰো। Particular time period we send it to the Laboratory for testing. Generic Medicine ৰ পৰা অধ্যক্ষ মহোদয়, কি হয় খৰচটো কম হয়। গতিকে আমি ভাৰতবৰ্ষৰ ৰাইজৰ কাৰণে Generic Medicineব্যৱহাৰ কৰিবলৈ বাধ্য। Even I too want that the standard of our Medicine should be equal to International standard. আমেৰিকাত যি দৰৱ হয়, ইউৰোপত যি দৰৱ হয় সেইটো মইও বিচাৰো। কিন্তু কৰবাত কৰবাত আমি চাগে এতিয়াও সেই standard পোৱা নাই। But, we are trying a lot,so think of the patient condition, think on the patient's financial condition we are trying to help them by giving them Generic Medicine.গতিকে অধ্যক্ষ মহোদয়, আমি আৰু কৰিবলৈ চেষ্টা কৰিম। আমি দৰৱ যাতে আৰু ভাল হয়, মই আকৌ কৈছো time to time Laboratory ত test কৰো, কেতিয়াবা কোনোৱা দৰৱে ফেইল কৰে, আমি বন্ধ কৰি দিও।

এইটো কোনো পথ্যেই নহয় যে Generic Medicine নে কাম নকৰে তেনেকুৱা ঔষধ আমি ব্যৱহাৰ কৰিব নিদিও। সেইটো বিষয় মই সদনক জনালো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, তেখেতে এটা পৰামৰ্শ দিছে আপোনাক। এতিয়া ডাক্তৰ নোমল মোমিন।

**ডাঃ নোমল মোমিন ঃ** অধ্যক্ষ মহোদয়, সন্দেহ নাই যে অমৃত ফাৰ্মাচীয়ে অসমৰ বহু ৰোগীক যিটো ঔষধ কম দামত দি সুবিধা দিছে আৰু অসমৰ প্ৰায় বিলাক হস্পিটালতে বিনামূলীয়া ঔষধ পোৱা যায় আৰু দামী দামী ঔষধো পোৱা যায়। তাৰ বাবে স্বাস্থ্য বিভাগৰ মন্ত্ৰীক ধন্যবাদ দিছো। কিন্তু Generic Medicine ৰ এটা কথা কব বিচাৰিছো। ধাৰণাটো সম্পূৰ্ণ শুদ্ধভাৱে জনসাধৰণৰ মাজতো নাই, ফাৰ্মাচীষ্ট বিলাকৰ মাজত আছে যদিও সিহতে নকয়। কাৰণ যিকেইটা Generic Medicine produce কৰে সেইটো non commercial. কোম্পানী বিলাকে এইটো কোনো commercialise নকৰে বা বিজ্ঞাপন নকৰে বা ইয়াৰ commission ও নিদিয়ে, সেইটোৰ কাৰণে ইয়াৰ দামটো বহুত কম। কিন্তু কথা হৈছে কি আমি এতিয়া অৰ্ডাৰ দি দিছো ডাক্তৰ সকলক যে molecule লিখিবলৈ, molecule suppose pantoprazole টো লিখি দিয়ে, কিন্তু pantoprazole produce কৰা সেই Generic Medicine টো সেইটো কোম্পানী আছে নে নাই সেইটো এটা প্ৰশ্নবোধক। তেওঁলোকে ঔষধটো লিখি দিয়াৰ লগে লগে ফাৰ্মাচীষ্ট জনেহে ঔষধটো দিব কি ঔষধ দিলে সেইটো Generic দিলে নে বেলেগ non generic দিলে, নাইবা কিবা ভুচি ঔষধ দিলে। এতিয়া মোৰ যিটো ধাৰণা আছে সেই ধাৰণা মতে এই Generic ঔষধ বিলাক যিবোৰ কোম্পানীয়ে প্ৰস্তুত কৰে কাৰণ সকলো কোম্পানীয়ে Generic ঔষধ প্ৰস্তুত নকৰে। এই বিলাক সকলো Collect কৰিব লাগে আৰু notify কৰিব লাগে। তেতিয়াহলে ১০০ শতাংশই Generic ঔষধ ৰোগীয়ে পাব বুলি মোৰ বিশ্বাস আছে। দ্বিতীয়তে হৈছে যে আগতে কোৱা হৈছে যে আমাৰ অসম চৰকাৰৰ কৰ্মচাৰী সকলৰ কাৰণে Health Card ৰ ব্যৱস্থা কৰাৰ কথা, যদি এই কাৰ্ডটো দিয়া হয় তেতিয়াহলে আমাৰ কৰ্মচাৰী সকলে লাভবান হ'ব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া মন্ত্ৰী।

**শ্ৰী পিযুষ হাজৰিকা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, নোমল মমিন ডাঙৰীয়া নিজে ডাক্তৰ গতিকে তেখেতে মোতকৈ বেছি জানিব। মই এটা কথা যোৱা ১৪ মাহত ৰাজ্যিক স্বাস্থ্যমন্ত্ৰী হিচাপে যি উপলব্ধি কৰিছো যে আমি কি কৰিব খুজিছো, আমি ৰোগীক সেৱা কৰিব খুজিছো। আমি আমাৰ সাধৰণতে চৰকাৰী হস্পিটাললৈ বহুতো ধনী মানুহ নাহে। এইটো একেইবাৰে সাধৰণ কথা। গতিকে দুখীয়া মানুহক বা আমাৰ গাঁৱৰ মানুহক সহায় কৰিবলৈ আমি দিনে ৰাতিয়ে চেষ্টা কৰিছো। আমাৰ গোটেই কথাটো হ'ল যে কম খৰছত চিকিৎসা হ'ব লাগে। আমাৰ অসম চৰকাৰে আমি অটল অমৃত অভিযান আনিছো, কেন্দ্ৰীয় চৰকাৰে আয়ুস্মান ভাৰতৰ আঁচনি আনিছো। গোটেই ভাৰত চৰকাৰ বা অসম চৰকাৰৰ লক্ষ্যটো কি যে কম খৰচত চিকিৎসা কৰিব লাগে। গতিকে আমি কি কৰিছো Brand Name লিখিব নালাগে আৰু আমি অসম চৰকাৰৰ পৰা যি Supply দিও মই ইতিমধ্যে কৈছো যে আমাৰ NHM য়ে যি ঔষধSupply দিয়ে সেই প্ৰায় Available. কেতিয়াবা কৰবাত কিবা এটা নাইকীয়া হয়, কেতিয়াবা আমাৰ গুৱাহাটীৰ লাইফ ফাৰ্মাচীতো নোহোৱা হয়। যিখন গুৱাহাটীৰ বিখ্যাৎ ফাৰ্মাচী। সেই ফাৰ্মাচীখনতো কেতিয়াবা কোনোবা এটা ঔষধ নাথাকিব পাৰে। সেয়েহে কেতিয়া আমাৰ কোনোবা এখন হস্পিটালত কিবা এটা ঔষধ নাথাকিব পাৰে but it does not

mean that we are giving available supply. আমি supply সম্পূৰ্ণভাৱে দি আছো। কিন্তু মই আকৌ কৈছো, মই ডাক্তৰ সকলক, ফাৰ্মাচিষ্ট সকলক, বিভাগৰ লগত জড়িত সকলো ব্যক্তিক অনুৰোধ জনাইছো যাতে composition লিখে, brand নিলিখি আমাৰ ঔষধ যাতে ব্যৱহাৰ কৰে যাতে ৰাইজ উপকৃত হয় তাৰ কাৰণে আমি চেষ্টা চলাই আছো । নোমল মমিন ডাঙৰীয়াই এটা প্ৰশ্ন কৰিছে যে আমাৰ কৰ্মচাৰী সকলক health card দিয়াৰ কাৰণে। হয়, এইটো এটা এতি গুৰুত্বপূৰ্ণ কথা। মই জানো এইটো আমাৰ কৰ্মচাৰী পৰিষদৰো দাবী । আমি অটল অমৃত অভিযানত যি সকল ৫ লাখ টকাৰ তলৰ আয়ৰ যি সকল চাকৰিয়াল নহয়, তেখেতসকলক আমি দিয়াৰ ব্যৱস্থা কৰিছো । কেন্দ্ৰীয় চৰকাৰৰ আয়ুষ্মান ভাৰত আঁচনিত যি সকল দৰিদ্ৰ সীমা ৰেখাৰ তলৰ লোক সকলক দিয়াৰ ব্যৱস্থা কৰিছে। নিশ্চিত ভাবে প্ৰশ্ন হয় যে কিছুমান কৰ্মচাৰী আছে তেওঁলোকে ২০ হাজাৰৰ পৰা ৩০ হাজাৰ টকা দৰমহা পায়। তেওঁলোকৰ বাৰ্ষিক আয় ৫ লাখৰ তলত। গতিকে তেওঁলোকে পাব লাগে। সেই বাবে এইটো বিষয়ত অসম চৰকাৰে ব্যৱস্থা লৈ আছে । মই যিমান খিনি জানো আমাৰ বিভাগৰ ফালৰ পৰা বা কৰ্মচাৰী পৰিষদৰ প্ৰতিনিধি টেলেংগনাত গৈ তেওঁলোকে কেনেকৈ কৰিছে এই বিষয়ে পৰ্যালোচনা কৰি আছে । নিশ্চয়কৈ এই ব্যৱস্থাও অতি সোনাকালে কৰা হ'ব ।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ। এতিয়া কমলাক্ষ্য দে' পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে' পুৰকায়স্থঃ** অধ্যক্ষ মহোদয়, আমাৰ বিধায়ক সকলে কৈছে যে অমৃত ফাৰ্মাচি আমাৰ প্ৰত্যেক চিভিল হস্পিতালত হোৱা নাই। অধ্যক্ষ মহোদয়, ইয়াত জেনেৰিক মেডিচিনৰ কথা যিবোৰ কোৱা হ'ল আচলতে কথাটো হৈছে অধ্যক্ষ মহোদয়, দুখীয়া ৰাইজে এইটো গম নাপায় যে কোনটো branded medicine বা generic medicine সিহঁতে যেতিয়া যায় মোৰ দেউতাৰ কিবা হৈছে, কৰ পাৰ কিনি লৈ আহে । অধ্যক্ষ মহোদয় মই দায়িত্ব সহকাৰে ক'ব পাৰো আজি শিলচৰ মেডিকেল কলেজ, যোৰহাট মেডিকেল কলেজ ৪০-৫০ শতাংশৰ ওপৰত জেনেৰিক মেডিচিন পোৱা নাযায়। কিছুমান ডাক্তৰ এনেকুৱা আছে সিহতৰ জীৱনত সিহতে জেনেৰিক মেডিচিন লিখা নাই । যেতিয়া ব্লাড টেষ্ট কৰিব যায় তেতিয়া ডাক্তৰে চেন্টাৰৰ নাম লিখি দিয়ে যে ক'ত টেষ্ট কৰিব। এইটো কাৰণত মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম এই ক্ষেত্ৰত যাতে কঠোৰ ব্যৱস্থা লোৱা হয় আৰু সজাগতা শিবিৰৰ মাধ্যমেৰে যাতে সাধাৰণ লোকে এই সুবিধাটো পায়।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ।

**শ্ৰী পীযুষ হাজৰিকা, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই অস্বীকাৰ কৰা নাই যে ৫ শতাংশ ডাক্তৰে কেতিয়াবা branded medicine লিখি আছে আৰু তাৰ বিৰুদ্ধে আমি কাম কৰি আছো। লগতে সকলোকে অনুৰোধ কৰি আছো। আপোনালোকে যোৱা কেইদিনমান ধৰি টিভি, পেপাৰত দেখি আছে এইটো যাতে নহয়। আমি হস্পিতাল সমূহত sudden visit কৰিছো । মই আকৌ কৈছো যে সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ চৰকাৰখনৰ উদ্দেশ্য হৈছে দুখীয়া মানুহক সহায় কৰা, দুখীয়া ৰোগীক সহায় কৰা। গতিকে আমি অসম চৰকাৰৰ পৰা যিহেতু পৰ্য্যাপ্ত পৰিমানৰ ঔষধ যোগান ধৰো, গতিকে অন্য ঠাইৰ পাৰ কিনাৰ প্ৰশ্নই হ'ব নোৱাৰে। গতিকে আজি সন্মানীয় সদস্যই যিখিনি পৰামৰ্শ দিছে সেইটোও মানি লম আৰু যিমান খিনি পাৰো সিমান খিনি চেষ্টা কৰিম যাতে branded prescription নহয়।

**মাননীয় অধ্যক্ষ মহোদয়** ঃ প্ৰশ্ন নং-৬৪। আবুল কালাম ৰছিদ আলম। ৰূপান্তৰ ও উন্নয়ন বিভাগৰ

মন্ত্ৰী।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে ।

**শ্ৰী আবুল কালাম ৰছিদ আলম (পূব গোৱালপাৰা)** ঃ মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ পাইছো কিন্তু উত্তৰ বিলাক স্পষ্ট মই পোৱা নাই । মই প্ৰশ্ন কৰিছিলো গোৱালপাৰ জিলাৰ ৰূপান্তৰ আৰু উন্নয়ন বিভাগত কিমান পদ খালী হৈ আছে আৰু কিমান কৰ্মচাৰী আছে । কিন্তু ইয়াতে দিছে ১০ জন । কিন্তু কোনো এটা বিভাগ 3rd Grade, 4th Grade নোহোৱাকৈ চলিব পাৰে কিন্তু মুৰব্বী নোহোৱাকৈ কোনো এটা বিভাগ চলিব নোৱাৰে। গতিকে গোৱালপাৰা জিলাত এই বিভাগত Senior Planning Officer ৰ পদ কেতিয়াৰ পৰা খালী হৈ আছে আৰু কেতিয়া পূৰণ কৰা হ'ব সেইটো উত্তৰ মই বিচাৰিছো আৰু ২০১৮-১৯ বিত্তীয় বৰ্ষৰ বিধায়ক সকলৰ ৫০ লাখ যিটো untied fund কেইটা সমষ্ঠিত দিয়া হৈছে আৰু কেইটা সমষ্টিত বাকী আছে । ইয়াতে পাইছো যে ১০৫ টা আৱন্টন দিয়া হৈছে আৰু বাকী খিনি দিবলৈ বাকী আছে । তাৰ ভিতৰত ৭ টা সমষ্টি অনুমোদনৰ পৰ্য্যায়ত আছে । কিন্তু এইটো কেতিয়া দিয়া হ'ব আৰু বাকী খিনি কিয় দিয়া হোৱা নাই । এই উত্তৰতো বিচাৰিছো । মই প্ৰশ্ন কৰিছিলো যে ২০১৯-২০ বিধায়ক এলেকা উন্নয়ন পুঁজি আৰু untied fund কেতিয়া দিয়া হ'ব । উত্তৰত লিখিছে ২০১৭-১৮ বিত্তীয় বৰ্ষৰ সম্পূৰ্ণ ধনৰাশি খৰচ হ'লে দিয়া হ'ব । এতিয়া আমি আঁচনি দিছো, কিছুমান কাম হৈ গৈছে। কিন্তু পেপাৰচৰ কাম হোৱা নাই । ইয়াৰ দায়িত্বটো কোনে ল'ব। এইটো বিভাগে ল'ব লাগিব অধ্যক্ষ মহোদয়। মোৰ ২০১৭-১৮ বিত্তীয় বৰ্ষৰ কাম শেষ কিন্তু পেপাৰচৰ কাম এতিয়ালৈকে হোৱা নাই । গতিকে এই ক্ষেত্ৰত বিভাগীয় মন্ত্ৰী মহোদয়ে কি কয় মোক স্পষ্ট উত্তৰ লাগে লগতে মই এটা প্ৰশ্ন কৰিছিলো যে সুহৃীদ আঁচনিৰ অধীনত ছাত্ৰ-ছাত্ৰী সকলক শিক্ষাৰ যিটো সাহাৰ্য্য দিও এই টকাটো এবাৰহে দিব পাৰো। গতিকে দুখীয়া ল'ৰা-ছোৱালী ইঞ্জিনীয়াৰিং বা MBBS য়ে হওঁক যদি পঢ়িবলৈ যায় যদি আমি সম্পূৰ্ণ কৰ্চটোত সাহাৰ্য্য দিব পাৰো তেতিয়া হ'লে আমাৰ ভাল হয় । সেইটো দিয়াৰ কিবা ব্যৱস্থা কৰিব নেকি ?

**মাননীয় অধ্যক্ষ মহোদয়** ঃ মন্ত্ৰী ।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী** ঃ অধ্যক্ষ মহোদয়, তেখেতে ৪ টা supplementary কৈছে । এটা হ'ল যে পোষ্ট খালী আছে । পোষ্ট খালী থকাটো হয় । Planning Department ত আমাৰ গোৱালপাৰাত Planning Officer এজন আছে, জেষ্ঠ পৰিকল্পনা বিষয়া এজন চাৰ্জত আছে, সহকাৰী পৰিকল্পনা বিষয়া এজন আছে। কিন্তু আমাৰ সহকাৰী পৰিকল্পনা বিষয়াৰ এটা পদ খালী আছে আৰু গৱেষণা সহায়কৰ পদ এটা খালী আছে । লগতে ২টা সহকাৰী গৱেষকৰ পদ খালী আছে । বাকী আমাৰ উপায়ুক্ত কাৰ্য্যালয়ৰ পৰা তাত উচ্চ বৰ্গৰ সহায়ক তিনি জন দিয়া আছে আৰু নিম্ন বৰ্গৰ সহায়কো ৪ জন দিয়া আছে । সৰ্বমুঠ ১০ জন দিয়া আছে । এই যি তিনিটা পদ খালী আছে অতি সোনকালে এইটোৰ ব্যৱস্থা কৰা হ'ব । এইটো তেখেতৰ প্ৰথম চাপ্লিমেন্টৰী। ইয়াৰ বাবে চৰকাৰে নিশ্চত ভাবে ব্যৱস্থা হাতত ল'ব । কাৰণ চৰকাৰে কিয় পদ খালী ৰাখিব । বানপানী বা মাজতে বানপানীৰ কাৰণে কিবা এটা অসুবিধাৰ সন্মুখীন হৈছে । ২য় টো গোৱালপাৰা জিলাত ৫ টা untied fund ৰ ১০৫ টাত আৱন্টন দিয়া হৈছে। বাকী ৭টাত দিয়া হোৱা নাই, তেনেকুৱা কথা এটা কৈছে তেখেতে। এইটোৰ ক্ষেত্ৰত কথাটো হ'ল এনেকুৱা Model Code of Conduct লগাৰ কাৰণে আমাৰ এই ৭টা সমষ্টিক দিব পৰা নাই । তেতিয়া পূৱ গোৱালপাৰা, পশ্চিম গোৱালপাৰা, তিতাবৰ, ডেৰগাওঁ, মৰিয়নি, লাহৰীঘাট আৰু নলবাৰী এই কেইটা সমষ্টিত

Model Code of Conductৰ বাবে এই পুঁজিটো দিব পৰা নাই। গোৱালপাৰা ইষ্ট তেখেতৰ সমষ্টি আছে, গোৱালপাৰা ৱেষ্ট, তিতাবৰ, ডেৰগাওঁ, মৰিয়নি, লাহৰীঘাট, নলবাৰী- এইখিনি Model Code of Conduct লগা কাৰণে তেতিয়া Untied Fundৰ টকাখিনি উলিয়াব পৰা নাই। এতিয়া যদিও Model Code of Conduct গ'ল তাৰ পিচত বানপানী আহিল। বানপানীৰ পিছত আকৌ Assembly আহিল। গতিকে যি ৭ টাই পোৱা নাই, সেইকেইটাই পাব। ৩ নং প্ৰশ্নটোত তেখেতে কৈছে যে, আমাৰ এম এল এ এৰিয়া ফাণ্ড আৰু আন টাইড ফাণ্ডৰ Utilization Certificate ১৮-১৯ চনৰ নিদিয়া কাৰণে ১৯-২০ চনৰ আমাৰ টকা ৰিলিজ কৰা নাই বুলি তেখেতে এটা কথা কৈছে। অধ্যক্ষ মহোদয়, এইক্ষেত্ৰত এটা কথা কওঁ- তেখেতে কৈছে এইবিলাক দায়িত্ব কোনে ল'ব ?- চৰকাৰে ল'ব। অধ্যক্ষ ডাঙৰীয়া, আপুনি এটা সমষ্টিৰ বিধায়ক , মইও এটা সমষ্টিৰ বিধায়ক। কিন্তু কথাটো হৈছে কি যেতিয়া এম এল এ ফাণ্ডত এটা আঁচনি দিওঁ - ধৰক কোনো মন্দিৰত দিলো বা আন কৰবাতে দিলো - কমিটিখন কিন্তু আমি এ এলএসকলে approve কৰি দিওঁ। আমাৰ সমষ্টিবিলাকত সেই অঞ্চলত C.O বা D.O থাকে Chairman কৰি দিয়া হয়। এজন জেনেৰেল মানুহক লৈ এখন কমিটি কৰি দিয়া হয়। আৰু এজন Junior Engineer দিয়া হয়। আৰু বাকীকেইজন সামাজিক কৰ্মকৰ্ত্তা দিয়া হয়। Suppose Speaker Sir, আমি ১ লাখ টকা আমি দিলো । তাৰে ৭৫ শতাংশ ধন খৰছ হ'ল। এই ৭৫ শতাংশৰ কাগজখিনি দিব লাগিব ডি চি অফিচত বাকী ৰোৱা ২৫ শতাংশ ধনৰ পাবৰ কাৰণে। আমাৰ এম এল এ ফাণ্ডৰ ১ কোটি টকা সমষ্টিৰ গোটেই এৰিয়া ক'ভাৰ কৰি ২-৩ লাখ কৈ আঁচনি দিওঁ । সকলো এম এল এ এইটো কৰে, ময়ো কৰো। আমি যদি এটায়ে ১ কোটি টকাৰ আঁচনি লওঁ তেতিয়া হ'লে -Utilization Certificate সোনকালে হৈ যাব। কিন্তু আমি যিহেতু ৬০-৭০ টা আঁচনি দিওঁ , এতিয়া নতুন নিয়ম কৰিছে যে আঁচনিৰ ফটো দিব লাগিব, নিৰ্মাণৰ বিভিন্ন পৰ্য্যায়ত । কমিটিবিলাকে ফটো কপি বা আন যাৱতীয় কাম কৰি উপায়ুক্ত অফিছত জমা দিব লাগিব। এইটোতো চৰকাৰে কৰা কাম নহয়। এইটো সকলোৱে কমিটিয়ে কৰিব লাগিব। Utilization Certificate দিলে তেতিয়াহে চৰকাৰে টকা ৰিলিজ কৰি দিব। নিদিলে নকৰে। সেইটোৱে কথা। তাৰ পিছত আপোনালোকে আকৌ আপত্তি কৰিব। কেগৰ ৰিৰ্পেটত সেইটোৱে কৈছে Utilization Certificate দিয়া নাই, নহয়জানো ? দেখাত এনেকুৱা হৈছে যেন চৰকাৰে একোৱে কাম কৰা নাই। এতিয়া ৪ নং Supplimentary ত তেখেতে কৈছে সুহৃদ আঁচনিৰ বিষয়ে। আমাৰ দুখীয়া ঘৰৰ যিখিনি মেৰিটৰিয়াছ ষ্টুডেন্ট আছে- মেডিকলে পঢ়া, ইঞ্জিনিয়াৰিং পঢ়া, এম বি এ পঢ়া ইত্যাদি। আগতে সুহৃদ আঁচনিত এবাৰে টকা দিছে ২০০০০ টকা । তাৰ পিছত নিদিয়ে কিন্তু তেখেতে শুনি ভাল পাব এইবাৰ চৰকাৰে সিদ্ধান্ত লৈছে যে কোৰ্ছটো শেষ নোহোৱালৈ তেখেতে পাব। ৫ বছৰ যদি ইঞ্জিনিয়াৰিং পঢ়িছে ৫ বছৰে পাব।

**শ্ৰীনজৰুল হক (ধুবুৰী)ঃ** মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই যিখিনি কথা ক'লে সেইখিনি আমি বুজি পাওঁ। কিন্তু মোৰ কথাটো সেইটো নহয়। কনষ্ট্ৰাকশ্যন কমিটিয়ে কাম কৰিলে, ইউ চিও দিলে কিন্তু ডি চি অফিচত বিষয়া কৰ্মচাৰী কম থকা বাবে চাৰ্টিফিকেটখন চৰকাৰৰ ঘৰত আহি নাপায়। মোৰ তাত Senior Planning Officer পদটো খালী হৈ পৰি আছে। সেইটো

কেতিয়া পূৰণ কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** আপোনাৰ কথাটো হ'ল উপাযুক্ত কাৰ্য্যালয় বিষয়া কৰ্মচাৰী proper থাকিলেহে কাম হ'ব। ...........মিনিষ্টাৰ প্লিছ।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া , এই কথাটো প্ৰথমতে কলোৱেছোন। চৰকাৰে post খালী নাৰাখে। কিবা এটা অসুবিধা আছিল। ইলেকশ্যনৰ সময়ত Transfer হয় বহুতে জানে।

( বিৰোধী দলৰ প্ৰতিবাদ- হুলস্থুল)

**মাননীয় অধ্যক্ষ ঃ** ......... প্লিছ-- প্লিছ -- বহক। Please Seat down, He is there. বহক।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ঃ** মাননীয় অধ্যক্ষ মহোদয় , যদি কথাটো Suppliment কৰিব বিচাৰে ভদ্ৰভাবে থিয় হৈ কওক । হঠাতে উঠি কৈ দিয়ে। হুলস্থুল কৰি দিয়ে।

(বিৰোধী দলৰ হুলস্থুল)

কথাটো এনেকুৱা নহয়। This is not call the smartness of the M LA. smart কেতিয়া হ'ব জানেনে, যেতিয়া তথ্যসহকাৰে সদনক Convinced কৰিব তেতিয়াহে smart হ'ব।

(হুলস্থুল - একো শুনা নাযায়)

মই ১৯৮৫ চনৰ পৰাই এই বিধান সভাত আছো। তেতিয়া আপুনি ছাত্ৰ আছিল।

(হুলস্থুল - একো শুনা নাযায়)

**মাননীয় অধ্যক্ষ ঃ** এইখন হাউচ হয় ।Kamalakhya , Please take your seat. I am telling you. Please sit down.

কেইবাজনেও হাত দাঙিছে, মই চাপ্লিমেন্টৰি ২-৩ টা মানহে দিব পাৰিম। প্ৰতিটো দলেই যাতে ১ টাকৈ পায় সেইটো মই লক্ষ ৰাখো। নৰুল হুদাই হাত দাঙি থৈছে। সেই কাৰনে মই কৈছো তেখেতে এটা পাব। কিন্তু আপোনালোকে যদি সকলোৱে হাত দাঙি থৈ দিয়ে। মই কেনেকৈ দিম। কোশ্চেনৰ মাজত ইন্টাৰফেয়াৰ নকৰিব। গোটেই কথাটো হৈছে- এনেকৈ কৰি গোটেই কোৱেশ্চন আৱাৰটো নষ্ট নকৰিব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা মন্ত্ৰী) ঃ** গতিকে অধ্যক্ষ ডাঙৰীয়া, তেখেতে যিটো কথা কৈছে পোষ্টটো খালী নাথাকে। এইটো কনচিডাৰ কৰা হ'ব। আজি মই কথা পাতিম। আৰু বাকী পোষ্ট কেনেকৈ কৰিব পৰা যায়, সেইটো মই চাম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া চাহবুদ্দিন আহমেদ ঃ এইখিনিতে এটা কথা কও যে- এ আই ইউ ডি এফ য়ে মোক এখন লিষ্ট দিয়ে। আপোনালোকে বিধায়িনী দলত বহি এটা লিষ্ট বনাই মোক দিব তেতিয়া হ'লে ভাল হ'ব। সকলোৱে হাত দাঙিলেও মই সকলোকে দিব নোৱাৰো।

**শ্ৰীচাহাবুদ্দিন আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মোৰ সমষ্টিত ২০১৮-১৯ৰ আনটাইডৰ টকা পোৱা নাছিলো। ডি চি ৰ লগত যোগাযোগ কৰিছো। কিন্তু ৰিপ্লাইত তথ্য দিছে ১০৫টা সমষ্টিত আবন্টন দিয়া হৈছিল। ৭ টা সমষ্টিত অনুমোদনৰ ব্যৱস্থা লোৱা হৈছে। ১৪টাত অনুমোদন দিবলৈ বাকী আছে । কিন্তু ইয়াত আহি গ'ল ১২৬ । মোৰ সমষ্টি ক'ত গ'ল ছাৰ। মোৰ নাম অনুমোদনতো নাই, চেংশ্যনতো নাই।

**মাননীয় অধ্যক্ষ ঃ** শ্ৰী নুৰুল হুদা।

**শ্ৰীনুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি বিধায়কসকলে ইমপ্লিমেণ্টেশ্যন এজেন্সি হিচাপে ডেভলপমেণ্ট ব্লকক লৈছো আৰু ডেভেলপমেণ্ট ব্লকে আঁচনি অনুমোদন হোৱাৰ পিছত, ফাণ্ড ৰিলিজ হোৱাৰ পিছত কিন্তু জে.ই বিলাকে কামত মনোযোগ নিদিয়ে। কিছুমানে কয় এন, আৰ, চিৰ ডিউটি, কিছুমানে অমনোযোগ দেখুৱাই আৰু কিছুমানে কাম হোৱাৰ পিছতো ইউটিলাইজেশ্যন চাৰ্টিফিকেটখন নিদিয়ে। নিদিয়াৰ কাৰণে দেৰি হয়। গতিকে মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো প্ৰতিখন জিলাৰ উপায়ুক্তসকলক এটা নিৰ্দেশ দিব লাগে যে বিধায়কসকলৰ আঁচনিৰ কামসমূহ এক মাহ, দুমাহৰ ভিতৰতে তেওঁলোকে সম্পূৰ্ণ কৰি দিয়াৰ ব্যৱস্থা কৰে। দ্বিতীয়তে, আমাৰ এম, এল, এ সকলৰ 'সুহৃদ' আঁচনিৰ জৰিয়তে যেতিয়া ৰোগীসকলক সাহায্য দিও চৰকাৰী চিকিৎসালয়ত চিকিৎসা কৰা সকলকহে আমি দিব পাৰো কিন্তু নাৰ্চিং হোমত চিকিৎসা কৰাসকলক দিব নোৱাৰো। এইটো নিদিয়াৰ কাৰণে আমাৰ চৰকাৰী চিকিৎসালয়সমূহত ফ্লৰতো ৰোগীসকলক থাকিবলৈ ঠাই দিব নোৱাৰা অৱস্থাৰ সৃষ্টি হয়। সেই সময়ত চিৰিয়াছ ৰোগী এজন যদি যায় তেতিয়া তাত ছিট নাপায় নাৰ্চিংহোমলৈ গুছি যাবলগীয়া হয়। গতিকে নাৰ্চিংহোমত চিকিৎসা কৰা সকলকো সাহায্য দিয়াৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰীয়ে উত্তৰ দিব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, কিছুমান আমাৰ জুনিয়ৰ ইঞ্জিনিয়াৰ এন, আৰ, চিৰ ডিউটিত থকাটো হয়। কাৰণ অসম চৰকাৰৰ পঞ্চাশ হাজাৰ কৰ্মচাৰী এই ডিউটিত নিয়োজিত হৈ আছে। গতিকে জৰুৰীভাৱে কেতিয়াবা হয়তো এন,আৰ,চিৰ ডিউটিত কাম কৰিবলগা হ'ব পাৰে। এইটো অকল আপোনাৰ সমষ্টিতে নহয়। আমাৰ সমষ্টিটো হৈছে, সকলোতে হৈছে। এন,আৰ,চিত কেতিয়াবা জৰুৰী কাম আহি গ'লে তেওঁলোকক মাতিলে যাবলগীয়া হয়। এইক্ষেত্ৰত মই এটা সাধাৰণ উদাহৰণ দিব বিচাৰিছো। আমাৰ নলবাৰীৰ এজন ছিনিয়ৰ অফিচাৰ, এ,ডি,চি ৰেংকৰ, তেওঁ এন,আৰ,চিৰ কামত বৰ্তমান গোৱালপাৰাত আছে। এনেকুৱা হয় কেতিয়াবা। গতিকে এইটো ক্ষেত্ৰত আপোনাৰ কণচাৰ্ণটো নিশ্চয় চৰকাৰে অনুভৱ কৰিছে। অকল আপোনাৰে নহয়, ইয়াত থকা সকলো বিধায়কৰে এই কণচাৰ্ণটো আছে। গতিকে এই কথাটো আমি যিমান পাৰো চিগনিফাই কেনেকৈ কৰিব পাৰি সেই ব্যৱস্থাটো নিশ্চয় আমি চাম। এইটো আপোনাৰ-মোৰ সকলোৰে সমস্যা। ইউটিলাইজেশ্যন চাৰ্টিফিকেটৰ ক্ষেত্ৰত ২০১৭-১৮ বিত্তীয় বৰ্ষত ১০০ শতাংশ লাগিব। ২০১৭-১৮ বিত্তীয় বৰ্ষত ৭০ শতাংশ লাগিব। মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই এই কথাখিনি স্পষ্টভাৱে কৈছেও যে আমাৰ ৭০ শতাংশ পইচা খৰচ নহ'লে ডিচেম্বৰৰ পিছত সেই পইচাটো ডি.চিৰ ফাণ্ডত ৰৈ থাকে। ফলস্বৰূপে কামখিনিও নহয় আৰু পিছৰ বছৰ পইচা দিবলৈও অসুবিধা হয়। ইউটিলাইজেশ্যন চাৰ্টিফিকেট নাপালে সেইটো Unspent money বুলি ধৰা হয়। গতিকে এনেকুৱা ধৰণৰ কিছুমান অসুবিধা হয়। সেয়েহে মই মাননীয় সকলো সদস্যক অনুৰোধ কৰো যে ইউটিলাইজেশ্যন চাৰ্টিফিকেটখন যদি আমি দিয়াব পাৰো তেতিয়া চেণ্ট পাৰচেণ্ট পইচা চৰকাৰে ৰিলিজ কৰি দিব। 'সুহৃদ' আঁচনিৰ ক্ষেত্ৰত মই জনা মতে অকল চৰকাৰী হস্পিতাল বুলি নহয়, মিনিমাম তিনিদিন যদি কোনোবাই প্ৰাইভেট হস্পিতালটো থাকে তেওঁলোককো পইচা দিয়া হয়। (মাননীয় বিধায়কসকলে দিয়া নাই বুলি আপত্তি কৰে) যদি দিয়া নাই, তেওঁলোককো দিব। আপোনালোকে দি দিব, অসুবিধা নাই।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্ন নং — ৬৫, শ্ৰীভূবন পেগু।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষমহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰীভূবন পেগু (জোনাই) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰশ্নত সুধিছিলো অসমে এন, এইচ, পি, চি নামনি সোৱঁণশিৰি প্ৰকল্পৰ পৰা কিমান ফ্ৰি পাৱাৰ পাব? ইয়াৰ উত্তৰত ২৫ মেগাৱাট দিব দিব বুলি কৈছে। পাৰ্ছেজ পাৱাৰ ৫০০ মেগাৱাটমান দেখুৱাইছে। এক প্ৰকাৰ চাবলৈ গলে ২০০০ মেগাৱাটৰ পৰা ২৫ মেগাৱাট পাৱাৰ পোৱাটো এটা অৰ্থহীন কথা। কিন্তু ইয়াৰ কুফল আমি ভুগিব লাগিব। এই কুফল ইতিমধ্যে আমি ভুগিব ধৰিছো। যেতিয়া আৰম্ভ হ'ব, খৰালি দিনত যেতিয়া ডেমটো আৰু টাৰবাইন নচলোৱাকৈ থব, তেতিয়া ৬ কিউবিক পানী এৰিব। তাৰ ফলত খৰালি ৰাতি বানপানী হ'ব। এই বিষয়টো কেন্দ্ৰীয় চৰকাৰে স্বীকাৰ কৰি ২০১৩ চনত মুখ্যমন্ত্ৰীলৈ তেতিয়াৰ পাৱাৰ মিনিষ্টাৰ জ্যোতিৰাজ সিন্ধিয়াই চিঠি এখন লিখি পঠাইছিল - “further to mitigate the down stream impact, NHPC has committed to implement the recommendation of the Joint Standing Committee that was constituted in consultation with the Government of Assam with a total financial implication of 470 Crore. তাৰ মানে down-stream impact যিখিনি হ'ব, এই ক্ষতিটো দূৰ কৰাৰ কাৰণে 470 Crore খৰচ কৰিবলৈ দায়িত্ব লৈছিল। এই টকাটো কেনেকৈ খৰচ কৰা হৈছে ৰিপোৰ্টটো মই বিচাৰিলো। ৰিপোৰ্টত দিছে down-stream protection measures ত ১৪৫ কোটিটকা খৰচ কৰিছে আৰু বাকী down-stream development work বুলি ৩২০ কোটি টকা খৰচ কৰিছে - গাহৰি পালন, বোৱা-কটা, এৰী গছ ৰোৱা আদিত। অধ্যক্ষ মহোদয়, মই ক'ব বিচাৰিছো যি টকা বানপানী, খহনীয়াত খৰচ কৰিব লাগে, সেই টকা ভেকোভাওনা কৰি এন, এইচ, পি, চিয়ে লুণ্ঠন কৰি আছে। গতিকে এইটো অতি সোনকালে বন্ধ হ'ব লাগে আৰু ৪৭০ কোটি টকাটো erosion protection measures ত খৰচ হ'ব লাগে আৰু ইয়াৰ দায়িত্ব মন্ত্ৰী মহোদয়ে ল'ব লাগে।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, বিষয়টো অতি জৰুৰী আছিল আৰু কথাটো ক'ব পাৰিলে ভাল লাগিলহেতেন। কিন্তু এতিয়া সময় কম আছে।

**মাননীয় অধ্যক্ষ ঃ** গুৰুত্বপূৰ্ণ প্ৰশ্ন আছিল।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী (সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী) ঃ** অধ্যক্ষ ডাঙৰীয়া, down-stream protection ৰ কাৰণে ১৪৫ কোটি টকা দিছিল। তাৰে ৩০ কিলোমিটাৰ ষ্টেডটোত তিনিটা স্কীম লোৱা হৈছে। এটাত জেকজেটী বুলি স্কীম লৈছে য'ত পাথৰ দি পিটচিং কৰা হয়। আনটো হ'ল Gravelling mattress , যত wiring কৰি পাথৰ সুমুৱাই দি বনোৱা হয়। তৃতীয়টো হ'ল Gravelling box, যিটো box ৰ নিচিনাকৈ বনাই তাত ডাঙৰ ডাঙৰ শিল সুমুৱাই দিয়া হয়। ইয়াৰ নামত তেওঁলোকে ১৪৫ কোটি টকা খৰচ কৰিছে এই প্ৰটেকশ্যনৰ কাৰণে। এইখিনি সম্পূৰ্ণ কৰিবলৈ তেওঁলোকৰ ১৪৫কোটি টকাত নহ'ল বাবে আৰু ১২১ কোটি টকা তেওঁলোকে বিচাৰিছে। যি ৩২০ কোটি টকা development ৰ কাৰণে আছে, এতিয়া তেওঁলোকে তাৰ পৰা ১২১ কোটি টকা বিচাৰিছে down-stream protection ৰ কাৰণে। গতিকে প্লেনিং এণ্ড ডেভেলপমেণ্টৰ অতিৰিক্ত মুখ্য সচিবৰ চেয়াৰমেনশ্বিপত এখন core কমিটি আছে আৰু সেই কমিটিখনে এই বিষয়টো বিবেচনা কৰি আছে। আমাৰ কমিটিখনে তেওঁলোকক কৈছে যে এই

১২১ কোটি টকাটো developmentৰ ফাণ্ডৰ পৰা কাটিব নালাগে, এন, এইচ, পি, চিৰ পৰা যি লাগে দি দিব কৈছে। গতিকে মই ভাৱো এই কামটো সোনকালে হৈ যাব।

## Point of Order

**শ্ৰী ৰঞ্জিত দাস, সৰভোগঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আজি দুদিনমানৰ পৰা লক্ষ্য কৰি আহিছো আমাৰ যেতিয়া মাননীয় বিধায়ক সকলে যিকোনো প্ৰশ্নৰ অৱতাৰণ কৰে বা আমাৰ treasury branch ৰ পৰা যেতিয়া reply দিয়ে, মই দেখিছো যে সদস্যসকলে পোনপতিয়াকৈ মন্ত্ৰীক সোধে, মন্ত্ৰীয়েও পোনপতিয়াকৈ সদস্যক কয়, গতিকে যিমান প্ৰশ্ন আৰু উত্তৰ থাকে, সেইবোৰ আপোনাৰ জৰিয়তে হব লাগে। যদি মন্ত্ৰীয়ে উত্তৰতো আপোনাক দিলে হতেন বা সদস্যসকলে যদি আপোনাক শুধিলেহেঁতেন তেতিয়া আজি দুদিনমান ধৰি যিটো মই পৰিবেশ দেখি আছো সেই পৰিবেশটো অন্তত নহ'ল হতেন। গতিকে সেই পৰিবেশটো উপশম ঘটাবলৈ আপুনি এটা নিৰ্দেশ দিব লাগে যে প্ৰশ্ন বা উত্তৰ আপোনাৰ পিনে চাই কৰিব। মন্ত্ৰীয়ে হওঁক বা সদস্যই হওঁক এই ব্যৱস্থাটো ইতিমধ্যে আছে আৰু পাৰিলে Parliament ত এবাৰ পঠাব লাগে সেইটো যাতে শিকি আহে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। ধন্যবাদ। ইয়াৰ পিছত মাননীয় সদস্য শ্ৰী শিলাদিত্য দেৱ।

**শ্ৰী শিলাদিত্য দেৱ (হোজাই) ঃ** Hon'ble Speaker, my question no. 149 today regarding Sepsis problem in ICUs in Private Hospital as well as Govt. Hospital. ইয়াতে মই বিচাৰিছিলো ICUs related Sepsis, কিন্তু মই যিটো উত্তৰ পালো সেইটো হ'ল PICU বুলি। মানে children related, সেই কাৰণে এই correction টো লাগে। I needed sepsis in ICUs। প্ৰধানকৈ আমাৰ অসমত প্ৰায়ভাগ মানুহ মৃত্য হৈ আছে sepsis in ICUs. becuase the don't maintained the protocal, they sould maintained. সেই চৰকাৰৰ যিটো সুধিছিলো that sould be a survey and they sould kept a check on the ICUs related death. সেইটো যিমান সোনকালে যাতে survey টো কৰে। Thank you sir.

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। ধন্যবাদ। Minister please note.

**শ্ৰী ভূৰন পেগু, জোনাই ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি গৃহ বিভাগৰ তৰাবিহীন প্ৰশ্ন নং **৯৭** এটা প্ৰশ্ন আনিছিলো যে গুৱাহাটী চিটিত CCTV কিমান installed কৰা হৈছে আৰু এই CCTV যিখিনি আছে, তাৰে কিমানটা active হৈ আছে আৰু কিমান টা inactive হৈ আছে। উত্তৰত পালো যে **২৯০** টা CCTV installed কৰা আছে বুলি কৈছে তাৰে **২৬১** টা active আৰু **২৯** টা inactive বুলি কৈছে। যোৱা কালি এই প্ৰশ্নৰ উত্তৰৰ পিছত মই এটা অনুসন্ধান কৰিলো আৰু সকলো দিশত খবৰ ললো more than 60% CCTV inactive হৈ আছে আৰু যিখিনি active হৈ আছে তাৰো কোনো Control নাই। মাননীয় অধ্যক্ষ মহোদয়, যদি এনেকুৱা এটা উত্তৰ দিয়ে আৰু তথ্যটো যদি সচাঁ নহয়। গতিকে বিধান সভাত যদি এনেকুৱা ভূল তথ্য দিয়ে তাৰ এটা তদন্ত হ'ব পৰাকৈ আপুনি এখন কমিটি গঠন কৰি আমাৰ CCTV সমূহ ভালকৈ চলিছে নে নাই, উত্তৰটো সত্য হয় নে নহয় ইয়াৰে এটা ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** প্ৰথমতে মন্ত্ৰীয়ে চাই লওঁক কি কয়, তাৰ পিছত আমি কথা পাতিম।

**শ্ৰীআমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নোত্তৰ কালত যিটো বাক-বিতণ্ডা হয় বা

কিছুমান অনাকাংশিত কথা বাতাৰাও হয় মোৰ এটা অনুৰোধ এইখিনি যাতে সদনৰ কাৰ্য্য-ক্ৰমনিকাত অন্তৰ্ভূক্ত নহয়। সেইখিনিকে মই অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ঠিকে আছে। এতিয়া মাননীয় সদস্য শ্ৰী মতিউৰ ৰহমান মণ্ডল।

**শ্ৰী মতিউৰ ৰহমান মণ্ডল, মানকাছাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰামীণ উন্নয়ন যোজনাৰ অধীনত ট্ৰেক্টৰ যোগানৰ বিষয়ে প্ৰশ্ন সুধিছিলো। উত্তৰ দিয়া হৈছে phase-I ত ৬৪৪৭ টা দিছে। কিন্তু মানকাছাৰত এটাও ট্ৰেক্টৰ এতিয়ালৈকে দিয়া হোৱা নাই। মই খবৰ লোৱাত গম পাইছিলো South Salmara Mankachar Authority য়ে Director, Agriculture লৈ লিখি দিছিলে গোটেই খিনি applicant ঠিক হোৱা নাই আৰু ট্ৰেক্টৰ দিয়া নাযাব। সেই পৰিস্থিতিত মই মাননীয় মূখ্যমন্ত্ৰীলৈ চিঠি এখন লিখিছিলো, তেখেতে Chief Secretary ক দিছিলে, ব্যৱস্থা লোৱা হৈছিল কিন্তু আজিলৈকে একো নহ'ল, একো গম নাপালো। গতিকে মই আপোনাৰ জৰিয়তেদি অনুৰোধ কৰিব খুজিছো মানকাছাৰত কিয় দিয়া নহ'ল আৰু District Authority য়ে ট্ৰেক্টৰ দিয়া নাযাব বুলি লিখি দিলে সেইটো হ'ব নোৱাৰে।

**মাননীয় অধ্যক্ষ ঃ** ঠিকে আছে। আপুনি মোক এখন লিখিত দিয়ক আপোনাৰ যিটো সমস্যা আছে। সেই বিষয়ে মই এই বিভাগৰ মন্ত্ৰীৰ লগত কথা পাতিম। এতিয়া মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্মী।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়নী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা প্ৰশ্ন আছিলে তৰাবিহীন প্ৰশ্ন নং ৭৫। এই প্ৰশ্নটোত মই সুধিছিলো নকছাৰী মোডেল হস্পিতালত কেইজন ডক্তৰ আছে। এই হস্পিতালখনৰ পৰিচালনা সমিতিৰ সভাপতি মই। ইয়াৰ উত্তৰত লিখিছে ৫ জন ডক্তৰ আছে। কিন্তু তাত ৪ জন ডক্তৰ আছে। এই যে ভূল তথ্য দিছে, এই বিষয়টো লৈ বহুবাৰ কোৱাৰ পিছতো বিষয়া কৰ্মচাৰী সকলে এনেকৈ ভূল তথ্য দিবলৈ ক'ৰপাৰ সাহস পাইছে। এইটো বিষয়ে চৰকাৰ অলপ সচেতন হ'লে ভাল হয়।

**মাননীয় অধ্যক্ষ ঃ** ঠিকে আছে। এতিয়া মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বেলেগ ৰাজ্যৰ বিধান সভা সমূহত বহুতখিনি বস্তু আমি শুনা পাওঁ। কিন্তু অসম বিধান সভাত আমি সুনামেৰে কাম কাজ বিলাক চলাই আছো বা আমাৰ বিধান সভাখন চলি আছে। মাননীয় অধ্যক্ষ মহোদয়, মোৰ কথাটো হৈছে এনেকুৱা যে আমাৰ মন্ত্ৰী ডাঙৰীয়া বিলাকে যেতিয়া উত্তৰ দিয়ে, উত্তৰ দিওঁতে এনেকুৱা কথা কিছুমান ওলাই মই ভাৱো যাতে treasury bench ৰ পৰা এইটো নোলাই ।

**মাননীয় অধ্যক্ষ ঃ** ঠিকে আছে। এতিয়া মাননীয় সদস্য শ্ৰী চাহাব উদ্দিন আহমেদ।

**শ্ৰী চাহাব উদ্দিন আহমেদ (জলেশ্বৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ starred question no. 74. যে অসমত National Highway 46 from Panchayat road to Fakirganj via Kharboja Bazar এই ৰাষ্টাটোৰ এটা অংশ যোৱা বানপানীত খহি গ'ল। গতিকে এই ৰাষ্টাটোৰ যাতে অতি সোনকালে কামটো কৰে, এইটোৰে মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ঠিকে আছে। এইটো point of order নহয়, ইয়াৰ কাৰণে মন্ত্ৰীক আপুনি লগ ধৰিব।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, পশ্চিম গুৱাহাটীঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে যেতিয়া উত্তৰ এটা দিছিল তেতিয়া মাননীয় সদস্য এগৰাকীয়ে আবোল তাবোল

বকিছে, এনেকৈ কৈছে চাৰ এইটো expand কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিকে আছে। কৰি দিমি। আমি ইয়াৰ পিছৰ কাৰ্য্যসূচীলৈ যোৱাৰ আগতে আজি Members Hour আছে তাৰ ওপৰত দুটা কথা কম, কিন্তু তাৰ আগতে মাননীয় সদস্য শ্ৰী ৰঞ্জিত দাসেই এটা কথা কৈছিলে, মাননীয় সদস্য শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই তাৰ উত্তৰ দিছে। প্ৰথম কথাটো হ'ল আমি সকলোৱে জানো প্ৰশ্ন কেনেকৈ কৰিব লাগে, কাক কৰিব লাগে, কালৈ চাই কৰিব লাগে। উত্তৰ কেনেকৈ দিব লাগে, কালৈ চাই দিব লাগে। কিন্তু কথা হৈছে আপোনালোকক বাহিৰত কি কয় Hon'ble MLA. আপোনালোকে Hon'ble MLA মনত ৰাখিব, যাকে তাকে নকয়, Hon'ble MLA, Hon'ble MLA হিচাপে তেওঁলোকে rule পঢ়ি লৈ সেই ধৰণে ব্যৱহাৰ কৰিব লাগে। ৰঞ্জিত দাস ডাঙৰীয়া মই আপোনাৰ উত্তৰটো দি আছো। গতিকে আমি বিচাৰিছো যে Hon'ble MLA য়ে যদি hon'ble হৈ থাকিব বিচাৰে তেওঁলোকৰ ব্যৱহাৰ পাতি, কথা বতৰা সকলো ভাল হ'ব লাগিব। মই democracy ত তিনিটা কথা কৈছো। এইটো মই যেতিয়াৰ পৰা MLA হৈছো, মই শিকিছো। প্ৰথম কথা হ'ল আমি যিমানেই যি নকৰো আমি বাহিৰত গৈ একেলগে একাপ চাহ খাওঁগৈতো। আমি house ৰ ভিতৰতো আজি কালি Live কৰো। mutual respect to each other নাথাকিলে democracy কেতিয়াও ভালধৰণে চলিব নোৱাৰে। ২নম্বৰত আহিলে tolerance মোক criticize কৰিলে মোৰ সহ্য গুণটো অকনমান থাকিব লাগিব। অকনমান ৰৈ পেলাই মই আকৌ react কৰিলে হ'ল। মই সকলোৰে ক্ষেত্ৰত কৈছো। Ruling, Opposition সকলোকে কৈছো। আমাক কিবা এটা কলেই আমি লগতে ধৰো। কিয়, অকমনান ৰৈ পেলাই ধৰিলে কি হয়? সেযে tolerance টো লাগে। কালি মই পঢ়িছো, এখন পেপাৰত লিখিছে, Speakers Initiative টোত বিশেষ একো কাম ন'হব। মই একো বেয়া পোৱা নাই। It is a warning to me.কিন্তু সেইটোত যদি মই বেয়া পাওঁ, কিবা কাম চলিব নেকি? বাকী বিলাক পেপাৰে কিন্তু ভালকৈ লিখিছে। ভাল বেয়া দুয়োটাই আমাৰ part of life. কিন্তু tolerance টো লাগিব, আৰু finally মই যিটো কথা ভাবি আছো যে, আমাৰ patience টো নাই, আমাৰ ধৈৰ্য্য নাই সেইটো আমি ক'বই লাগিব। House ত বাৰু কিবা কাম কৰি আপুনি শেষ কৰিব পাৰিব নেকি? মই কালিও কৈছো। ইয়াক কেলেই পতা হয়? Accountable to the public এই হাউচ। গতিকে বিধায়কে শুধিব, শাসকীয় দলৰ বিধায়ক বা বিৰোধী সকলোৱে শুধিব পাৰে Question, শাসকীয় দলৰ মন্ত্ৰীবৰ্গই তাৰ উত্তৰ দিব। public আছে নহয়, Judge কৰিবলৈ। public will Judge আমি ইয়াতে সকলোৱে Judgement দিবলৈ কিয় চেষ্টা কৰো? সেই কাৰণে মই কৈছো যে এই patience, tolerance আৰু mutual respect যদি থাকে ৰঞ্জিত দাস ডাঙৰীয়া গোটেই কামটো হ'ব কাৰণ আমাৰ গোটেই কথাটো হৈছে, মই ইয়াত প্ৰধান শিক্ষকৰ নিচিনাহে। গতিকে প্ৰধান শিক্ষকজনে কি কৰে, যে উঠ, বহ, আৰু কিনো ক'ব? এতিয়া যিবিলাক শব্দ ব্যৱহাৰ কৰিব নালাগে, আমাৰো মুখত কেতিয়াবা ওলাই যায়। মই ও Opposition ত বহুত বছৰ আছো। মই সেই কাৰণেই Opposition ক কথা কবলৈ দিয়াত কেতিয়াও কাৰ্পণ্য কৰা নাই, আৰু তেওঁলোকেও এইটো বুজিব লাগিব যে কাৰ্পণ্য নকৰা মানে এইটো নুবুজায় যে তেওঁলোকৰ কথা বিলাক কয় মৰ্য্যদাটো যাতে লাঘৱ নকৰে। কেতিয়াবা কিবা কথা heat of the moment কিবা এটা হ'ব পাৰে, কিন্তু মই দেখিছো, সেইটো pacify কৰিবৰ কাৰণে, প্ৰত্যেক দলৰ যি সকল senior মানুহ আছে, তেওঁলোকে চেষ্টা কৰিব লাগে। মোৰ ইয়াত ৪-৫ টা বিধায়িনী দল আছে, independent mem-

ber ১ জন আছে। তেখেতক আমি best lagislator দিয়াৰ পাছত, তেওঁৰ আৰু responsibility বাঢ়িছে, গতিকে he is doing very well. বাকীকেইটা দলৰ Leader সকল আছে। Leader সকলে তেওঁলোকক বুজাব লাগিব। তাৰ বদলি তেওঁলোকক যদি নুবুজাই মই অকলে জানো House চলাব পাৰিম? সেই কাৰণে মোৰ গোটেই concept টো very clear কাৰণ মই আগতেও কৈছো যে এইখন আসনত মোক বহিবলৈ ১৯৯৬ টো কৈছিল, কিন্তু মই বহা নাছিলো কাৰণ মোৰ বয়সটো হোৱা নাছিল। খংও আছিল তেতিয়া। এতিয়া মোৰ খংটো বহুত কমিল। মই অফিচৰ মানুহক ভাল খং কৰো। কিন্তু House ত আপোনালোক সকলো Hon'ble MLA মই সেই কাৰণে যিমান পাৰো ভদ্ৰোচিত ব্যৱহাৰ কৰো। মই এই পদটোত এটা experience ৰ কাৰণে আহিছো। Assembly খনৰ গৰিমাটো বঢ়াৰ ক্ষেত্ৰত, ৰঞ্জিত দাসে যিটো পৰামৰ্শ দিছে, কমলাক্ষইও দুই এটা ভাল কথা কৈছে যে শাসক বিৰোধী আমি সকলোৱে যদি এই তিনিটা philosophy ৰাখি যদি ধৈৰ্য্য সহকাৰে কথাবিলাক কওঁ, নিশ্চয় ভাল হ'ব। Speaker য়ে সকলো কথা allow কৰিব নোৱাৰে, অসুবিধা হয়, কাৰণ আমাৰ সময় কম। কালি এতিয়া কি হ'ল? Zero hour, 301,54 তে আমাৰ চাৰে চাৰি ঘণ্টা গ'ল, মই নিয়ম মতে ৫ মিনিট সময় দিব লাগে। Rule ত সেইবিলাকো পঢ়িব। ৫ মিনিট আপোনালোকে কব পাৰে, ৫ মিনিট মন্ত্ৰীয়ে উত্তৰ দিব পাৰে এই দুয়োটা লিখা আছে। মই সকলোকে কৈছো কি কাৰণে মই ৩০১ টো ইয়াত বেছিকৈ দিব খুজিছো। মই লোকসভাত যেতিয়া দেখিছো 20 টা special mention আছে, তাত ৫০০ member আছে। ২০ জনক ২ মিনিট ২ মিনিট কবলৈ দিয়ে, কথা কেইটা কয়। কথাকেইটা কোৱা মানে, মই যে concern about my Constituency বা about my state সেইটো ফুটি উঠে আৰু মন্ত্ৰী সকলক উত্তৰ দিবলৈ নিদিয়ে, কাৰন সময় নাই। আমাৰ ইয়াত member কম কাৰনে মন্ত্ৰীকো আমি উত্তৰ দিবলৈ দিও। কিন্তু ৩০১ ৰো মন্ত্ৰীয়ে উত্তৰ নিদিলে হয়, Zero hour, ৰো মন্ত্ৰীয়ে উত্তৰ নিদিলে হয়, ৫৪ ৰো উত্তৰ নিদিলে হয়। এটা statement পিছদিনা দি দিলেই শেষ। সেই কাৰণে গোটেই কথাবিলাক মই ও এতিয়া শিকিয়েই আছো। ইমান দিন হ'ল যদিও মই এতিয়া শিকা বুলিয়েই ভাবি থাকো। সেই কাৰণে মই মাজতে সেই কেইটা কথা কলো, মই আশা কৰিম আপোনালোকে আমাৰ মৰ্য্যদাটো ৰক্ষা কৰি গোটেই হাউচৰ মৰ্য্যদাটো ৰক্ষা কৰি সকলোৱে আগলৈ কাম-কাজ কৰিব। আজি অন্ততঃ কিছু হৈছে যদিও কালিতকৈ ভাল আৰু কেতিয়াবা কেতিয়াবা এনেকুৱা হয় যে আমাৰ শাসক দলৰ বিধায়ককো প্ৰায়ে প্ৰশ্নসমূহ বেছিকৈ নিদিও, ১-২ টাহে দিওঁ। কাৰণ আমি supplementary দুটা বা তিনিটা পাওঁ। যদিএইফালৰ পৰা ৩ টা পাৰ্টীয়ে বিছাৰে, মই সেই কাৰণে কওঁ আমাৰটো থাককচোন, কাৰণ শাসক দলটোৱে মন্ত্ৰী সকলক লগ পায় থাকে ইয়াতে শুধিব লাগিব বুলি কথা নাই। প্ৰশ্ন যেতিয়া আহে, আপোনালোকেহে বেছি পায়। Zero hour, 301,54 কোনে বেছিকৈ দিয়ে, কাৰণ শাসক দলে ইমানখিনি নিদিয়ে। গতিকে আমি সেই কথাবিলাক বুজিলে নিশ্চয় ইয়াৰ গৰিমা বাঢ়িব। পুনৰ repeat কৰিছো, tolerance, patience আৰু mutual respect to each other থাকিব লাগিব। মোৰো এটা সময়ত নাছিল। সেই কাৰণে প্ৰথমবাৰ অহা বিধায়কতকৈ মই senior বিধায়কৰ পৰা বেছি আশা কৰো। First time অহা MLA সকলক মই অলপ excuse কৰো। কিন্তু senior সকলে অলপ বুজিব লাগিব। কাৰণ আমিও এদিন নাইকীয়া হৈ যাম। ইয়াত নতুন মানুহ আহি থাকিব, সেইকাৰণে আমাৰ এটা ভাল পৰম্পৰা থাকি গলে ভাল হয়। আমি member's hour ৰ আগতেওঁ পাতিছো। মই এখন কমিটি কৰাৰ কথা ইতিমধ্যে

ঠিক কৰিলো যে member’s hour ৰ যি সকলে কথা কলে, তেওঁলোকে MLA সকলক মাতি নি আপোনালোকৰ যিখিনি Question ৰ উত্তৰ আহিছে সেইখিনি একেলগে বহি আলোচনা কৰিব আৰু যিখিনি নাই, আকৌ মন্ত্ৰী সকলৰ পৰা সেই উত্তৰটো আনিব। এই কমিটিখনে খুব সোনকালে আপোনালোকক মাতিব। এইবাৰ member’s hour দিয়াৰ আগতে নন্দিতা দাসে এই কথাটো দুবাৰ কৈছে, সেই কাৰণে, আপোনালোকে কোৱাৰ কাৰণে মই এই কমিটিখন কৰিছো। I think after this Assembly, আপোনালোকক হয়তো মাতিব। মই ভাবিছো member’s hour টোত কেইবাজনো MLA য়েই ইয়াত কথা কোৱা নাই। আমাৰ নাহৰকটীয়াৰ MLA য়ে অহাবাৰ member’s hour ত participate কৰিব লাগিব আৰু মই দেখিছো আমাৰ শদিয়াৰ MLA আছে, আপোনালোকে কথা ক’বলৈ সুযোগ পোৱাই নাই। যি সকলে কথা ক’বলৈ সুযোগ পোৱা নাই, তেওঁলোকে member’s hour ৰত দিব বেছিকৈ, মই যাতে তেওঁলোকক দিব পাৰো। এতিয়া আমাৰ senior member সকলেও member’s hour বিচাৰিছে। মই বিচাৰিছো যে, সদনত ৫ বছৰ থাকি যদি অলপ সমষ্টিৰ কথা নকয়, মানুহে আমাক কি ভাবিব? সেইটো মোৰ নিজা অভিজ্ঞতা। ৩ খনেই দিও নটিচ। বেছিভাগ দিব নোৱাৰো। সেই কাৰণে member’s hour টো utilize কৰিব, মই Special Mention দাস ডাঙৰীয়াকো কৈছো, শইকীয়া ডাঙৰীয়াকো কৈছো, পাটোৱাৰী ডাঙৰীয়াকো কৈছো যদি আপোনালোকে বিচাৰে, লোক সভাৰ নিচিনা কৰিব লাগে তেতিয়া প্ৰত্যেক member ৰক মুল কথাটো কবলৈ দি আমি উত্তৰটো পিছত দিব পাৰো। ২০ টা কৰি দিব পাৰো, ১০ টা কৰি দিব পাৰো, তেতিয়া মেম্বাৰ সকলে বেছিকৈ পইন্ট অফ অৰ্ডাৰ দি থকাৰ দৰকাৰ নাই। এইটো বিৰোধী, শাসক দলৰ দলপতি সকলৰ লগত এটা আলোচনা বিলোচনাৰ মাজেৰে হ’ব। সেই কাৰণে মই ভাবিছো, আগলৈ restrict কৰিব zero hour, 301, 54 সকলোকে ৫ মিণিট ৫ মিণিট কৰি দিয়া হ’ব। আমি ষ্টেটমেন্টটো লে’ কৰি দিম, better হ’ব। আমাৰ কালি কাৰ্য্যপৰিচালনা সমিতিৰ বৈঠক হৈছিল, তাত জলসম্পদ বিভাগটোৰ ওপৰত আমাৰ যিটো supplementary demand আছে তাৰ যিখিনি আলোচনা হ’ব, জলসম্পদ বিভাগে কৰ্ত্তন প্ৰস্তাৱ উঠাব। সেই এটা দিন ধৰি, আমি যদি পৰা যায়, মন্ত্ৰীক উত্তৰ দিবলৈ সময় দিও ভাল হয়। সেই ধৰণে আমি কালি আলোচনা কৰি সকলো দলে ঠিক কৰিলো যে আমি ভাৰতীয় জাতীয় কংগ্ৰেছক ৩৫ মিণিট, দুজন বা তিনিজনে কলে ভাল হয়। কেইবাজনো আহি গলে কথাখিনি ভালকৈ কোৱা নপৰে। এজনেও কৰ পাৰে ভালকৈ। অসম গণ পৰিষদৰ ২০ মিণিট, আৰু AIUDF ৰ ১৯ মিণিট BPF ৰ ১৮ মিণিট। মই ২০ মিণিট ২০ মিণিট কৰি ধৰি লৈছো। গতিকে আপোনালোকে যদি এজনেও ভালকৈ কৰ খোজে ২০ মিণিট লাগিব। দুজন হলে দুয়োজনে কিন্তু কথাখিনি ভাগ কৰি লব। তেতিয়া আমি মন্ত্ৰীৰ উত্তৰ পাম। মই মন্ত্ৰীৰ উত্তৰটো বিচাৰো। কৰ্ত্তন প্ৰস্তাব কৈ যাব, একো উত্তৰ ন’হব, ভাল ন’হব। গতিকে মন্ত্ৰীৰ উত্তৰৰ কাৰণে আমাৰ শাসক দলৰ কাৰণে যি ১ঘণ্টা ২৩ মিণিট আছে তাৰ পৰা ৪৫ মিণিট মই কালি দি দিছো। শাসক দলৰো ৩০ মিণিটৰ ভিতৰত এজন বা দুজনে ভালকৈ ক’ব। আপোনালোকৰ মাজত ঠিক কৰি ল’ব। তেতিয়া ডিবেট বিলাক ভাল হ’ব। মন্ত্ৰীৰ উত্তৰটো খুব জৰুৰী, বিশেষকৈ এই জল সম্পদ বিষয়টোত, আৰু মই ভাবো যে ইয়াত আপোনালোকৰ অনুমোদন আছে। ইয়াৰ পাছত আমাৰ আজি member’s hour ৰত প্ৰথম উৎপল বৰা। তাৰ পাছত চৰন বড়ো, তাৰ পাছত নজৰুল হক। আমি তিনিজনক এইবাৰ select কৰিছিলো। প্ৰথম উৎপল বৰা।

**শ্ৰী উৎপল দত্ত (গহপুৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাত মোৰ জাননীখন গ্ৰহণ কৰি আজি সমষ্টিৰ বিষয়ে এই পৱিত্ৰ সদনত ক'বলৈ দিয়াৰ বাবে মই আপোনাৰ ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিছো। মাননীয় অধ্যক্ষ মহোদয়, বাৰিষা কালত মোৰ সমষ্টিটোত কেইবাখনো পাহাৰীয়া নদী আৰু ব্ৰহ্মপুত্ৰৰ গৰা-খহনীয়াই গোটেই সমষ্টিটোতে বানপানীৰ বিভীষিকাৰ সৃষ্টি কৰে । পাহাৰীয়া নদী সমূহৰ ভিতৰত বিশেষকৈ চেচা, চেংমৰা, ডুবিয়া, সোলেঙী, চত্ৰং, ব্ৰহ্মাজান, টুপুং আৰু বুৰৈনদীৰ গৰাখহনীয়াই বিগত সময়ছোৱাত গহপুৰ সমষ্টিৰ লগতে তাৰ দাঁতি-কাষৰীয়া সমষ্টিসমূহক জ্বালা-কালা খুৱাইছে। এই পাহাৰীয়া নদীকেইখনৰ উৎপত্তিৰ স্থানেই হৈছে আমাৰ কাষৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশ। অৰুণাচল প্ৰদেশৰ পৰা বালি উটি আহি বিশেষকৈ নদীৰ গৰ্ভবোৰ বাম কৰাৰ কাৰণে বাৰিষাৰ সময়ত বানপানী হোৱাৰ লগে লগে নদীৰ পাৰ ভাগি কৃষি ভূমিৰ লগতে গৃহ ভূমি নষ্ট কৰি এক বিভীষিকাৰ সৃষ্টি কৰে। মোৰ সমষ্টিৰ কাষতে আমাৰ সন্মানীয় বিধায়ক দেৱানন্দ হাজৰিকা ডাঙৰীয়াৰ বিহপুৰিয়া সমষ্টি আছে। চেচা নদীখন আমাৰ দুয়োৰে সমষ্টিৰ মাজেৰে বৈ গৈ দুয়োটা সমষ্টিতে বিভীষিকাৰ সৃষ্টি কৰিছে । Sufficient fund নিদিয়া বাবে আমাৰ দুয়োটা সমষ্টিতে চেচা নদীৰ নিয়ন্ত্ৰণ হোৱা নাই আৰু ই পাৰ বাগৰি বিস্তৃত গৃহভূমি আৰু কৃষিখণ্ডক ক্ষতিগ্ৰস্ত কৰিছে। ইয়াৰ লগে লগে আমাৰ পশ্চিম ফালে যি বুৰৈ নদী আছে, ই আমাৰ সন্মানীয় মন্ত্ৰী ৰঞ্জিত দত্ত ডাঙৰীয়াৰ সমষ্টি বিহালী আৰু মোৰ সমষ্টি গহপুৰৰ মাজেৰে বৈ গৈছে। এই নদীখনে দুয়োটা সমষ্টিতে গৰাখহনীয়াৰ সৃষ্টি কৰি যোৱা চাৰি-পাঁচ বছৰৰ পৰা বৰ বেয়াকৈ ক্ষতিগ্ৰস্ত কৰিছে। মই এই ক্ষেত্ৰত জল সম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাব বিচাৰিছো কাৰণ তেখেতে বানপানীৰ সময়ত চৰ-জমিন তদন্ত কৰিবলৈ নিজে গৈছে আৰু বুৰৈ নদীৰ গৰাখহনীয়া তেখেতে নিজেই প্ৰত্যক্ষ কৰিছে। এই বুৰৈ নদীৰ গৰাখহনীয়াটো আমি এটা বৈজ্ঞানিক পদ্ধতিৰে সমাধান কৰিব লাগিব। কিয়নো অৰুণাচলৰ পৰা বৈ আহি আমাৰ বিহালী আৰু গহপুৰ সমষ্টিৰ দুয়োফালে খহনীয়া হৈ সম্পূৰ্ণ ভাৱে আমাৰ কৃষিভূমিৰ লগতে যি সমূহ ক্ষুদ্ৰ চাহ-বাগিচা আছে সেই সমূহো নষ্ট কৰিছে। গতিকে মোৰ এই প্ৰথম point টোত, বিশেষভাৱে পাহাৰীয়া নদীসমূহক এক আধুনিক প্ৰযুক্তি বিদ্যাৰে যাতে নিয়ন্ত্ৰণ কৰিব পাৰি তাৰ বাবে সুন্দৰভাৱে এটা survey কৰি ইয়াৰ যিখিনি excess water আছে, সেইখিনি কেনেদৰে channelize কৰি আমাৰ গহপুৰ সমষ্টিৰ লগতে আমাৰ ওচৰ-চুবুৰীয়া সমষ্টি দুটাত উপশম ঘটাব পাৰে তাৰ কাৰণে ব্যৱস্থা ল'বলৈ মই আপোনাৰ জৰিয়তে বিভাগক আহ্বান জনাইছো।

মোৰ আন এটা জ্বলন্ত সমস্যা হৈছে- গহপুৰ সমষ্টিত ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়া। আজি বহু বছৰ আগতে ২২ কিঃমিঃ দৈৰ্ঘ্যৰ এটা মথাউৰি নিৰ্মাণ হৈছিল, যিয়ে দুৰ্গৰ দৰে গহপুৰ সমষ্টিক আৱৰি আছিল। কিন্তু এই মথাউৰিটোৰ পুনৰ নিৰ্মাণৰ ব্যৱস্থা বহু বছৰ নোহোৱা বাবে ইয়াত ভয়াৱহতাৰ সৃষ্টি হৈছে আৰু গহপুৰ সমষ্টিৰ কাৰণে ই অশনি সংকেত কঢ়িয়াই আনিছে। মোৰ সমষ্টিটোত ৩১৬ খন গাওঁ আছে। ইয়াৰ অধিকাংশ গাঁৱত মিছিং অধ্যুষিত অঞ্চল আছে আৰু পাঁচখনকৈ পঞ্চায়ত আছে য'ত বহু হাজাৰ লোকে বসতি কৰি আছে। গতিকে, ব্ৰহ্মপুত্ৰৰ খহনীয়া যদি আমি প্ৰতিৰোধ কৰাৰ ব্যৱস্থা কৰিব নোৱাৰো তেন্তে এটা সময়ত গহপুৰ সমষ্টি নিঃচিহ্ন হোৱাৰ উপক্ৰম হ'ব। গতিকে মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰী মহোদয়ক আহ্বান জনাইছো যাতে SDRF আঁচনিৰ জৰিয়তে আমাৰ এই খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা কৰে। ২২ কিঃমিঃতকৈ অধিক দৈৰ্ঘ্যৰ এই মথাউৰিটোৱে আৱৰা আমাৰ সোৱণশিৰি, লুইতমুখ, বৰতামূলী, ৰাওনামুখ, চৰাইবাৰী, পাকেন আদি অঞ্চলত বেয়াকৈ গৰাখহনীয়া হৈছে। অলপতে

হৈ যোৱা প্ৰলয়ংকাৰী বানত মথাউৰিটোত বিভিন্ন ধৰণৰ boiling point ওলাই খুব সন্ত্ৰাসৰ সৃষ্টি কৰিছে। এই মথাউৰিটো নিৰ্মাণ কৰি বানপানীৰ কৱলৰ পৰা ৰক্ষা কৰিবৰ বাবে জল সম্পদ বিভাগে যিমান পাৰে চেষ্টা কৰিছে যদিও মই ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াৰ পৰা বিশেষভাৱে গহপুৰ সমষ্টিটো বচাবৰ বাবে আপোনাৰ জৰিয়তে বিভাগৰ দৃষ্টি আকৰ্ষণ কৰিছো। অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত জল সম্পদ বিভাগৰ এটা Sub-Division আছে আৰু এই Sub-Division টোৰ বিষয়ে বিভাগ তথা মন্ত্ৰী মহোদয় অৱগত। কিন্তু, এই Sub-Division টোত বানপানীৰ লগত মোকাবিলা কৰাৰ বাবে উপযুক্ত কাৰিকৰী বিষয়া, কনিষ্ঠ অভিযন্তা, সহকাৰী অভিযন্তা আৰু সহায়ক সকলৰ যথেষ্ট অভাৱ ঘটি আছে। NRC ৰ কামত বহুতো বিষয়া-কৰ্মচাৰী জড়িত হৈ থকা বুলি ইতিমধ্যে সদনত উল্লেখ কৰা হৈছে। সেয়েহে এই sub-division ত থকা কনিষ্ঠ অভিযন্তা গৰাকী NRC ৰ কামত জড়িত হৈ আছে। আনহাতে, জল সম্পদ বিভাগৰ তেজপুৰ Division ৰ কাৰ্যবাহী অভিযন্তা গৰাকীও NRCৰ কামত জড়িত কৰি ৰখা হৈছে। এইবোৰ কাৰণতে বিশেষ পৰিকল্পনা আৰু প্ৰাক্কলন কৰা বা বিভিন্ন আঁচনি তৈয়াৰ কৰি ততাতৈয়াকৈ জল সম্পদ বিভাগক submit কৰিবলৈ যথেষ্ট অসুবিধা হয়। সেয়েহে, আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে, এই sub-Division টোৰ কনিষ্ঠ অভিযন্তা, সহকাৰী অভিযন্তা আৰু অন্যান্য খালী হৈ থকা পদ সমূহ যাতে পূৰণ কৰে আৰু আগন্তুক দিনত বানপানীৰ লগত মোকাবিলা কৰিব পৰাকৈ গহপুৰ সমষ্টিত full strength ৰ এটা Sub-Division গঠন হয়।

অধ্যক্ষ মহোদয়, মোৰ জাননীখনৰ দ্বিতীয় point টো শ্বহীদ কনকলতা বৰুৱা আৰু মুকুন্দ কাকতিৰ ওপৰত আছিল। ১৯৪২ চনৰ গণ আন্দোলনত শ্বহীদ হোৱা বীৰাংগনা কনকলতা বৰুৱা আৰু মুকুন্দ কাকতিৰ ভূমিত জন্ম গ্ৰহণ কৰি মই তথা আমাৰ গহপুৰবাসীয়ে গৌৰৱ অনুভৱ কৰো আৰু গতানুগতিকভাৱে সেই তেতিয়াৰ পৰাই ২০ ছেপ্টেম্বৰৰ দিনটো আমি শ্বহীদ দিৱস হিচাপে পালন কৰি আহিছো। মই আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে আমাৰ সন্মানীয় সোণোৱাল চৰকাৰ অহাৰ পিছৰ পৰাই বীৰাংগনা কনকলতা বৰুৱা আৰু মুকুন্দ কাকতিৰ স্মৃতি ৰক্ষাৰ বাবে ২০১৭ চনৰ ১৭ জানুৱাৰী তাৰিখে গহপুৰ সমষ্টিত মাননীয় মুখ্যমন্ত্ৰী তথা অসম চৰকাৰে চৰকাৰীভাৱে শিল্পী দিৱস উদ্‌যাপন কৰিছিল আৰু সেইদিনাই বীৰ শ্বহীদ দ্বয়ৰ স্মৃতিত এটি প্ৰেক্ষাগৃহৰ আধাৰশিলাও স্থাপন কৰিছিল। এই প্ৰেক্ষাগৃহ আজি সম্পূৰ্ণ হোৱাৰ পথত। স্বাধীনতাৰ পিছত, বিগত চৰকাৰবোৰৰ কালত এই দুগৰাকী শ্বহীদ ব্যক্তিৰ স্মৃতিত কোনো ধৰণৰ অনুষ্ঠান অনুষ্ঠিত হোৱা নাছিল। গতিকে, এই দুয়োগৰাকী বীৰ শ্বহীদক শ্ৰদ্ধা জনাবৰ বাবে বিভিন্ন শিক্ষানুষ্ঠানতেই হওঁক বা বিভিন্ন সামাজিক প্ৰতিস্থানতেই হওঁক যাতে অনুষ্ঠান অনুষ্ঠিত কৰে, তাৰ বাবে মই আহ্বান জনাইছো। ১৯৬৩ আৰু ১৯৬৪ চনত এই দুইগৰাকী শ্বহীদৰ স্মৃতিত গহপুৰবাসীয়ে দুখনকৈ শিক্ষানুষ্ঠান নিৰ্মাণ কৰিছিল। ১৯৬৩ চনত শ্বহীদ কনকলতা বৰুৱাৰ জন্ম ঠাই বৰঙাবাৰীত কনকলতা আদৰ্শ বালিকা বিদ্যালয় আৰু ১৯৬৪ চনত শ্বহীদ মুকুন্দ কাকতি উচ্চ ইংৰাজী বিদ্যালয় স্থাপন কৰিছিল। মই অতি দুখেৰে জনাব বিচাৰিছো যে মই অতি দুখেৰে জনাব বিচাৰিছো যে এই দুগৰাকী স্বহীদৰ নামত গহপুৰবাসীয়ে যি সপোন দেখি এই পবিত্ৰ শিক্ষানুষ্ঠান দুটি নিৰ্মাণ কৰিছিল , আজিও কিন্তু সেইকেইখনৰ আন্তঃগাথনিৰ সুব্যৱস্থা হোৱা নাই। শ্ৰেণীকোঠাৰ ব্যৱস্থা , টয়লেটৰ ব্যৱস্থাৰ উপৰিও বিভিন্ন আন্তঃগাথনি গঠন হোৱা নাই। এই

শিক্ষানুষ্ঠানকেইখনত পৰীক্ষাকেন্দ্ৰ আছে। তাৰ কাৰণে আমাৰ তৎপৰতাত শিক্ষা বিভাগৰ সহায়ত আমি Boundary Wall ৰ Scheme পাবলৈ সক্ষম হলো আৰু এই কাম সম্পূৰ্ণ হৈছিল। মই আহ্বান জনাইছো স্বহীদ কেইগৰাকীৰ পবিত্ৰ স্মৃতিত কনকলতা আদৰ্শ বালিকা বিদ্যালয়খনক যাতে এখন উচ্চতৰ বালিকা বিদ্যালয়লৈ upgradation কৰিব পাৰি আৰু তিনিওটা Stream- Arts, Science and Commerce ৰ Faculty যাতে তাত implement কৰি নাৰী শিক্ষাৰ ব্যৱস্থা আৰু সুদুৰ প্ৰসাৰী কৰিব পাৰি । গহপুৰ সমষ্টিত মুকুন্দ কাকতি শিক্ষানুষ্ঠানখন এতিয়া Higher Secondary লৈ ৰূপান্তৰিত কৰা হৈছে আৰু স্বহীদ গৰাকীক সন্মান জনাই সেই উচ্চতৰ মাধ্যমিক বিদ্যালয়খনতো তিনিওটা Stream- Arts, Science and Commerce ৰ Faculty তাত উপযুক্তভাৱে emplement কৰিব লাগে। মই আহ্বান জনাইছো যাতে এই দুইখন বিদ্যালয়ক যাতে উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ ৰূপান্তৰিত কৰি সম্পূৰ্ণভাৱে আন্তঃগাথনিৰ সুবিধা দি গহপুৰীয়া ৰাইজক অকনমান হলেও মৰমৰ চকুৰে চাই,তাৰ বাবে মই এই পবিত্ৰ সদনক আহ্বান জনাইছো।

অধ্যক্ষ ডাঙৰীয়া, মই দুখেৰে এটা কথা জনাব বিচাৰিছো যে যি গৰাকী স্বহীদে তেওঁলোকৰ প্ৰাণ বিসৰ্জ্জন দিছিল ভাৰতীয় স্বাধীনতা আন্দোলনত আৰু ১৯৪২ ৰ গণ আন্দোলনত, আজি স্বাধীনতাৰ ইমান বছৰৰ পাছতো সেই পৰিয়াল দুটিৰ চৰকাৰী চাকৰিৰ ব্যৱস্থা নহ’ল। সেই সকল পৰিয়ালৰ ব্যক্তিয়ে বিগত চৰকাৰৰ দিনত ইন্দিৰা আৱাস যোজনাৰ সুবিধা পোৱা নাছিল। বৰ্তমান আমি PMAY ঘৰৰ additional তালিকাত তেওঁলোকৰ বাবে ঘৰৰ ব্যৱস্থা কৰিবলৈ চেষ্টা কৰিছো। মই আহ্বান কৰিছো এই পবিত্ৰ স্বহীদ কেইগৰাকীক সন্মান জনাই তেওঁলোকৰ পৰিয়ালৰ অন্তত এজনক হলেও চৰকাৰী চাকৰি দিয়াৰ ব্যৱস্থা কৰে যেন তাৰ বাবে মই আহ্বান জনাইছো।

অধ্যক্ষ ডাঙৰীয়া, ১৯৪২ ৰ গণ আন্দোলনত কনকলতা বৰুৱা আৰু মুকুন্দ কাকতিৰ যেতিয়া বৃটিছৰ দাৰোগাৰ হাতত মৃত্যু হৈছিল তেতিয়া তেওঁলোকৰ হাতৰ পৰা পতাকাখন নি যিজন ব্যক্তিয়ে গহপুৰ থানাত সেই পতাকাখন উত্তোলন কৰিছিল সেইজন হৈছে স্বাধীনতা সংগ্ৰামী প্ৰয়াত ৰাম প্ৰতি ৰাজখোৱা। ৰাম প্ৰতি ৰাজখোৱাক অসমৰ ৰাইজে হয়তো বহুতে চিনি নাপায়। কিন্তু মই অসমৰ বিত্ত মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো তেখেতৰ ভ্ৰমণকালত যেতিয়া সমষ্টিবাসী ৰাইজ আৰু মই তেখেতক কৈছিলো যে ৰাম প্ৰতি ৰাজখোৱা ডাঙৰীয়াক স্বাধীনতা সংগ্ৰামীৰ এটা স্বীকৃতি দিব লাগে, তেতিয়া বিত্তমন্ত্ৰী ডাঙৰীয়াই ৰাম প্ৰতি ৰাজখোৱা ডাঙৰীয়াক স্বীকৃতি দিবলৈ এখন ৰাজহুৱা সভাৰ ঘোষণা কৰিছিল, তেখেতৰ নামটো ৰাষ্ট্ৰীয় প্ৰেক্ষাপটলৈ নিবলৈ। বিগত বিত্তীয় বৰ্যত তেখেতৰ নামত এটা প্ৰেক্ষাগৃহ আৰু আবক্ষ মূৰ্ত্তি নিৰ্মাণ কৰিবৰ কাৰণে PNRD বিভাগৰ পৰা এক অনুদান আগবঢ়াইছে। আমি এই বছৰ এই কামৰ শুভাৰম্ভ কৰিব পাৰিম বুলি ভাৱো। তাৰবাবে মই বিত্ত মন্ত্ৰী ডাঙৰীয়াক আজি ধন্যবাদ জনাইছো।

অধ্যক্ষ মহোদয়, আমি সকলোৱে স্বাধীনতা সংগ্ৰামী সকলক স্মৰণ কৰি আহিছো। গহপুৰ সমষ্টিক লৈ আমি সকলোৱে গৌৰৱ কৰো। মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক এই কাৰণে ধন্যবাদ জনাইছো যে আজিতেওঁ কনকলতা আত্ম সহায়ক গোটৰ জৰিয়তে প্ৰতিগৰাকী মহিলাক সৰলীকৰণ কৰাৰ কাৰণে কনকলতা বৰুৱাৰ নামত আচঁনি তৈয়াৰ কৰিছে ।

অধ্যক্ষ ডাঙৰীয়া, মোৰ জাননীখনৰ তৃতীয় বিন্দু হিচাপে আছিল যে Industry Establishment আৰু Medical Institution ৰ নিমাৰ্ণৰ ক্ষেত্ৰত গহপুৰ সমষ্টিত গুৰুত্ব দিয়া। অধ্যক্ষ মহোদয়, গহপুৰ সমষ্টিত কৃষিজাত সামগ্ৰী, ৰেচম সামগ্ৰী, Handloom &

Textile আৰু বিভিন্ন ধৰণৰ আচঁনি প্ৰযুক্তি বিদ্যাৰ জৰিয়তে স্থাপনা কৰাৰ যথেষ্ঠ সুবিধা আছে। এটা সময়ত গহপুৰ সমষ্টিৰ কলাবাৰী অঞ্চলটোক খেতিৰ ভঁৰাল বুলি কোৱা হৈছিল। পূৰণি শোনিতপুৰ জিলাৰ জামুগুৰীৰ পান, কলাবাৰীৰ ধান বুলি কোৱা হৈছিল। গতিকে কলাবাৰীত খেতিৰ বাবে অপৰ্য্যাপ্ত সুবিধা আছিল। কিন্তু বিগত সময়ছোৱাত বানপানীৰ কৱলত পৰি কিছু কৃষিভূমি নষ্ট হ'ল। বিগত সময়ছোৱাত আমাৰ প্ৰায় ৭০,০০০ লোক ক্ষতিগ্ৰস্ত হৈছে আৰু ৪৫,০০০ ত কৈও অধিক পশুধনৰ মৃত্যু হৈছে। আমাৰ গহপুৰ সমষ্টিত বহু চৰকাৰী ভূমি আছে। সেই চৰকাৰী ভূমিত ক্ষুদ্ৰ বা বৃহৎ উদ্যোগ প্ৰতিষ্ঠা কৰাৰ কাৰণে উদ্যোগ মন্ত্ৰী ডাঙৰীয়াই প্ৰচেষ্টা হাতত ল'ব নেকি? পবিত্ৰ স্বহীদ গৰাকীক সন্মান জনাই গহপুৰ সমষ্টিত যাতে Industry Establishment কৰে তাৰবাবে মই আপোনাৰ জৰিয়তে পবিত্ৰ সদনত আহ্বান জনাইছো।

অধ্যক্ষ ডাঙৰীয়া, মই সন্মানীয় স্বাস্থ্য মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। তেওঁৰ প্ৰচেষ্টাত গহপুৰ সমষ্টিত যি Sub-divisional Hospital আছিল সেইখন ৩০ খন বিছনাৰ পৰা ১০০ খন বিচনাযুক্ত কৰা হ'ল। ২০১৯-২০২০ ৰ বাজেট speech ত বিত্ত মন্ত্ৰী ডাঙৰীয়াই উল্লেখ কৰিছিল যে গহপুৰ সমষ্টিত Paramedical Institution আৰু Nursing Institutionএখন গঢ়া হ'ব। গতিকে মই তেখেতক ধন্যবাদ জনোৱাৰ লগতে আহ্বান জনাইছো যাতে গহপুৰ সমষ্টিত কনকলতা বৰুৱা আৰু মুকুন্দ কাকতিৰ স্মৃতিত এখন Medical Institution অতি সোনকালে প্ৰতিষ্ঠা কৰা হয়। পৰৱৰ্তী পৰ্য্যায়ত এই Paramedical Institution আৰু Nursing Institution খন যাতে Medical College লৈ ৰূপান্তৰিত কৰিব পৰা যায় তাৰ বাবে মই আহ্বান জনাইছো। আজি পবিত্ৰ সদনত সন্মানীয় সদস্য সকলৰ উপস্থিতিত মোৰ জাননীখন গ্ৰহণ কৰি মোক ক'বলৈ দিয়াৰ বাবে অধ্যক্ষ ডাঙৰীয়াক পুনৰবাৰ কৃতজ্ঞতা জনাইছো।লগতে মই অসমৰ সন্মানীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াকো ধন্যবাদ জনাইছো কাৰণ বিগত বানপানীৰ সময়ত যি ৪ গৰাকী লোকৰ মৃত্যু হৈছিল তেওঁলোকৰ পৰিয়ালক দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ যোগেদি ৪ লাখকৈ টকা ৭২ ঘন্টাৰ ভিতৰত দিয়াৰ বাবে তেওঁ ব্যৱস্থা কৰি দিলে, লগতে সকলো বিভাগীয় মন্ত্ৰী সকলকো ধন্যবাদ জনাইছো, বিশেষকৈ বিগত সময়ছোৱাত Water Resource Department ৰ মন্ত্ৰী ডাঙৰীয়াই নিজে গৈ আমাৰ সমষ্টিটো ভ্ৰমণ কৰি তেখেতে আশ্বাস দিছে যে পৰৱৰ্তী সময়ছোৱাত যাতে বিভিন্ন আচঁনিৰ যোগেদি গহপুৰ সমষ্টিটো পুনৰ উজ্জীৱিত কৰিব পাৰি আৰু ৰাইজক যাতে বানৰ কৱলৰ পৰা ৰক্ষা কৰিব পাৰি। এই আহ্বান জনাই মই মোৰ বক্তব্য শেষ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী চৰণ বড়ো।

**শ্ৰী চৰণ বড়ো (মাজবাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ নিয়মাৱলীৰ অধীনত মোক মোৰ সমষ্টি মাজবাটৰ সমস্যা সমূহ পবিত্ৰ বিধান সভাত উত্থাপন কৰিবলৈ সময় আৰু সুযোগ দিয়াৰ বাবে পোন প্ৰথমে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ মাজবাট সমষ্টিৰ উত্তৰে অৰুণাচল প্ৰদেশ, পূবে শোনিতপুৰ জিলা, দক্ষিণে দৰং জিলা আৰু পশ্চিমে ওডালগুৰি বিধান সভা সমষ্টি আছে।

**(Hon'ble Chairman Shri Debananda Hazarika on the chair)**

মাজবাট সমষ্টি সম্পূৰ্ণৰূপে এটা গ্ৰাম্য সমষ্টি। তাৰে ৯০ শতাংশ কৃষি ভুমি আৰু ১০ শতাংশ বনাঞ্চল। মাজবাট সমষ্টিৰ প্ৰতিটো বিভাগৰ কম বেছি পৰিমাণে সমস্যা আছে আৰু ইয়াৰ মাজৰ

কিছু সমস্যাৰ সমাধান হৈ আছে যদিও বহুতো গুৰুত্বপূৰ্ণ সমস্যা এতিয়াও সমাধান কৰিব লগীয়া অৱস্থাতে আছে। আজি ইয়াত মই মাত্ৰ চাৰিটা বিভাগৰ সমস্যাখিনিৰ সমাধান পাম বুলি উত্থাপন কৰিবৰ কাৰণে হাতত লৈছো। প্ৰথমতে মই পি ডব্লিউ ডি, দ্বিতীয়তে শিক্ষা আৰু তৃতীয়তে **Water Resorce** আৰু চতুৰ্থত মই **Food and Civil Supplies** ৰ সমস্যাখিনি ক'বৰ কাৰণে আগবাঢ়িছো।পি ডব্লিউ ডি বিভাগৰ মই প্ৰথম ৰোডচ্‌ৰ বিষয়ে ক'ব বিচাৰিছো। মোৰ তাত তিনি ধৰণৰ ৰাস্তা আছে। ৰুৰেল ৰোডচ্‌, এম ডি আৰ এন ষ্টেট হাইৱে আৰু নেশ্যনেল হাইৱে। প্ৰথম ৰুৰেল ৰোডচ্‌ৰ বিষয়ে মই ক'বলৈ বিচাৰিছো। মোৰ সমষ্টিত যি আমাৰ গ্ৰাম্য ৰোডৰ পকীকৰণ কৰাৰ ব্যৱস্থা, এইটো পি এম জি এচ ওৱাইৰ অধীনত বহু কম পৰিমাণে পকীকৰণ কৰা হৈছে। এতিয়া ও বহুতো ৰাস্তা মোৰ সমষ্টিত পকীকৰণ কৰিবলৈ আছে আৰু ইয়াৰ বাবে যিহেতু চৰকাৰে পি এম জি এচ ওৱাই ৰ নাম দি ২০২২ ৰ ভিতৰত পকীকৰণৰ ব্যৱস্থা হাতত লৈছে। ইতিমধ্যে মোৰ সমষ্টিৰ প্ৰায় ৭০০ কি. মি. ৰাস্তা পকীকৰণ কৰিবৰ বাবে ইতিমধ্যে গুগল মেপিং কৰা হ'ল। গতিকে সন্মানীয় সভাপতিৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক এইটোৱেই অনুৰোধ যে বৃহৎ পৰিমাণৰ আগতে নোহোৱা ৰাস্তাখিনি হ'ব লাগে। এই ক্ষেত্ৰত চৰকাৰৰ ইচ্ছা আৰু সহযোগ লাগিব আৰু এইখিনি সহায় পাম বুলি মই অনুৰোধ জনাইছো। এম ডি আৰ এন ষ্টেট হাইৱে হিচাবে মোৰ সমষ্টিত এটায়েই ৰাস্তা আছে। এইটো হৈছে ওডালগুৰি-খাৰুপেটীয়া ষ্টেট হাইৱে ১৩। এই ৰাস্তাটো ওডালগুৰিৰ পৰা গুৱাহাটীলৈ যাবৰ কাৰণে আটাইতকৈ পুৰণি আৰু কম দূৰত্ব থকা ৰাস্তা। এই ৰাস্তা দুখন জিলাৰ সংলগ্ন। দৰং আৰু ওডালগুৰি। কিন্তু বৰ্তমান ইয়াৰ অৱস্থা খুবেই জৰাজীৰ্ণ। কিন্তু দৰং জিলাৰ প'ৰশ্যন এটা ইতিমধ্যে আপগ্ৰেড আৰু strengthen কৰা হ'ল। কিন্তু আমাৰ ওডালগুৰি জিলাত থকা যিখিনি ১৩ কি.মি. ইয়াৰ মাত্ৰ ৫ কি.মি. ৰ কাম কৰিবলৈহে মই সক্ষম হৈছো। এতিয়াও ৮ কি.মি. ৰাস্তা strengthening আৰু upgrade কৰিবৰ কাৰণে বাকী আছে। এই ৰাস্তাটো যিহেতু পুৰণি আৰু অধিক গুৰুত্বপূৰ্ণ সেয়েহে আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো এই ৰাস্তাটো খাৰুপেটীয়াৰ পৰা ওডালগুৰিলৈকে নগৈ যাতে ভৈৰৱকুণ্ডলৈ গৈ এটা two land ৰাস্তা বনাই দিয়ে তাৰ বাবে মই অনুৰোধ জনাইছো। মোৰ সমষ্টিৰ পূবে যিহেতু শোনিতপুৰ জিলা আৰু বি টি এ ডি ৰ বৰ্ডাৰ। এই জিলাৰ লগত আমাৰ বহুতো সম্পৰ্ক আছে। কিন্তু শোনিতপুৰ যাবৰ বাবে মোৰ সমষ্টিৰ পৰা এটাই ৰাস্তা আছে। এইটো হ'ল নেশ্যনেল হাইৱে ১৮। মাজত শোনিতপুৰ জিলাৰ বহু অঞ্চল চিৰাজুলি, হগ্ৰাজুলি, বেলশিৰি এই অঞ্চল বিলাকৰ লগত যিহেতু সামাজিক, অৰ্থনৈতিক বহুতো সম্পৰ্ক আছে, সেয়ে মই ভাৱো মাজবাটৰ পৰা হগ্ৰাজুলি, চিৰাজুলি , বেলশিৰি হৈ বালিপাৰালৈকে এটা টু লেণ্ড ৰাস্তা কৰাৰ যথেষ্ট প্ৰয়োজন আছে। এইখিনি কৰিবৰ বাবে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। আপোনালোক সকলোৱে ভৈৰৱকুণ্ডৰ কথা জানে। ইয়াৰ আধা অংশ মোৰ সমষ্টিতে পৰে। কিন্তু মোৰ সমষ্টিৰ পৰা যাবৰ বাবে এতিয়াও ৬-৭ কি.মি. ৰাস্তা হোৱা নাই। এই ৰাস্তাটো হৈছে আমাৰ Inter State Border যাৰ ফলত আমি মাজবাটৰ পৰা ভৈৰৱকুণ্ডলৈ যাবৰ বাবে অৰুণাচলৰ পৰা বালিমুখ হৈ প্ৰায় ১৫-২০ কি.মি. ৰাস্তা ঘুৰি যাবলগীয়া হয়। যাৰ ফলত আমাৰ পৰ্য্যটকেই হওঁক বা জনসাধাৰণেই হওঁক বোৰ্ডাৰ পাচ লৈ পেলাই Inter State ত বহুতো হাৰাশাস্তি খাব লগীয়া হয়। সেয়ে মই ভাৱো অকল পৰ্য্যটন কেন্দ্ৰ বুলি নহয় আমাৰ ৰাইজৰ সীমাৰ স্বাৰ্থত যাতে ওৰাং, ৰূপাই ৰোডৰ পৰা যিখিনি ৬-৭ কি.মি. Inter State ৰাস্তা কৰিব লগীয়া আছে এইখিনি যাতে সন্মানীয় মন্ত্ৰী মহোদয়ে কৰি দিয়ে তাৰ বাবে মই অনুৰোধ জনাইছো। ওৰাং ৰাষ্ট্ৰীয় উদ্যান বা

ৰাজীৱ গান্ধী টাইগাৰ প্ৰজেক্ট এইটো দৰং জিলাতমোৰ সমষ্টিৰ বোৰ্ডাৰতে লাগি আছে। মোৰ সমষ্টিৰ দুই ঠাইৰ পৰা এই অঞ্চললৈ যাব পাৰে। এটা হৈছে ওৰাং আনটো হৈছে ধনশিৰি ঘাট। কিন্তু আজিলৈকে আমি এই ৰাস্তা দুটাৰ উন্নতি কৰিব পৰা নাই। খুব জৰাজীৰ্ণ অৱস্থাত আছে। ৰাজীৱ গান্ধী টাইগাৰ প্ৰজেক্টৰ পৰা ধনশিৰি ঘাট লামাবাৰী প্ৰায় ৪০ কি.মি. আৰু ওৰাঙৰ পৰা ৰাজীৱ গান্ধী টাইগাৰ প্ৰজেক্টলৈ ১৮ কি.মি.। এই ৰাস্তাটো যাতে টু লেণ্ড ৰাস্তা বনাই দিয়ে তাৰ বাবে মই মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো। এতিয়া মই নেশ্যনেল হাইৱেৰ বিষয়ে ক'ব বিচাৰিছো। সন্মানীয় সভাপতি মহোদয়, ওডালগুৰি সদৰলৈ যোৱা ৰাস্তা ওডালগুৰি, ৰৌতা প্ৰায় ৮০ শতাংশ মোৰ সমষ্টিৰ মাজেৰে গৈছে। কিন্তু ২০১১ চনতে এন. এইচ ৰ জৰিয়তে এই ৰাস্তাটো টু লেণ্ড কৰিবৰ কাৰণে আৰম্ভ কৰা হৈছিলে। কিন্তু ২০১১ চনৰ পৰা আৰম্ভ কৰি এতিয়া ২০১৯ চনলৈকে এই ৰাস্তাটো সম্পূৰ্ণ কৰা নহ'ল। ইয়াৰ বাবে মাজে মাজে প্ৰতিবাদ, ধৰ্ণা আদি কাৰ্য্যসূচী লোৱা পেপাৰে পত্ৰই দেখিবলৈ পোৱা যায়। মই বিধায়ক হোৱাৰ পিছত এই পবিত্ৰ সদনত দুবাৰ মান প্ৰশ্ন উত্থাপন কৰিলো আৰু মই সম্পূৰ্ণ কৰা হ'ব বুলি উত্তৰ পাইছিলো। কিন্তু অতি দুখৰ বিষয় যে এই ৰাস্তাৰ কাম ঠিকাদাৰে এতিয়ালৈকে কৰা নেদেখিলো আৰু এই ঠিকাদাৰ জনৰ ওপৰত কোনো একশ্যন লোৱা দেখিবলৈ পোৱা নাই। এই বিষয়টো যিহেতু যথেষ্ট স্পৰ্শকাতৰ গতিকে এই বিষয়টো ভালদৰে আলোচনা কৰি যাতে মন্ত্ৰী মহোদয়ে কি হৈছে, কি হোৱা নাই পৰ্য্যালোচনা কৰি ৰাস্তাটো যাতে গঢ়ি দিয়ে যিহেতু ওডালগুৰি জিলাৰ হেড কোৱাৰ্টাৰলৈকে যাবৰ বাবে অন্য ৰাস্তা নাই। আমি মাজে মাজে শুনিবলৈ পাওঁ যে যিহেতু এন. এইচ ৰ জৰিয়তে কৰা হৈছিলে সেইবাবে আমি দিশপুৰৰ বিষয়া সকলক সুধিলেও ইয়াৰ সঠিক উত্তৰটো পাবলৈ সক্ষম নহওঁ। সেয়ে মন্ত্ৰী মহোদয়ক মই পৰ্য্যালোচনা কৰি ইয়াৰ ব্যৱস্থা ল'বৰ কাৰণে অনুৰোধ জনাইছো। মই দলঙৰ সম্পৰ্কত ক'ব বিচাৰিছো মোৰ সমষ্টিত যিহেতু উত্তৰে অৰুণাচল প্ৰদেশ আছে আৰু ইয়াৰ বহুতো সৰু ডাঙৰ নদী আছে গতিকে নদী থকা বাবে দলঙৰ ও প্ৰয়োজন আছে। ক'ৰবাত কাঠৰ দলং আছে, ক'ৰবাত নাই। কাঠৰ দলং থকা বিলাকত যিহেতু চৰকাৰে সিদ্ধান্ত ল'লে যে ২০২১ ৰ ভিতৰত যিমানখিনি কাঠৰ দলং আছে এইখিনি পকীকৰণ কৰা হ'ব। ইয়াৰ বাবে মই মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে ধন্যবাদ জনাইছো। ইতিমধ্যে মই বিধায়ক হৈ কাঠৰ দলং যিমানখিনি আছিলে তাৰে ভিতৰত ৬ খন আৰ চি চি ব্ৰীজ কৰিবৰ কাৰণে অনুমোদন পালো। কিন্তু এতিয়াও মোৰ সমষ্টিত ৭ খন কাঠৰ দলং আছে। যিহেতু কৈছে ২০২১ চনৰ ভিতৰত কাঠৰ দলঙখিনি সম্পূৰ্ণ কৰা হ'ব। যিহেতু তিনিবছৰ সময় লাগে ২০২১ পাবৰ কাৰণে আমাৰ হাতত মাত্ৰ এক বছৰ বা ডেৰ বছৰ সময় আছে। তাৰ কাৰণে যি বাকী থকা ৭ খন দলং এইখিনি যাতে অনুমোদন দি এই দলং খিনি যাতে কৰিব পাৰে তাৰ কাৰণে আপোনাৰ জৰিয়তে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। তাৰ বাদেও বহুতো দলং আমাৰ প্ৰয়োজন আছে য'ত নেকি আগৰ পৰা ইয়াত কাঠৰ দলং নাই। সেইখিনিও কৰিবৰ কাৰণে যথেষ্ট প্ৰয়োজন আছে, সেইখিনি নকৰিলে আমাৰ অঞ্চল বিলাকত যাতায়ত কেতিয়াও সম্পূৰ্ণ নহয়, যিহেতু আমি বহুত পিছপৰা অঞ্চল। কেন্দ্ৰীয় চৰকাৰেও যিহেতু স্বীকৃতি দিছে, পিছপৰা অঞ্চল হিচাপে। সেই কাৰণে আমাৰ ক্ষেত্ৰত নিয়ম বিলাক অলপমান সালসলনি কৰি হলেও কাঠৰ দলং নাথাকিলেও এই দলং বিলাকৰ যিহেতু প্ৰয়োজন আছে এইখিনি দলং কৰি দিবৰ কাৰণে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। সদৌ শেষত মই পি দব্লিউ বিভাগক এটা অনুৰোধ কৰিব বিচাৰিছো, সেইটো হ'ল PWD IB, মোৰ ওৰাঙত অতি পুৰণা এটা PWD IB আছিল এইটো একেইবাৰে

জৰাজীৰ্ণ অৱস্থা, এতিয়া, কোনো অতিথি আমি ইয়াত ৰাখিব নোৱাৰো। সেইবাবে মই বহুত সময়ত আমাৰ বিভাগীয় কৰ্তৃপক্ষ সকলকো মই মাজে মাজে অনুৰোধ জনাইছিলো যে এই PWD IB টো উন্নতি কৰণ আৰু মেৰামতি কৰিব লাগে। মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। দ্বিতীয়তে, মই শিক্ষাৰ কথা কব বিচাৰিছো। ওদালগুৰি জিলা শিক্ষাত অতিকৈ পিছপৰা বুলি সকলোৱে জানে আৰু এই পিছপৰাৰ যথেষ্ট কাৰণ আছে এই কাৰণবোৰ কি কি আছে মই এইখিনি মন্ত্ৰী মহোদয়ক আপোনাৰ যোগেদি অৱগত কৰিব বিচাৰিছো। শিক্ষকৰ অভাৱ মোৰ সমষ্টিত বহুত আছে, প্ৰাথমিক স্কুল প্ৰায় বোৰত ১ জন শিক্ষকৰে চলি আছে, দুখনমান হায়াৰ চেকেণ্ডাৰী স্কুলত প্ৰায় ৬ টা, ৫টালৈ বিষয় শিক্ষকৰ পদ খালী হৈ আছে। যাৰ ফলত হায়াৰ চেকেণ্ডাৰী বিলাক চলাব নোৱাৰে। যেনেকৈ আমাৰ দণ্ডচৰী হায়াৰ চেকেণ্ডাৰী স্কুল, সেইখনত হায়াৰ চেকেণ্ডাৰী আছে যদিও মানে অচল হৈ পৰি আছে আৰু কেইটামান বড়ো মিডিয়াম স্কুল আছে বহুত দিনৰ পৰা ইয়াত মানে গণিত বা বিজ্ঞানৰ শিক্ষক নোহোৱাকৈ বৰ্তমান চলি আছে। তেনেকুৱা বহুত ধৰণৰ শিক্ষকৰ অভাৱ আছে সেইখিনি যাতে সন্মানীয় মন্ত্ৰী মহোদয়ে আমাৰ অঞ্চলৰ দুখীয়া ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থত কৰি দিয়ে তাৰ বাবে মই অনুৰোধ জনাইছো। আমাৰ মাজবাটত এটা মাজবাট খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ, ডি অ' অফিচ আছে কিন্তু আজিলৈকে মই Permanent DEEO দেখা নাপালো। বহুত দিন হ'ল তেওঁলোকে Assistant Inspector School তেওঁলোককে Incharge দি চলাই আছে। সেইবাবে ইয়াত এজন Permanent DEEO নোহোৱাৰ কাৰণে যথেষ্ট অসুবিধা হৈছে। ইয়াৰ কাৰণেও মই মন্ত্ৰী মহোদয়ক এজন Permanent DEEO নিয়োগ কৰিবলৈ অনুৰোধ জনাইছো। আন্তঃগাঠনিৰ অভাৱটোও আছেই, আন্তঃগাঠনি প্ৰায় বিদ্যালয় বিলাকৰ আছে যদিও উচ্চ মানদণ্ডৰ নহয়, কিবাকৈ চলি আছে। বহুতো অভাৱ আছে এতিয়াও। কিন্তু মই আমাৰ সন্মানীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো যিহেতু ২০১৭-১৮ বৰ্ষত আমাৰ গুণোৎসৱ পাতিলে এই গুণোৎসৱৰ দ্বাৰা আমাৰ অঞ্চলৰ শিক্ষানুস্থান বিলাকৰ যি মূল্যাংকন কৰা হ'ল কিন্তু আমি জানিব পাৰিছিলো যে গুণোৎসৱত যিখিনি অভাৱ দেখা পাইছিল সেইখিনি নাইকীয়া কৰাৰ কাৰণে পুঁজি আৱন্টন দিব বুলি চৰকাৰে কৈছিল। কিন্তু আমি এতিয়ালৈকে ২০১৭-১৮ বৰ্ষত গুণোৎসৱ পতাৰ পিছত যিখিনি অভাৱ আমি দেখাইছিলো সেই খিনি কিন্তু এতিয়াও দূৰ হোৱা নাই।

**সভাপতি (শ্ৰীদেবানন্দ হাজৰিকা) ঃ** আপোনাৰ আৰু ২ মিনিট সময় আছে।

**শ্ৰী চৰণ বড়ো ঃ** এই অভাৱখিনি সোনকালে দূৰ কৰাৰ বাবে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। মোৰ আৰু কবলগীয়া বহুতে আছিল কিন্তু সময়ৰ অভাৱৰ বাবে হয়তো গোটেইখিনি ক'ব নোৱাৰিম। তাৰ পিছত ২০১৭ চনৰ যি আমাৰ শিক্ষা আইন আছে সেই আইনমতে আমাৰ সমষ্টিত বহুতো স্কুল প্ৰাদেশীকৰণ হ'বলগীয়া আছে। কিন্তু মই বিশেষকৈ তিনিটা শিক্ষা অনুষ্ঠান মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো এইবোৰ হ'ল ওডালগুৰি বিজ্ঞান মহাবিদ্যালয়, ওৰাং স্নাতক মহাবিদ্যালয় আৰু ৰৌতা কনিষ্ঠ মহাবিদ্যালয়। এই তিনিও খন শিক্ষা অনুস্থানৰ অতি প্ৰয়োজন। আজিৰ দিনত আমাৰ অঞ্চলত শিক্ষাৰ অৱদান বুলি কলে এই তিনিখন অনুস্থানেই কৰি আছে। ২০১৭ চনৰ শিক্ষা আইনমতে সেই মহাবিদ্যালয় সমূহে সকলো চৰ্ত পূৰণ কৰিছে। গতিকে এই তিনিখন মহাবিদ্যালয়ৰ প্ৰাদেশীকৰণ প্ৰক্ৰিয়াটো অতি সোনকালে কৰিব লাগে। ইয়াৰ পিছত আৰু এটা ডাঙৰ সমস্যা হ'ল যে ২০১৩ চনৰ পিছত আমাৰ অঞ্চলৰ বহুতো শিক্ষা অনুস্থান প্ৰাদেশীকৰণ হৈছিল কিন্তু শিক্ষা অনুষ্ঠান বিলাক প্ৰাদেশীকৰণ হ'ল কিন্তু তাত কৰ্মৰত বহুতো

শিক্ষকৰ পদ প্ৰাদেশীকৰণ নহ'ল। যেনেকৈ মাজবাত কলেজত বড়ো শিক্ষকৰ পদটো প্ৰাদেশীকৰণ নহ'ল। গেলাবিল হাই স্কুলৰ বিজ্ঞানৰ পদ প্ৰাদেশীকৰণ নহ'ল আৰু সাংস্কৃতিক পদটোও নহ'ল, শ্বিলং গুটি হাই স্কুলৰ বিজ্ঞানৰ দুটা পদ নহল আৰু এটা সহকাৰী শিক্ষকৰ পদ নহ'ল। মাজবাত বিদ্যাপিঠত এটা সহকাৰী শিক্ষকৰ পদ নহল, বিহুৰাম বৰুৱা সোৰৰণী হাইস্কুলত ৪ টা পদ নহ'ল। গতিকে প্ৰাদেশীকৰণ হ'ল যদিও এই শিক্ষা অনুষ্ঠানবোৰ চলোৱাৰ ক্ষেত্ৰত বহুতো অসুবিধাৰ সন্মূখীন হ'বলগীয়া হৈছে তাৰ কাৰনে মন্ত্ৰী মহোদয়ে নিশ্চয় ইয়াৰ ক্ষেত্ৰ অৱগত হয়, সেইখিনি যাতে কৰি দিয়ে তাৰ কাৰণে মই অনুৰোধ জনালো। আৰু কেইটামান শিক্ষা অনুষ্ঠানৰ মোৰ সমষ্টিত আৱশ্যকতা আছে এইখিনি মই মন্ত্ৰী মহোদয়ক আগতেও অনুৰোধ জনাইছিলো। ওডালগুৰি কলেজখনত কলা শাখাটো আছে বহুত দিনৰ পৰা বিজ্ঞান শাখাটো ভেঞ্চাৰ হিচাপে চলি আছে কিন্তু ইয়াত কমাৰ্চ কলেজ কৰাৰ যথেষ্ট প্ৰয়োজন আছে। যাতে এইটো মন্ত্ৰী মহোদয়ে বিবেচনা কৰে তাৰ কাৰণে অনুৰোধ জনাইছো আৰু আমাৰ ওডালগুৰি কলেজখনত উচ্চ শিক্ষা দিবৰ কাৰণে ইতিমধ্যে এটা বড়োলেণ্ড বিশ্ববিদ্যালয় কেম্পাছ কৰিবৰ কাৰণে আমাৰ শিক্ষা বিভাগৰ পৰা পক্ৰিয়া চলাইছিল আৰু ইতিমধ্যে যিমানখিনি Criteria দিবলৈ কৈছিল সেইখিনি আনি দিছিলো। কিন্তু আজিলৈকে হৈ উঠা নাই ইয়াৰ কাৰণটো মই জানিব বিচাৰিছো। বাকী সমস্যাবোৰ যিহেতু লিখিত দিছো।

**সভাপতি (শ্ৰীদেবানন্দ হাজৰিকা) ঃ** আপুনি লিখি দি দিব, সময় ইতিমধ্যে শেষ হৈছে।

**শ্ৰী চৰণ বড়ো ঃ** মই উত্তৰ পাম বুলি আশা কৰিলো। শেষত জলসম্পদৰ সমস্যাখিনি অলপ কব পাৰিলে ভাল আছিল।

**সভাপতি (শ্ৰীদেবানন্দ হাজৰিকা) ঃ** আপুনি মন্ত্ৰী ডাঙৰীয়াৰ লগত কথা পাতি ল'ব।

**শ্ৰী চৰণ বড়ো ঃ** শেষৰ এটা সমস্যা, মই এইখিনি কম খাদ্য আৰু অসামৰিক বিভাগৰ। আমাৰ যিহেতু NFSA ৰ অধীনত আমাৰ Priority Card দিয়া হৈছিল সেই Priority Card মোৰ সমষ্টিত পাবলৈ বহুত বাকী আছে। তথাপি মই সেইখিনি কব বিচৰা নাই কিন্তু মোৰ সমষ্টিত যি ৭ খন বাগিছা আছে এইখিনি কথা মই অলপ কব বিচাৰিছো। সেই ৭ খন বাগিছাৰ সমস্যা বোৰ যেতিয়া আহি থাকে তেতিয়া মই অলপ চাৰিজাৰি চালো আৰু দেখা পালো যে মোৰ চাহ বাগিছাত ৪৮৩২ টা পৰিয়াল আছে। তাৰ ভিতৰত ৪৪৪২ টা হে Priority Card পাইছে। এতিয়া আমাৰ ৩৯০ টা পৰিয়ালে এই কাৰ্ডটো পাবলৈ আছে। কিন্তু মই মানুহৰ পৰা যিটো তথ্য ললো তেওঁলোকৰৰ মতে ১৬৭৩ টা পৰিয়ালে এতিয়াও এই কাৰ্ডখন পোৱা নাই।

**সভাপতি (শ্ৰীদেবানন্দ হাজৰিকা) ঃ** Thank you, please try to conclude.

**শ্ৰী চৰণ বড়ো ঃ** আগতে আমি এই Priority Card ৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া নাছিলো। কিন্তু এতিয়া Priority Card নহলে মুখ্যমন্ত্ৰীৰ যি উজ্জ্বলা যোজনা তাৰ অধীনত গেছৰ বিনামূলীয়া সংযোগ নাপায়, চাউল নাপায়, চেনী নাপায় আৰু এই নহলে স্কুলৰ স্ক'লাৰচিপৰ সুবিধাও নাপায়। ইয়াৰ ফলত এনেকুৱা এটা অৱস্থাৰ সৃষ্টি হৈছে কোনোবা এখন ঘৰে চাউল বিনামূলীয়কৈ পাই আছে, চেনী পাই আছে আৰু কোনোবা এটা পৰিয়ালে ৩০.০০ টকাত চাউল কিনি খাব লগীয়া হৈছে।

**সভাপতি (শ্ৰীদেবানন্দ হাজৰিকা) ঃ** Thank you very much.

**শ্ৰী চৰণ বড়ো ঃ** আমাৰ বিভাগীয় মন্ত্ৰী মহোদয়ে কৈ আছে যে আমাৰ বহুতো পাব নলগীয়া ব্যক্তিয়ে কাৰ্ড পালে, তাৰ কাৰণে এই অৱস্থাৰ সৃষ্টি হৈছে। তেওঁলোকৰ পৰা surrender কৰাই এই কাৰ্ডখিনি দিম বুলি কৈ আছে, কিন্তু এই প্ৰক্ৰিয়াটো প্ৰায় তিনি, চাৰি বছৰ ধৰি চলি আছে আৰু

মই জিলাখনত খৱৰ লৈছো আজিলৈকে এক হাজাৰ surrender কৰা ব্যক্তিও ওলোৱা নাই। যদি আমি উত্তৰকে দি থাকো নিশ্চয় আমি দুখীয়া ব্যক্তি সকলক কাৰ্ড আমি দিব নোৱাৰিম।

**সভাপতি (শ্ৰীদেবানন্দ হাজৰিকা) ঃ** Thank you very much, please try to conclude.

**শ্ৰী চৰণ বড়ো ঃ** তাৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো, আমিয়ে চালিজাৰি চাই যি ব্যক্তি সকলে পাব নালাগে সেই সকল আমি direct cancel কৰি যাতে আমাৰ এই দুখীয়া ব্যক্তি সকলক কাৰ্ড দিয়াৰ ব্যৱস্থা কৰিব পাৰো তাৰ কাৰণে মই অনুৰোধ জনাইছো, ধন্যবাদ।

**সভাপতি (শ্ৰীদেবানন্দ হাজৰিকা) ঃ** Thank you very much.

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ** সভাপতি মহোদয়, তেখেতে লিখিত ভাৱে দিয়া আমাক তেখেতৰ বক্তব্যৰ ওপৰত আমি এখন প্ৰতিবেন প্ৰস্তুত কৰিছো আৰু সেইখন আপোনাৰ মাধ্যমৰে তেখেতক দিম।

**সভাপতি, শ্ৰীদেবানন্দ হাজৰিকা ঃ** এতিয়া নজৰুল হক।

**শ্ৰী নজৰুল হক (ধুবুৰী) ঃ** সভাপতি মহোদয়, মোৰ ধুবুৰী বিধান সভা সমষ্টিৰ কথা সদস্যৰ ঘন্টাত কবলৈদিয়াৰ বাবে মই আপোনাক ধন্যবাদ জ্ঞাপন কৰিছো। মই প্ৰথমে গড়কাপ্তানী বিভাগৰ ওপৰত অলপ কম, মোৰ বেছি কব লগীয়া নাই। গড়কাপ্তানী বিভাগত সদস্যৰ জাননী মই যোৱা ৭-২-২০১৮ বৰ্ষত দিছিলো তেতিয়া ধুবুৰী বিধান সভা সমষ্টিৰ বেছিভাগ পথেই অতি বেয়া অৱস্থাত আছিল। বৰ্তমান বিভাগীয় মন্ত্ৰী ড° শৰ্মা ডাঙৰীয়াই কাৰ্য্যভাৰ লোৱাৰ পিছত ধুবুৰী বিধান সভা সমষ্টিত যথেষ্ট খিনি টকা পথ আৰু দলং নিৰ্মাণৰ কাৰণে আৱন্টন দিছে। সভাপতি ডাঙৰীয়া, অকণমান সমস্যা এটা আছে। ধুবুৰী বিধান সভা সমষ্টিৰ কাৰণে ২০১৮-১৯ বিত্তীয় বৰ্ষত SOPD ৰ অধীনত ধুবুৰী সমষ্টিৰ rural area কাৰণে ১৬ কোটি, Urban area ৰ কাৰণে ১৬ কোটি টকা, মুঠ ৩২ কোটি টকা মোক দিছিলে। তাৰ ভিতৰত rural area ত ১১ কোটি ৭ লাখ টকা অনুমোদন হ'ল, টেণ্ডাৰ হৈ গ'ল আৰু কাম চলি আছে । বাকী ৪ কোটি ৯৩ লাখ টকা অনুমোদন দিবলৈ মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ দৃষ্টিআকৰ্ষণ কৰিছো। ঠিক একে দৰেই মোৰ Urban area ত ১৬ কোটিৰ ভিতৰত মথোন ৪১ কোটি ৩৬ লাখ টকাহে অনুমোদন পাইছো । বাকী ১৫ কোটি ৫৮ লাখ টকা এতিয়াও অনুমোদন হোৱা নাই । এই টকা খিনি যাতে সোনকালে অনুমোদন দিয়ে তাৰ বাবে মই মন্ত্ৰী মহোদয় অনুৰোধ জনাইছো। সভাপতি ডাঙৰীয়া, যোৱাকালি মই মন্ত্ৰী মহোদয়ক লগ কৰিছিলো আৰু তেখেতে লগে লগে এই কাৰণে গড়কাপ্তানি বিভাগৰ আয়ুক্তক latest report submit কৰিবলৈ কৈছে । যিহেতু মই প্ৰায় ডেৰ বছৰ আগতেই সদস্য কালৰ জাননী দিছিলো ইয়াত উল্লেখ কৰিছো যাতে কাম খিনি সোনকালে কৰি দিয়ে । ২য়তে, মোৰ আছিল জলসম্পদ বিভাগৰ মাননীয় মন্ত্ৰী ডাঙৰীয়া উপস্থিত আছে আৰু মই তেখেতৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ বিচাৰিছো । ধুবুৰী জিলাৰ বৰ্তমান ব্ৰহ্মপুত্ৰ নৈৰ মূল ধাৰৰ লগতে শাখা-উপশাখা বিলাকে ধুবুৰী জিলাত বিশেষকৈ ধুবুৰী বিধান সভা সমষ্টিত তাণ্ডৱ সৃষ্টি কৰি ধ্বংসলীলা অব্যাহত ৰাখিছে । এই ভয়াৱহ বানপানীৰ ফলত জলসম্পদ বিভাগৰ ধুবুৰী বিধান সভা সমষ্টিত লাইফ লাইন ধুবুৰী, পাথামাৰী দলগাওঁৰ পৰা ১০ কিলোমিটাৰ আৰু এই সমূহত বিস্তাৰ ক্ষতিসাধন কৰিছে । তদুপৰি চাৰ উক্ত ৰাষ্টাটোত কেইবাটাও ঠাইত এইবাৰ প্ৰবল গড়া খহনীয়াৰ ফলত ৰাস্তাটো ভাঙি চুৰমাৰ হৈ গৈছে। এই ৰাস্তাটো ইতিমধ্যে PWD বিভাগৰ ফালৰ পৰা, প্ৰথম পৰ্য্যায়ত আৰ আই ডি এফৰ ফালৰ পৰা আৰু বিভিন্ন হেড্ ৰ পৰা উক্ত ৰাস্তাটোত ৫ কোটি

টকাৰে ৫ কিলোমিটাৰ ৰাস্তাটো পকীকৰণৰ কাম কৰা হৈছে । এইবাৰো অসম চৰকাৰৰ ফালৰ পৰা মই যিটো Signature project ত ১০ কোটি টকা পাইছিলো, আৰু এই ৰাস্তাটোৰ আধাৰশিলা স্থাপন কৰা হৈ গৈছে । Administration যোৱাৰ পিছে পিছে কামটো আৰম্ভ হ'ব । গতিকে মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো উক্ত ৰাষ্টাটো ঠিক ৰাখিবলৈ হ'লে জলসিঞ্চন বিভাগৰ পৰা তাত স্থায়ী সমাধান কৰিবলৈ মই মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ জনাইছো । লগতে এই খিনিও অনুৰোধ জনাওঁ যাতে মন্ত্ৰী মহোদয়ে লগত বিষয়াক লৈ মোৰ সমষ্টিত এবাৰ পৰিদৰ্শন কৰিলে সুখী হম আৰু অনতি পলমে যাতে কামটো কৰা হয়। নহ'লে প্ৰায় ১৫-২০ কোটি টকা অসম চৰকাৰৰ অথলে যাব। চাৰ তয়তে, মন্ত্ৰী মহোদয়ে অৱগত কানৰি, বৃনৎচৰা, সাতঘৰি, ভায়া, নালিয়া, বৰাত ৰোড উক্ত ৰাস্তাটো গোলকগঞ্জ সমষ্টি, গৌৰীপুৰ সমষ্টি আৰু ধুবুৰী সমষ্টি এই তিনিটা সমষ্টি সংলগ্ন সীমান্ত পথ। এই পথেদি বৃনৎচৰা, নালিয়া, বেৰভাঙী, লক্ষিমাৰীৰ মানুহ অহা যোৱাৰ উপৰিও BSF ৰ জোৱান সকল অহা যোৱা কৰে কাৰণ এটাই ৰাস্তা। যোৱা ২ বছৰ আগতে সৰুবল গৰাখহনীয়া নৈ গঙ্গাধৰ নৈৰ কবলত পৰি বিস্তাৰ ক্ষতি সাধন হৈছে। মই কেইবা বাৰো উপায়ুক্তক, জলসম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তা, জিলা পৰিষদ ৰ মুখ্য কাৰ্যবাহী বিষয়া, ডি আৰ ডি অ'ৰ কাৰ্য্যবাহী অভিযন্তাক লৈ উক্ত ঠাইটো পৰিদৰ্শন কৰিছিলো । এইটো প্ৰতিৰোধৰ বাবে কেইবাবাৰো অনুৰোধ জনোৱা হৈছিল। জলসম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তা জনে কৈছিল যিহেতু পথটো গড়কাপ্তানি পথ, আমি কৰিব নোৱাৰো । গড়কাপ্তানি বিভাগৰ কাৰ্যবাহী অভিযন্তা আৰু আয়ুক্তক লৈ যোগাযোগ কৰোতে মোক এই খিনি কৈছিল যে গঙ্গাধৰ নৈ খন জলসম্পদ বিভাগৰ অধীনত পৰে, জলসম্পদ বিভাগে যদি নৈ খন সুৰক্ষাৰ ব্যৱস্থা কৰি দিয়ে পৰবৰ্তী সময়ত গড়কাপ্তানি বিভাগে মেৰামতিৰ কাৰণে কাম কৰিবলৈ সক্ষম হ'ব । গতিকে মই মন্ত্ৰী মহোদয়ক এই ক্ষেত্ৰত এটা পদক্ষেপ ল'বলৈ আহ্বান জনাইছো। যিহেতু Indo-Bangladesh সীমান্ত, তাত ফেঞ্চিংও আছে আৰু এনেকুৱা এটা জৰুৰী তিনিটা বিধান সভা সমষ্টি সংলগ্ন ৰাস্তা, সেই ৰাস্তাটোৰ কাম যাতে গৰাখহনীয়া প্ৰতিৰোধৰ কাম খিনি মন্ত্ৰী মহোদয়ে কৰি দিয়ে। পৰবৰ্তী সময়ত গড়কাপ্তানি বিভাগৰ ফালৰ পৰা যি খিনি ক্ষতিগ্ৰস্ত হ'ল গৰাখহনীয়াত, এই ৰাস্তাটো মেৰামতিৰ কাৰণে আমি এটা estimate গড়কাপ্তানি বিভাগক দি কাম খিনি কৰিবলৈ চেষ্টা কৰিম। চাৰ, মোৰ ধুবুৰী সমষ্টিত মন্ত্ৰী মহোদয়ে অৱগত সেই ৩০ বছৰীয়া মথাউৰি এটা ১০ কিলোমিটাৰ আৰু ব্ৰহ্মপুত্ৰৰ কবলত মোৰ সমষ্টিৰ ৭ খন পঞ্চায়ত আছে । যেনে - ফলিমাৰী গাওঁ পঞ্চায়ত, পাথামাৰি, ভোগদহৰ, মতিৎচৰ, হাওৰাৰ পাৰ, দাসপাৰা আৰু চৰ ভাচানী এই সাত খন পঞ্চায়ত ব্ৰহ্মপুত্ৰৰ কবলত। গতিকে ফলিমাৰী পঞ্চায়তৰ অন্তৰ্গত মাজস্বৰ, কানৰী পাৰ্ট-২, পাৰ্ট-৩ এইকেইটা যদি মথাউৰিৰ কাম কৰা যায় মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক মোৰ সমষ্টিত যাতে এটা মথাউৰি কৰি দিব পাৰে তাৰ বাবে কাতৰ ভাবে অনুৰোধ জনাইছো। মোৰ সমষ্টিত ফলিমাৰীৰ পৰা ধুবুৰী টাউনলৈ যোৱাৰ কাৰণে এটা alternative road ৰ কাৰণে প্ৰস্তাৱ দিছিলো গড়কাপ্তানি বিভাগত সেইটো যাতে মন্ত্ৰী মহোদয়ে আপোনাৰ জৰিয়তে অকণমান চকু দিয়ে তাৰ কাৰণেও অনুৰোধ জনালো। Members hour ত কবলৈ দিয়াৰ কাৰণে অধ্যক্ষ ডাঙৰীয়াক আকৌ এবাৰ ধন্যবাদ জ্ঞাপন কৰি মোৰ বক্তব্য সমাপ্ত কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। আমি নতুন এটা system কৰিছো আপোনালোকৰ উত্তৰ খিনি formaly লৈ check কৰি আপোনালোকক দিম । ইয়াতে ক'লে সময় বহু খিনি যায়। সেই কাৰণে আমি এইটো কৰিছো লগতে আপোনালোকক মতা হ'ব ।

**শ্ৰী কেশৱ মহন্ত, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত ইতিমধ্যে যিটো Members hour তিনিজন সন্মানীয় সদস্যই ইয়াত তেখেত সকলৰ সমষ্টিৰ বিষয়ে কৈছে। মই তিনিও জনৰ সমস্যাৰ ওপৰত চমুকৈ মোৰ বিভাগৰ বিষয়টো মই ক'বলৈ বিচাৰিছো । ইয়াত আছিলে আমাৰ উৎপল বৰা ডাঙৰীয়া, মাননীয় বিধায়ক, গহপুৰ সমষ্টি তাৰ পিছতে মনেশ্বৰ ব্ৰহ্ম, নজৰুল হ'ক ডাঙৰীয়া। প্ৰথমতে মই গহপুৰৰ পৰা আৰম্ভ কৰিছো । তেখেতৰ সমষ্টিলৈ অৰুণাচলৰ পৰা ৮ খন পাহাৰীয়া নৈ বৈ আহিছে। চেচাঁ নদী , চেংমৰা নদী,ডুবিয়া নৈ,সোলেঙী, ছত্ৰং, ব্ৰহ্মজান, টুপুং আৰু বুৰৈ - ইয়াৰ প্ৰায় কোনোবাখন ২৮ কি.মি, কোনোবাখন ১২ কি.মি , কোনোবাখন১৮ কিঃ মিঃ কোনোবা ৪৪ কি.মি., দুৰত্ব অৰুণাচল পাহাৰৰ পৰা বৈ আহি বা বেলেগ নৈৰ লগ লাগি ব্ৰহ্মপুত্ৰত আহি পৰিছে। তেখেতৰ সমস্যা এই আটাইকেইখন নৈ লৈ। আমি সময়ে সময়ে ইয়াত কিছু আঁচনি লৈছো। এইবাৰো আমি কেইটামান আঁচনি ল'বলৈ ঠিক কৰিছো। যোৱাবাৰ আমি ছত্ৰঙত আঁচনি লৈছো। আমাৰ জামুগুৰি অঞ্চলত এচ ডি আৰ এফৰ আঁচনি আছিলে। কেইবাখনো আঁচনি লৈছো , তেখেতে ভালকৈ জানে। গতিকে আঁচনিকেইখন ৰূপায়ণ হৈ আছে। এইবাৰ যিখিনি ক্ষয় ক্ষতি হৈছে আমি চাই আহিছো। এইবাৰো আমি আঁচনি ল'ম। তেখেতে বক্তব্যত উল্লেখ কৰিছে যে তেখেতৰ ডাঙৰ সমস্যাটো হৈছে বালি। নদীৰ বুকু উঠি আহিছে। অৰুণাচলৰ পাহাৰীয়া অঞ্চলৰ পৰা পোনপোটীয়াভাবে বালি - শিল আহি সেই অঞ্চলতে জমা হয়। এতিয়া অধ্যক্ষ মহোদয়, এটা কথা আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। এই বালিচৰে বহুখিনি আমাৰ সমস্যা সৃষ্টি কৰিছে। যদি কথাটো চায়, নৈখন যদি স্বাভাবিক ভাবে বৈ থাকে, তাত ৱাটাৰ ৰিৰ্চোচ ডিপাৰ্টমেন্টৰ কোনো কৰিবলগীয়া কাম নাই। নৈখনে যদি গড়া খহায়, তেতিয়া জলসম্পদ বিভাগৰ কাম। নৈখনে যদি মথাউৰি ভাঙে তেতিয়া জলসম্পদ বিভাগৰ কাম। এতিয়া নৈখনত থকা বালিখিনি খনি আৰু খনিজাত সামগ্ৰী বিভাগৰ বস্তু আৰু সেইখিনি বন বিভাগে অপাৰেট কৰে। নৈখনত থকা মাছখিনি মীন বিভাগৰ অধীনত। গতিকে নৈৰ বালি খান্দিবলৈ আমাৰ বনবিভাগৰ মন্ত্ৰী আছে শুক্লবৈদ্য ডাঙৰীয়া, বালিখিনি তেখেতৰ বিভাগৰ আৰু তেখেত মীন মন্ত্ৰীও গতিকে মাছখিনিও তেখেতৰ। গতিকে সেই ধৰনে মই এটা প্ৰস্তাৱ ৰাজ্যচৰকাৰক দিছিলো। নদীৰ বালিখিনিৰ কৰ্তৃত্বটো আৰু নৈখন পৰিচালনা কৰিবলৈ ৱাটাৰ ৰিচোৰ্চ ডিপাৰ্টমেন্টক দিব লাগে। সেইধৰণে মই ফাইলটো চৰকাৰক দিছো কিন্তু এতিয়ালৈকে ক্লিয়েৰ কৰি দিয়া নাই। এখন নদীত কি হয় সেইটো কোৱাটো উচিত হ'ব- বিশেষকৈ বি টি এডিৰ নৈখিনি, ডিমা হাচাওৰ নৈখিনি আৰু আমাৰ সমতলৰ নৈ তিনিঠাইৰ নৈৰে ৩ ধৰণৰ কথা। বি টি এ ডিত যেতিয়া ভূটান পাহাৰৰ আমাৰ শিলখিনি আহিব তাত কোৰেৰী দিয়ে। আমি যদি ক'ৰবাত বান্ধি থৈ দিছো তেতিয়া হ'লে সেইখিনি ওচৰতে পাই ঠিকাদাৰে খান্দি লৈ গৈছে। ঠিক তেনেদৰে আপুনি ডিমা হাচাওলৈ যাওঁক তাতো সেই একে অৱস্থা। আপুনি চাব ঠিকাদাৰে এক্সেভেটৰ লগাই খান্দি লৈ গৈছে। গতিকে দুই ঠাইতে দুটা সমস্যা হৈছে। আমাৰ ইয়াত কি হৈছে- কেতিয়াবা যদি আমাক ফৰেষ্টে বালি খান্দিবলৈ দিছে, বালি খান্দি আমি চিল্টিং কৰিছিলো সেই ঠাইতে বালি খান্দি লৈ গুছি গৈছে। গতিকে বালিৰ ওপৰত যদি জল সম্পদ বিভাগৰ নিয়ন্ত্ৰণ নাথাকে বা একচেজ বালিখিনি য'ত খান্দিলে নদীৰ সোঁতটো বৈ যাবলৈ সুবিধা হয়, এই কথাখিনি আমি ভিবাগৰ পৰা চাব নোৱাৰো তেনেহ'লে নৈখন নিয়ন্ত্ৰণ কৰাটো বিভাগৰ আহুকাল হয়। গতিকে এই কৰ্তৃত্বটো আমাক প্ৰয়োজন। গতিকে মই ক'ব বিচাৰো এইক্ষেত্ৰত এটা চিন্তা চৰ্চা কৰিব লাগে আৰু এটা কথা হ'ল - গহপুৰৰ যিখিনি কাম আছে আমি ইতিমধ্যে প্ৰাক্কলন প্ৰস্তুত কৰিছো। আমি সেইখিনি কৰিম। তাৰ পিছতে যিটো মাজবাট সমষ্টিৰ যিখিনি কথা বিধায়ক চৰণ

বড়ো ডাঙৰীয়াই উত্থাপন কৰিলে, এই ক্ষেত্ৰত দুটা বিষয় তেখেতে দাঙি ধৰিছে- তেখেতৰ তাত মূল নদীকেইটা হৈছে - বোলান্দী, ধনশিৰি, ৰৌতা, পাগলা, পানচৈ আৰু পাচনৈ আৰু ভুটীয়া নৈ। এই নৈকেইখনৰ পৰা তেওঁৰ সমষ্টিত ক্ষতি হৈছে গতিকে আমি কেইবাখনো আঁচনি লৈছো। তেখেতৰ তাত আমি ১৫ টা আঁচনি ইতিমধ্যে কাৰ্য্যকৰী কৰিছো। ২ টা এফ এম পিৰ ১১ টা এচ ডি আৰ এফৰ আৰু নাবাৰ্ডৰ ২ টা। গতিকে ইয়াৰে সৰহখিনি আঁচনি ইতিমধ্যে ৰূপায়ণ হৈছে। মোৰ হাতত নামো আছে। ইয়াৰ ওপৰিও আমি আৰু কেইটামান আঁচনি আমি চি ডব্লিউ চিৰ ৰূপায়ণৰ কাৰণে দিম। ৩ টা আঁচনি তেখেতৰ সমষ্টিৰ পৰে বাকী দুটা আমাৰ ৰিহন দৈমাৰী ডাঙৰীয়াৰ সমষ্টিৰ ওচৰা ওচৰি হৈছে। গতিকে এইখিনি ডাঙৰ ডাঙৰ আঁচনি আমি দিছে আৰু ইতিমধ্যে ধুবুৰী জিলাৰ যিখিনি কথা কৈছে, তাৰ যিখন গঙ্গাধৰ নদী আজি যোৱা বছৰ নহয় আগৰ বছৰ এইখন নদীৰ কাৰনে যিটো ভঙা ৰাস্তাৰ কথা কৈছে - এই ৰাস্তাটো ভঙাৰ কাৰণে এতিয়া বাংলাদেশ সীমাটো অলপ উন্মুক্ত হৈ আছে। তাৰ পিছত যিটো বিন্নাচৰাৰ কথা কৈছে- এই ক্ষেত্ৰত এই ৰাস্তাটো গড়কাপ্তানী বিভাগৰ। এই ৰাস্তাটোৰ ক্ষেত্ৰত আমি বিত্ত বিভাগ আৰু গড়কাপ্তানী বিভাগৰ লগত আলোচনা কৰিছো। এনেকুৱা dispute কেইবা ঠাইতো আছে। ৰাস্তালৈকে খহিছে, এতিয়া ৰাস্তাটো নিশ্চয় গড়কাপ্তানী বিভাগে বনাব লাগিব। protection ৰ কামটো আমিয়ে কৰিম নে ৰাস্তা বনাওতে গড়কাপ্তানি বিভাগে একেলগে বনাব, এনেধৰণৰ কথা হয়। গতিকে এই কথাটো গড়কা প্তানি বিভাগৰ মন্ত্ৰীক আমি কৈছো। গতিকে এই ক্ষেত্ৰত হোৱা সিদ্ধান্তমৰ্মে আমি দায়িত্ব ল'বলৈ প্ৰস্তুত আছো। যদি protection ৰ কামটো আমি কৰিব লাগে তেন্তে গড়কা প্তানি বিভাগে ৰাস্তাটো বনাব সেইটোতো আমি প্ৰস্তুত আছো। গতিকে এই কথাটো গড়কাপ্তানী আৰু বিত্ত বিভাগৰ মন্ত্ৰীক আমি কৈছো। গতিকে কোনটো কথাত কেনেকৈ সিদ্ধান্ত লয় সেই মতে আমি দায়িত্ব লবলৈ প্ৰস্তুত আছো। যদি Protection ৰ কামটো আমি কৰি দিব লাগে, ৰাস্তাটো তেওঁলোকে বনাব, সেইটোতো আমি প্ৰস্তুত আছো। গতিকে এইখিনি কথা তেখেতে কৈছে। ইয়াৰোপৰি তেখেতে খালিমাৰীত এটা নতুন মথাউৰিৰ প্ৰয়োজনৰ কথা কৈছে, এই ক্ষেত্ৰত আমি চেষ্টা কৰিম, কিন্তু গংগাধৰৰ যিটো সীমান্ত অঞ্চলৰ বিষয় সেই কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ক আমাৰ পৰা দিছিলে। যিহেতু সীমান্ত বাংলাদেশ তাৰ পৰা এতিয়ালৈকে সদুত্তৰ অহা নাই। এই ক্ষেত্ৰত মই হাটশিঙিমাৰি আৰু ধুবুৰী অঞ্চললৈ অতি সোনকালে যাম, অধিবেশনৰ কাৰণে যাব পৰা নাছিলো। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াও হাটশিঙিমাৰীলৈ গৈছে আৰু আমাৰ মাননীয় যোগান মন্ত্ৰী ডাঙৰীয়াও ধুবুৰীৰ ফালে গৈ আহিছে। ময়ো অধিবেশনৰ পাচতেই ধুবুৰী অঞ্চললৈ যাম। ইয়াৰ লগতে মই এটা কথা কব বিচাৰিছো যে আমাৰ মাজবাট সমষ্টিৰ মাননীয় বিধায়ক ডাঙৰীয়াই Food & Civil Supply সম্পৰ্কত এটা কথা ডাঙি ধৰিছিল আৰু এই সম্পৰ্কত Food & Civil Supply মন্ত্ৰী ডাঙৰীয়াই এটা উত্তৰ মোৰ লগতে দি দিব কৈছিল। গতিকে মই কব বিচাৰিছো যে - তেখেত সকলৰ যিখিনি কাৰ্ডৰ টকা, আপোনালোকে জানে যে - 84.17% আমি ইয়াৰ চাউল পাওঁ, আৰু সেইখিনিৰ ভিতৰতে ইফাল সিফাল হয়। কাৰ্ডটো কাটি দিয়া আৰু নতুনক দিয়াৰ ক্ষেত্ৰত এটা Specified Proceedure আছে। যদি দুখীয়া মানুহ আৰ্থিক ভাৱে সবল হৈ যায় তেতিয়া তেওঁৰ কাৰ্ড খন আনিব পৰা যায় আৰু এনেকুৱা কিছু কাৰ্ড সংগ্ৰহ কৰা আছে। মাননীয় মন্ত্ৰী ডাঙৰীয়াই এই সম্পৰ্কে জানিব পাৰি উপায়ুক্ত ডাঙৰীয়াক নিৰ্দেশ দিছে যে আপোনাৰ সমষ্টিত যিখিনি চাহ জনজাতি সম্প্ৰদায়ৰ লোক আছে তেখেত সকলক আপোনালোকে প্ৰস্তুত কৰা তালিকা অনুসৰি যাতে নতুন কাৰ্ড দিব পৰা যায়। গতিকে মই এইখিনি Food & Civil

Supply বিভাগৰ কথা কলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মন্ত্ৰী, আপুনি উত্তৰৰ কপি এটা আমাৰ বিধান সভাৰ অফিচলৈও পঠাই দিব, কাৰণ পিচত আলোচনা কৰাৰ সময়ত কপিটো দৰকাৰ হব। এতিয়া কাৰ্য্যসূচী নং ৪ "**স্থগিত সংকল্প প্ৰস্তাৱ**"। আমাৰ ছয়জন সন্মানীয় সদস্যই দাখিল কৰিছিল, তাৰে ইতিমধ্যে চাৰিজনে "সংকল্প প্ৰস্তাৱ"ত অংশগ্ৰহণ কৰিছে আৰু কেইজন মানে বক্তব্য ৰাখিবলৈ বাকী আছে। এতিয়া মই প্ৰথমতে হাফিজ বচিৰ আহমেদ ডাঙৰীয়া আৰু তাৰ পাচত জাকিৰ হুছেইন চিকদাৰক তেখেত সকলৰ বক্তব্য সদনত ৰাখিবলৈ অনুৰোধ কৰিলো। মই Signatory খিনিক কবলৈ দিয়াৰ মাজতেই দুই এজন অন্যান্য সদস্যকো কবলৈ সুবিধা দিম। এতিয়া হাফিজ বচিৰ আহমেদ।

**শ্ৰী হাফিজ বচিৰ আহমেদ (পশ্চিম বিলাসীপাৰা ঃ** মই প্ৰথমে মাননীয় অধ্যক্ষ মহোদয়ক "**Members Resolution**" শিতানত মোক বক্তব্য ৰাখিবলৈ দিয়াত মোৰ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

অধ্যক্ষ মহাশয়, বানপানী সমস্যাটো কেৱল অসমৰে নহয়, ই সমগ্ৰ দেশৰ বাবেই এটা উদ্বেগজনক ঘটনা যদিও বিশেষকৈ আমাৰ বৰাক আৰু ব্ৰহ্মপুত্ৰ উপত্যকাৰ বাবে স্পৰ্শকাতৰ বিষয় তাৰ লগে লগে গড়াখহনীয়াটো এটা অতি স্পৰ্শকাতৰ বিষয়। বানপানী হৈ মানুহে পানী শুকাই যোৱাৰ পাচত যদিও নিজা ঘৰলৈ ঘূৰি যোৱাৰ এটা অবকাশ থাকে, গড়াখহনীয়া হোৱাৰ পাচত কিন্তু মানুহ একেবাৰে সৰ্বহাৰা হৈ যায়। কাৰণ গড়াখহনীয়াৰ কবলত পৰা মানুহে পানী শুকাই যোৱাৰ পাচতো নিজা মাটি বুলি থিয় দিবলৈ ঠাই অকণমান নাপায়। আমি এই বিষয়টো আজি সদনত "সংকল্প প্ৰস্তাৱ" আকাৰে উপস্থাপন কৰিলো, কাৰণ ইয়াৰ আগতেওঁ আমি "সংকল্প প্ৰস্তাৱ" গ্ৰহণ কৰিছিলো আৰু কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰিছিলো, কিন্তু কেন্দ্ৰীয় চৰকাৰে আমাৰ প্ৰস্তাৱটো গ্ৰহণ নকৰিলে, বানপানী আৰু গড়াখহনীয়াৰ সমস্যাটো Natural Calamity হিচাপে ঘোষণাও নকৰিলে। সেইকাৰণে আমি এই সংকল্প প্ৰস্তাৱটো আজি পুনৰ দ্বিতীয় বাৰলৈ সদনৰ মজিয়াত উপস্থাপন কৰিব লগা হল।

অধ্যক্ষ মহাশয়, আপুনি জানে যে - সৰ্বভাৰতীয় হিচাপ মতে প্ৰায় 9.04% ভূখণ্ড Flood Pron Area ৰ অন্তৰ্গত আৰু অসমৰ প্ৰায় 40% ভূখণ্ড Flood Pron Area ত পৰে। অধ্যক্ষ মহাশয়, আমি এই বানপানী আৰু গড়াখহনীয়াৰ সমস্যাটো কিয় সংকল্প প্ৰস্তাৱ আকাৰে গ্ৰহণ কৰিব লাগে তাৰ যুক্তিযুক্ততাৰ ওপৰত মই সংক্ষিপ্ত ৰূপত অসমৰ ভৌগলিক বিশেষত্বৰ কিছু অংশ আপোনালোকৰ ওচৰত ডাঙি ধৰিব বিচাৰিছো। আমাৰ অসমত বিশেষকৈ দুখন নৈয়ে প্ৰভুত্ব বিস্তাৰ কৰি থাকে। সেই দুখন হল - ব্ৰহ্মপুত্ৰ নদী আৰু বৰাক নদী। এই নদী দুখনৰ ওপৰত ভিত্তি কৰিয়েই আমি ব্ৰহ্মপুত্ৰ উপত্যকা আৰু বৰাক উপত্যকা হিচাপে অসম খনক চিহ্নিত কৰিছো।

সমগ্ৰ অসমৰ ভৌগোলিক পৰিসীমা হল - 78,438 Sq. Km.
ব্ৰহ্মপুত্ৰ উপত্যকাৰ ভৌগোলিক পৰিসীমা হল - 56,194 Sq. Km. আৰু
বৰাক উপত্যকাৰ ভৌগোলিক পৰিসীমা হল - 6,922 Sq. Km. আমাৰ অসমৰে অন্তৰ্গত যি দুখন পাৰ্বত্য জিলা আছে তাৰ মাটি কালি হল - 15,322 Sq. Km.
আমাৰ ব্ৰহ্মপুত্ৰ নৈৰ ভাৰতৰ বাহিৰত অৰ্থাৎ তিব্বত অঞ্চলৰ Catchment Area হল - 2,93,000 Sq. Km. ভাৰত আৰু ভূটানৰ মাটি কালিৰ পৰিমাণ হল - 2,45,000 Sq. Km. বাংলাদেশৰ ভিতৰত এই নৈ খনৰ Catchment Area হল - 47,000 Sq. Km.

বৰাক উপত্যকাৰ এই Catchment Area হল - 41,157 Sq. Km.
অসমৰ যি ভৌগোলিক পৰিসীমা মণিপুৰ, মিজোৰাম, মেঘালয়, নাগালেণ্ড আৰু ত্ৰিপুৰাৰ অধিকাংশ অঞ্চল পাহাৰীয়া অঞ্চলে আবৰি আছে। আনহাতে বৰাক উপত্যকাত হোৱা বৃষ্টিপাতৰ ফলত তাৰ উপনৈ সমুহ যেনে - কাটাখাল, জিৰি, চিৰি, মাধুৰা, লংগাই, চুনাই, ৰূপসী আৰু চিংলা আদি উপচি উঠি তাৰ পানী আহি বৰাক বহু অঞ্চল প্লাবিতা কৰাৰ লগতে তাৰ জনজীৱন দুৰ্বিসহ কৰা দেখা যায়।

অধ্যক্ষ মহাশয়, National Flood Commission এ Natural Flood Calamity ৰ ওপৰত যি Assessment কৰিছে vulnerable flood condition in Assam

৩৩৫.১৬ লাখ হেক্টৰ for entire India.অসমৰ vulnerable এৰিয়া হিচাপে ৩১.৬০ লাখ হেক্টৰ এৰিয়া। গোটেই national vulnerable area হ'ল ৩৩৫.১৬ লাখ হেক্টৰ এৰিয়া। গোটেই ভাৰতত 9.4% of total flood prone area of the country, but 40% area of state in flood prone area of Assam. গোটেই ভাৰতত মুঠ flood hazard atlas of Assam ISRO য়ে যিটো publish কৰিছে ২০১১ চনত। 40% ৰ পৰা 50% area of the district Dhemaji, Jorhat, Nalbari, Nagaon & Sibsagar। 50% ৰ পৰা 60% flood prone area হ'ল Lakhimpur, Barpeta, Darrang, Morigaon in addition to the flood the state has lost approximate 4.27 lakh hactor's of this land area which is 7.4 % of the entire land of the state. এতিয়ালৈকে গৰাখহনীয়াত মুঠ যি ভূমি আছে অসমৰ তাৰে 7.4% ভূমি এতিয়ালৈকে ক'বলৈ গ'লে কামৰূপ ৰুৰেলৰ নিচিনা এখন সমপৰিমাণ জিলাতআজিৰ দিনলৈকে গৰাখহনীয়াত বিলীন হৈ গৈছে। ইয়াৰ যি উপনৈ সমূহ আছে, সেই উপনৈসমূহে যি ক্ষতি কৰে তাৰ লগতে আৰু চেনেল মাইগ্ৰেচন হৈ পেলাই নতুন নতুন খহনীয়াৰ সৃষ্টি কৰিছে। এজনে কৈছে যে the Brahmaputra has not band. ব্ৰহ্মপুত্ৰৰ কোনো পাৰ নাই, কোন বছৰ কোন ফালে ইয়াৰ গতি লব, সেই সম্পৰ্কে কোনেও সঠিক ভাৱে কব নোৱাৰে।

Water Resouce Department of Assam মতে the everage annual rate of erosion is 80 thousand hactor. এইটো Water Resouce Department ৰ তথ্য তেওঁলোকে দিলে। Erosion has wide our more than 2500 villages effecting 5 lakhs people . এইটো মাননীয় অধ্যক্ষ মহোদয়, ২০১৬ চনৰ তথ্য। এইবাৰৰ বানপানীৰ তথ্য তেওঁলোকে দিছে - ২৪ জুলাই, ২০১৯ চনলৈকে। চাৰ্কোল হিচাপে effected হৈছে ৭৩ নং। village effected হৈছে ২৯৩৩। কৃষি খণ্ড effected হৈছে ১,৪৩,৭৩৪.১২ হেক্টৰ। Population effected হৈছে not more than 60 lakhs. relief camp প্ৰতিষ্ঠা কৰা হৈছে ৯৩৩। মাননীয় অধ্যক্ষ মহোদয়, যেতিয়া গৰাখহনীয়া হয় বা বানপানীত যিবিলাকে সৰ্বহাৰা হয়, তাৰ সন্মুখত কেইবাটাও সমস্যাও আহি পৰে। এটা হ'ল River erosion people lost their land resouces forever. তেওঁলোকে নিজৰ সৰ্বস্ব হেৰাই পেলাই। দ্বিতীয়তে হ'ল challenges on the state for that resettlement of the displace person. তেওঁলোকৰ সন্মুখত পুনৰ সংস্থাপনৰ এটা ডাঙৰ প্ৰশ্ন আহি যায়। আজি Certificate to the internali displace person. আৰু তাৰ পিছত

অসমৰ আটাইতকৈ জলন্ত সমস্যা যিটো আছে যে Foreigners। আজি Foreigners issue ৰ অন্যান্য যিমান তাৰ কাৰণ বিলাকৰ ভিতৰতো এইটো এটা কাৰণ যে তেওঁলোকে গৰাখহনীয়াৰ দ্বাৰা displace হৈ নতুন নতুন ঠাইত তেওঁলোকে বাসস্থান বনায় আৰু তেওঁলোককে সন্দেহ যুক্ত হিচাপে চিহ্নত কৰা হয়। সেই কাৰণে এই গোটেই বিষয়টোৰ যদি এটা সমধান বিচাৰো আমি নদীৰ গতি যে আছে, we can not change the zeography of the place, we can not stop the Brahmaputra, we can not stop the rain, but definitely changes style of the architecture. নৈৰ গতি আমি minimize কৰিব পাৰো। কিন্তু নৈ গতি বা তাৰ যিটো পানীৰ ধাৰা সম্পূৰ্ণকৈ গতি বন্ধ কৰিব নোৱাৰো। কিন্তু অসমৰ এই ব্ৰহ্মপুত্ৰ আৰু বৰাক ভেলি উপত্যকাত যিখিনি flood prone আৰু বছৰে বছৰে যি recurring erosion হৈ আছে, ইয়াৰ পৰা যদি আমি বাছিব বিচাৰো তাৰ কাৰণে এটা High Technique ৰ সহায় লৈ কিবা এটা পন্থা ল'ব লাগিব। কিন্তু দেশ স্বাধীন হোৱাৰ পিছৰে পৰাই এতিয়ালৈকে আমি যিখিনি দেখিছো এই চৰকাৰে বিভিন্ন ধৰণ পদক্ষেপ লৈছে। কিন্তু সমস্যা কমি অহা নাই, বৰং বৃদ্ধি হৈছে। আজি বান গৰাখহনীয়াৰ প্ৰতিৰোধৰ কাৰণে চৰকাৰৰ তথ্য হিচাপে IMC,FMD, RIDF,NEC, NHP, ADB,SOPD, CMPD এই ধৰণৰ আঁঠ ন টা হেডত কোটি কোটি টকা খৰছ কৰা হৈ আছে। কিন্তু আমি ইয়াৰ সমধান পোৱা নাই। যোৱা নতুন চৰকাৰ অহা পিছত আমি খুব ভাল পাইছিলো যি ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে Express Highway বনোৱা হব। ইয়াৰ কাৰণে **১শ** কোটি টকা priliminary survey ৰ কাৰণে নিৰ্ধাৰণও কৰা হৈছিল। কিন্তু পৰবৰ্তী যোৱা দুটা বাজেট আৰু যোৱা কালিও বাজেটৰ ওপৰত ইয়াৰ পৰিণাম শুনোৱা হ'ল। কিন্তু অসমৰ সাংঘাটিক ধৰণৰ এটা সমস্যা, স্পৰ্যকাতৰ যি বিষয়, এই বিষয়টোত চৰকাৰে যি প্ৰতিস্তুতি দিছিল যে ইয়াত ুয়োপাৰে Express Highway বনোৱা হব। সেই সম্পৰ্কে কোনো ধৰণৰ তথ্য ইয়াত আমি শুনিবলৈ নাপালো। আমি প্ৰস্তাৱটো এই কাৰণে আনিছো যিহেতু ব্ৰহ্মপুত্ৰ আৰু বৰাকৰ নিচিনা আৰু ইয়াত যি উপনদী সমূহ আছে, ইয়াক প্ৰতিৰোধ সমূলে নিৰ্মুল কৰা সম্ভৱ নহলেও, এটা বৈজ্ঞানিক পদ্ধিতত ইয়াক প্ৰতিৰোধ কৰাৰ কাৰণে আমি ব্যৱস্থাপনা লোৱাৰ প্ৰয়োজন আছে, সেই ব্যৱস্থাপনাৰ লগত জড়িত যিখিনি খৰছ আছে, সেইখিনি অসমে কৰিব নোৱাৰে।

মাননীয় অধ্যক্ষ মহোদয়, আজিৰ বাতৰি কাকত দেখিছো যে কেন্দ্ৰীয় চৰকাৰে নদী বান্ধৰ দায়িত্ব লব। কিন্তু বান গৰাখহনীয়াৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে নলয়, এইটো ৰাজ্য চৰকাৰৰ ওপৰত দিছে। কিন্তু আজিলৈকে ইয়াত **১২৬** জন বিধায়ক আছে সকলোৰে সমষ্টিত পাহাৰীয়া অঞ্চলৰ বাদে কম বেছি পৰিমানে গৰাখহনীয়াৰ সমস্যা আছে। এই গৰাখহনীয়াৰ সমস্যা কিন্তু বিচ্চিন্ন ভাৱে বিভিন্ন ঠাইত কৰা হৈ আছে যদিও কিন্তু ইয়াৰ স্থায়ী সমধান পোৱা নাই। কৰবাত যদি অলপ মান ভাঙিছে তাত প্ৰতিৰোধৰ ব্যৱস্থা কৰিছে, কিন্তু বেলেগ ঠাইত আকৌ নতুনকৈ খহনীয়াৰ সৃষ্টি হৈছে। নতুন এটা project কৰাৰ পিছত ৰাষ্টা বনাইছে, নতুন ঠাইত বানে প্লাবিত কৰিছে। সেই সামগ্ৰীক ভাৱে master plan তৈয়াৰ কৰি ইয়াক কৰাৰ কাৰণে যিখিনি অৰ্থৰ দৰকাৰ, সেইখিনি কেন্দ্ৰীয় চৰকাৰে যোগান ধৰিব লাগিব। আমাৰ যি resource আছে, সেইখিনি যদি চৰকাৰে জাতীয়কৰণ কৰিব পাৰে। গতিকে আমাৰ সমস্যাখিনি তেওঁলোকে জাতীয়কৰণ কৰি লব নোৱাৰে। আমি এই দাবীটো উথাপন কৰিছো লগতে আমি আশা ৰাখিছো এই প্ৰস্তাৱটো সৰ্বসন্মতিক্ৰমে ইয়াত গৃহিত হ'ব আৰু আমি যাতে কেন্দ্ৰীয় চৰকাৰৰ ফালৰ অসমৰ যি এই জলন্ত সমস্যা, এই সমস্যা সমধানৰ এটা সহাৰি পাওঁ আৰু ইয়াক যাতে national calamity হিচাপে

গ্ৰহণ কৰি লয় আৰু আপোনাৰ এই ক্ষেত্ৰত সহযোগিতা বিচাৰি মোৰ চমু বক্তব্য ইয়াতে সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ**- ধন্যবাদ, এতিয়া জাকিৰ হুছেইন সিকদাৰ, সময়টো অলপ চাব আৰু দুজন আছে।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (সৰুক্ষেত্ৰী)** ঃ- মাননীয় অধ্যক্ষ মহোদয়, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনাৰ নিয়মাৱলীৰ ১১৫ নং নিয়মৰ অধীনত অসমৰ বানপানী আৰু গড়াখহনীয়াৰ সমস্যা ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰা হওঁক। এই প্ৰস্তাৱটো সৰ্বসন্মতভাৱে গৃহীত কৰি কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিব লাগে। সেই সংকল্প প্ৰস্তাৱ আমি আনিছিলো সেই প্ৰস্তাৱটো আপুনি গৃহীত কৰাৰ বাবে প্ৰথমে আপোনাক আমি ধন্যবাদ জ্ঞাপন কৰিছো। ইতিমধ্যে প্ৰস্তাৱৰ ওপৰত অসম বিধান সভাৰ কেইবাজনো মাননীয় সদস্যই সকলোৰে বক্তব্য ইয়াতে ৰাখিছে, অলপ আগতে সন্মানীয় সদস্য হাফিজ বছিৰ আহমেদ ডাঙৰীয়াই যিখিনি কথা উল্লেখ কৰিছে, তেওঁৰ প্ৰতিটো কথাতে মই সমৰ্থন জনাই সেই কথাখিনিও মোৰ কথা হিচাবে কৈ তেওঁ কোৱা কথাখিনি আৰু মই পুনৰাই নকৈ কিছু বেলেগ কথাৰ মাজত যায় মোৰ কথাখিনি শেষ কৰিব বিচাৰিছো। অধ্যক্ষ ডাঙৰীয়া, ভাৰতত প্ৰতি বছৰে প্ৰায় ৩৩ হাজাৰ ৫শ ১৬ লাখ হেক্টৰ মাটি বানৰ কৱলত পৰে, আৰু ইয়াৰে প্ৰায় অসমৰ ৩ হাজাৰ ১শ ৪ লাখ হেক্টৰ মাটি । সেই হিচাপে যদি আমি যাওঁ শতকৰা ৯.৪১৬ শতাংশ মাটি অসমত হয়। ইতিমধ্যে আমাৰ হাফিজ বছিৰ আহমেদ ডাঙৰীয়াই কৈ গৈছে ৪০ শতাংশ মাটি অসমত বানৰ কৱলত পৰিছে। আমি গড়াখহনীয়াৰ পৰা যদি লক্ষ্য কৰো, অসমত প্ৰতি বছৰে গড়ে ৮ হাজাৰ হেক্টৰ স্থলভূমি খহনীয়াত জাহ গৈছে। যদি আমি বিগত বছৰ বিলাকত সকলো যদি গড়ে হিচাপ কৰো তেনেহ'লে অসমৰ মুঠ মাটি ৭শতাংশ ইতিমধ্যে নিঃচিহ্ন হৈ গৈছে। অসমৰ মুঠ মাটিকালি ৭৮ হাজাৰ ৪শ ৩৮ স্কুৱেৰ কিঃ মিঃ ৰ পৰা। বিধান সভালৈ প্ৰথমবাৰৰ কাৰণে নিৰ্বাচিত হৈ আহিছো আৰু নিৰ্বাচিত হোৱাৰ পিছত অসমৰ বানপানীৰ গড়াখহনীয়াৰ ৰাষ্ট্ৰীয় সমস্যা হিচাপে ল'ব লাগে বুলি প্ৰথম প্ৰস্তাৱ ইয়াতে উত্থাপন হৈছে। ১৯৫০ চনৰ বৰ ভূঁইকপৰ পিছত অসমত বানপানী আৰু গড়াখহনীয়াই যি কালৰূপ ধাৰণ কৰিব পাৰে,সেই কথা আমি সকলোৱে অৱগত। আমি সকলোৱেই বানপানী কাক কয় ,গড়াখহনীয়া কাক কয় বানপানীৰ পিছত কি অৱস্থা হয়, বানপানীয়ে আমাৰ অসমৰ মানুহৰ ঘৰ- মাটি, সা- সম্পত্তি, জীৱনলৈ কেনেকুৱা অৱস্থা কৰিব পাৰে সেই বিষয়ে অধ্যক্ষ ডাঙৰীয়া, আমি সকলোৱে জ্ঞাত। সেই বিষয়ে মই আৰু বহলাই ক'ব নিবিচাৰো। কিন্তু এটা কথা আমি সকলোৱে জ্ঞাত যে এইবাৰ আমি বৰ্তমানো বানৰ কৱলত আছো। বানপানীৰ হোৱাৰ লগে লগে চৰকাৰে, যিকোনো চৰকাৰে বিভিন্নধৰণৰ সহায় সাহাৰ্য্য কৰে। কিছুমানে কোনে কিমান পায় , বিভিন্ন ধৰণৰ সাহাৰ্য্য, চাউল, দালি আটা, বিভিন্ন ধৰণে দিয়ে। সেইবিলাক কেতিয়াবা কেতিয়াবা পোৱা নোপোৱা ৰ বিভিন্ন ধৰণে যিমান পাব লাগে, যিমান দিব লাগে, সেইখিনি নিদিয়াৰ কিছুমান অভিযোগ হয়, মই সেই কথাবিলাক অধ্যক্ষ ডাঙৰীয়া আজি এই প্ৰস্তাৱত উল্লেখ কৰিব নিবিচাৰো। কিন্তু এটা কথা কব বিচাৰো অধ্যক্ষ ডাঙৰীয়া, বানপানী আৰু গড়াখহনীয়াই জমিদাৰকো ভিক্ষাৰী বনাই দিয়ে, সেই কথাবিলাক আমাৰ চকুৰ সন্মুখতে আমি দেখা পাইছো যিহেতু মই জন্মগ্ৰহণ কৰা অঞ্চল, গাওঁখন বানপানীৰ কৱলত পৰে বছৰত প্ৰায় তিনি, চাৰিবাৰ পৰে আৰু সমগ্ৰ অসমত সেই বানপানীৰ ভয়াবহতাৰ প্ৰতি লক্ষ্য ৰাখি ইতিমধ্যে চৰকাৰখনে এইবাৰৰ বানপানীৰ ক্ষেত্ৰত কিমানখিনি কৰিব পাৰিছে, সেইটো কওক, পৰা নাই সেই বিলাকৰ ওপৰত মই ক'ব নিবিচাৰো। কিন্তু অধ্যক্ষ ডাঙৰীয়া যে বানপানী প্ৰত্যেক বছৰে

আহে, বানপানী অহাৰ লগে লগে চৰকাৰৰ আৰু বিভিন্ন বিভাগে দায়িত্ব আৰু কৰ্তব্য পালন কৰে, কৰ্তব্য আৰু দায়িত্ব পালন কৰিবলৈ গৈ বান পানীত যিমান ক্ষতি হয়, সেই ক্ষতিপূৰণ কোনো এখন চৰকাৰে দিব নোৱাৰে। আজি মই বিৰোধীৰ আসনত থাকিলেও, মই চৰকাৰখনক যিমানেই সমালোচনা কৰো, কোনো চৰকাৰে কিন্তু কেতিয়াও দিব নোৱাৰে । অধ্যক্ষ ডাঙৰীয়া, অসমত যদি আমি গড়ে হিচাপ কৰো, বানপানী আৰু গড়খহনীয়াৰ ফলত বছৰি ১২৮ কোটি টকাৰ সম্পত্তি বিনষ্ট হয়। গতিকে এই বিলাকৰ ওপৰত যদি আমি লক্ষ্য ৰাখো, প্ৰত্যেকটো বছৰ মানুহে নিজৰ ঘৰ দুৱাৰ, সম্পত্তি, অসম চৰকাৰে বিভিন্ন বিভাগৰ যোগেদি, বিভিন্ন কাম-কাজবোৰ কৰে কিন্তু বছৰত এবাৰেই বানে সকলো ধোঁৱাই লৈ যায়। সকলো সম্পত্তিক বিনষ্ট কৰে, পিছৰ বছৰ যিমান নতুন কাম কৰিব লগা হয়, চৰকাৰখনে নতুন কাম কৰিব নোৱাৰে। আকৌ সেইবোৰ মেৰামতি কৰিব লগা হয়। পৰ্য্যাপ্ত পৰিমানে মেৰামতি কৰিব নোৱাৰাৰ কাৰণে বহুত বিলাক অঞ্চলৰ মানুহে বিভিন্ন ক্ষেত্ৰত দুৰ্য্যোগ ভূগিব লগা হয়। আমি এই সমস্যাক যদি স্থায়ী সমাধানৰ কাৰনে আগবাঢ়ি নাযাওঁ অসমত প্ৰত্যেক বছৰে বানপানী আহিব। চৰকাৰে কিছু কিছু সাহাৰ্য্য দিব, কিছু মেৰামতি কৰিব, এনেকৈ আমি আগবাঢ়ি গৈ থাকিম। যিটো কথা আমাৰ মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াই সততে কৈ থাকে, ৰাজ্য চৰকাৰখনে ভাৰতবৰ্ষখনৰ ভিতৰত ১০ খন উন্নত ৰাজ্যৰ ভিতৰত আমি প্ৰতিষ্ঠিত কৰিম, যদি বানপানী আৰু গড়াখহনীয়াত আমি বিজ্ঞান সন্মতভাৱে অধ্যয়ন কৰি ইয়াক যদি আমি ৰোধ কৰিব নোৱাৰো, তেনেহ'লে ৰাজ্য চৰকাৰখনৰ সেই সপোন কেতিয়াও বাস্তৱত পৰিণত ন'হব। অধ্যক্ষ ডাঙৰীয়া, আমি ইয়াৰ আগতেও অসম বিধান সভাৰ পৰা কেন্দ্ৰীয় চৰকাৰক এই চৰকাৰ বা পূৰ্বৰ চৰকাৰ মই সকলোকে কৈছো, বাৰম্বাৰ এই ক্ষেত্ৰত কৰাৰ পাছত কেন্দ্ৰীয় চৰকাৰৰ পৰা কিন্তু কোনোধৰণৰ সেউজ সংকেট লাভ কৰা হোৱা নাছিল। অধ্যক্ষ ডাঙৰীয়া, দশম বিত্তীয় আয়োগে এটা প্ৰস্তাৱ হিচাপে, তেওঁলোকে ঘোষণা কৰিছিল, যদি কোনো দুৰ্য্যোগে ৰাজ্যখনৰ একতৃতীয়াংশ জন-গণক প্ৰভাৱিত কৰে, তেনেহ'লে তাক আমি বিৰল উগ্ৰ প্ৰকৃতিৰ ৰাষ্ট্ৰীয় দুৰ্য্যোগ হিচাপে আমি ঘোষণা কৰিম। কিন্তু তাৰ ওপৰত ভিত্তি কৰি ২০১৩ চনত উত্তৰাখণ্ডত যি ভয়াবহ বানপানী হৈছিল, আইন সকলোৱে জানো তাত কেন্দ্ৰীয় চৰকাৰে সহায় সাহাৰ্য্য কৰিছিল। 1999 চনত উৰিষ্যাত যি ঘূৰ্ণী বতাহ হৈছিল, তাত তেওঁলোকে ৰাষ্ট্ৰীয় সমস্যাৰ অধীনত আনি তেওঁলোকে বিভিন্ন ধৰনৰ সহায় সহযোগিতা কৰিছিল। ২০০১ চনৰ গুজৰাটৰ ভূমিকম্পক তেওঁলোকে উগ্ৰ নজীৰবিহীন দুৰ্য্যোগ হিচাপে গ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰে তাত দায়িত্ব পালন কৰিছিল। কিন্তু এতিয়া মোৰ প্ৰশ্নটো হৈছে, যিহেতু আমাৰ অসমত ৪০ শতাংশ মাটি আৰু অসমত এতিয়া ৩০ খন জিলা বান পানীৰ কৱলত পৰিছে, প্ৰত্যেক বছৰে পৰে। তাৰ পাছতো কিন্তু কেন্দ্ৰীয় চৰকাৰে কোনো ধৰণৰ আমাক উপযুক্ত ভাৱে সহায় সহযোগিতা আগবঢ়োৱা দেখা পোৱা নাযায়। অধ্যক্ষ ডাঙৰীয়া, এটা কথা মই সদনত মনত কৰি দিব বিচাৰিছো। ২০১৪ চনৰ লোক সভাৰ নিৰ্বাচনৰ পূৰ্বে বি জে পি দলে বাতৰি কাকতৰ জৰিয়তে ৭ এপ্ৰিলত বিজ্ঞাপন প্ৰকাশ কৰিছিল আৰু বিজেপি দলে প্ৰতিশ্ৰুতি দিছিল, অসমৰ বান আৰু গৰাখহনীয়া সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে তেওঁলোকে নিশ্চিতভাৱে ঘোষণা কৰিব। এই ঘোষণা কৰাৰ পাছতেই বাতৰি কাকতত প্ৰচাৰ কৰাৰ পাছতেই প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়া প্ৰধান মন্ত্ৰী হ'ল। এটা কাৰ্য্যকাল পাৰ হ'ল, দ্বিতীয় কাৰ্য্যকালৰ কাৰণে আকৌ প্ৰধান মন্ত্ৰী হৈছে। এই কথাখিনি অধ্যক্ষ ডাঙৰীয়া, আপোনাৰ জৰিয়তে, আমাৰ চৰকাৰত থকা মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়া আৰু বিভাগীয় মন্ত্ৰী সকলক দৃষ্টি আৰ্কষণ কৰিছো। সময়ৰ প্ৰতি লক্ষ্য ৰাখি ইয়াত মই গোটেইখিনি কথা নকওঁ কিন্তু বিগত ২০১৪-১৫ বৰ্ষত আৰু ২০১৫-১৬

আৰু এনেকৈ যদি আমি চাওঁ ২০১৬-১৭ এই বর্ষ বিলাকত আমি অসম ৰাজ্যই যি SDRF ৰ আৰু NDRFৰ যি ধন পাব লাগে, সেই ধনখিনিও কিন্তু কেন্দ্ৰই পৰ্য্যাপ্ত পৰিমানে আমাক দিয়া নাই। আমাক ২৫০ কোটি যদি মোকলাই দিছে, আমাৰ প্ৰাপ্ত ধন অৰ্থাৎ অসমে আৰু পাব লগা বহুত ধন আছে। সেই বিলাকৰ মাজলৈ গলে হয়তো বিতৰ্ক হ'ব পাৰে, মই সেই বিতৰ্কৰ মাজলৈ যাব নিবিচাৰো। মই আপোনাৰ জৰিয়তে এটা কথা ক'ব বিচাৰো যে বিভিন্ন সময়ত আমি এই বানপানী আৰু ৰাষ্ট্ৰীয় গৰাখহনীয়া সমস্যাক লৈ বিভিন্ন কথা কওঁ। ইয়াক আমি কেনেকৈ ৰোধ কৰিম ? ইয়াক আমি ৰোধ কৰিব পাৰিমনে নাই ? এই বিষয়ে যদি আমি কবলৈ যাওঁ অধ্যক্ষ ডাঙৰীয়া, আপোনাক মই আমাৰ জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়া আমাৰ মাজত আছে। তেখেতে এটা কথা উল্লেখ কৰিছিল, তেখেতৰ লগত মই একমত যে নদীৰ বালিসমূহ যদি ফৰেষ্টৰ হয় সেই নদীৰ বালি খনন কৰাৰ পাছত তাক আহৰণ কৰাৰ পাছত কিমান ক্ষয়- ক্ষতি হ'ব তাৰ দায়িত্ব কিন্তু ফৰেষ্ট বিভাগে ল'ব লাগে। কিন্তু ফৰেষ্ট বিভাগে সেই ক্ষেত্ৰত দায়িত্ব লোৱা দেখা নাযায়। গতিকে আমাৰ জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই যদি প্ৰস্তাৱ কৰিছে তাত মই সমৰ্থন জনাইছো যে, নদীৰ বালিৰ সম্পত্তিৰ গৰাকী যি বিভাগ হ'ব লাগে, তেওঁলোকে তাৰ ক্ষয়-ক্ষতিৰো দায়িত্ব ল'ব লাগে। যদি দায়িত্ব নলয়, জলসম্পদ বিভাগৰ অধীনত নদীৰ যি বালি বা সম্পদ আছে, জলসম্পদ বিভাগৰ অধীনত আনি দিব লাগে অধ্যক্ষ ডাঙৰীয়া। মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিত গৰাখহনীয়া ৰোধৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ে ২ কোটি টকা দিছিল আৰু তাৰ বাবে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। ২ কোটি টকাৰ জিঅ' বেগৰ কাম হ'ব ৩০৫ মিঃ। সেই ৩০৫ মিঃ কামত ১৩ জন ঠিকাদাৰক ঠিকা দিয়া হৈছিল। ১৩ জন ঠিকাদাৰে যদি ৩০৫ মিঃ কাম কৰে তেন্তে তেওঁলোকক বহুত ভাগ ভাগ কৰি দিব লাগিব আৰু কামবোৰো ১৩ প্ৰকাৰৰ অৰ্থাৎ বেলেগ বেলেগ ধৰণৰ হ'ব। মই এইটো এটা উদাহৰণহে দিছো। আমাৰ বিভাগৰো কিছুমান নীতি সলনি কৰিব লাগিব। বহু আগতে আঁচনি সমূহ আছিল আৰু সেই আঁচনিসমূহ এতিয়াও চলি আছে। জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক আপোনাৰ জৰিয়তে দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে জল সম্পদ বিভাগৰ কামবোৰ নামতহে ঠিকাদাৰক দিয়া হয় কিন্তু কামবিলাক বিভাগৰ অফিচাৰসকলেহে কৰে। মোৰ সমষ্টিত আজিলৈকে এজনো ঠিকাদাৰ গৈ পোৱা নাই। বিভাগৰ বিষয়াসকলে কামটোত যিমান টকা দৰকাৰ হ'ব সেই অনুযায়ী ঠিকাদাৰৰ পৰা টকা আনি ভাগ কৰে আৰু পৰৱৰ্তী সময়ত বিষয়াসকলে কামখিনি কৰে। ঠিকাদাৰ কেইজন নামমাত্ৰ থাকি যায় আৰু বিল হোৱাৰ পিছত অফিচাৰ আৰু ঠিকাদাৰসমূহে লগ লাগি একেলগে টকাবোৰ ভাগ কৰে। অৰ্থাৎ জলসম্পদ বিভাগৰ কোনো কোনো অফিচাৰে ঠিকাদাৰ হিচাপেহে কাৰ্যনিৰ্বাহ কৰি আছে। স্বাধীনতাৰ ৫০ বছৰ পিছতো বানপানী আৰু গৰাখহনীয়াক কেনেধৰণে ৰোধ কৰিম সেই বিষয়ে ভাৱি আমাৰ কেইবাটাও বিভাগ আৰু কেন্দ্ৰীয় চৰকাৰ আচৰিত হয়। মই বিধায়ক হোৱাৰ পিছত ৰাজ্যিক বিজেপি দলৰ সভাপতি শ্ৰী ৰঞ্জিত কুমাৰ দাস ডাঙৰীয়াৰ সৰভোগ সমষ্টিত কেন্দ্ৰীয় চৰকাৰৰ এটা প্ৰতিনিধি দলে বেঁকী নদী পৰ্যবেক্ষণ কৰিবলৈ আহিছিল। বেঁকী নদীৰ গতিবিধি অধ্যয়ন কৰাৰ বাবে আমি উপায়ুক্তৰ কাৰ্যালয়ত মিটিঙো কৰিছিলো। অসম চৰকাৰৰ জল সম্পদ বিভাগৰ এজন বিষয়াই তেতিয়া ক'লে যে, কেন্দ্ৰীয় চৰকাৰৰ পৰা যি প্ৰতিনিধি দল আহিছিল, সেই দলৰ লোকসকলে গৰাখহনীয়া কাক কয় বুজিয়েই নাপায়। অৰ্থাৎ আজিৰ দিনটোত আমাৰ জল সম্পদ বিভাগৰ ফালৰ পৰা ক'ৰবাত এনেকুৱা কিবা ভুল হৈ আছে নেকি যাৰ বাবে কেন্দ্ৰীয় চৰকাৰক বানপানী আৰু গৰাখহনীয়াৰ সংজ্ঞা আৰু তাৰ ভয়াবহতা বুজাব পৰা নাই? গতিকে এই বিষয়ে আমি সকলোৰে দৃষ্টি আকৰ্ষণ

কৰিব লাগিব। ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ ১৮২ খনৰো অধিক উপনৈ আছে, গতিকে, এই নদী দুখনৰ পানী কিদৰে সম্পদ হিচাপে ব্যৱহাৰ কৰিব পাৰো তাৰ বাবে আমি এতিয়াৰ পৰাই চিন্তা-চৰ্চা কৰিব লাগিব।

অধ্যক্ষ মহোদয়, কিছুদিন আগতে আমাৰ সন্মানীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী ডাঙৰীয়াৰ নেতৃত্বত এটা দল আমাৰ চুবুৰীয়া ৰাষ্ট্ৰ ম্যানমাৰলৈ গৈছিল। তেওঁলোকে তাত প্ৰত্যক্ষ কৰিছিল যে ম্যানমাৰত আমাৰ ব্ৰহ্মপুত্ৰৰ নিচিনাকৈ ইৰাৱতী নদী বৈ গৈছে। এসময়ত এই ইৰাৱতী নদীয়ে ধ্বংসলীলা চলাইছিল আৰু ই খুব খৰস্ৰোতা আছিল। কিন্তু এই নদীক ফ্ল'টিলা নামৰ এটা বৃহৎ আঁচনিৰ জৰিয়তে নিয়ন্ত্ৰণ কৰি ম্যানমাৰক প্ৰাণ চঞ্চল কৰি তুলিছিল। এনেদৰে, ইৰাৱতী নদীক আশীৰ্বাদলৈ পৰিণত কৰা হৈছিল। গতিকে অধ্যক্ষ মহোদয়, ম্যানমাৰে যদি কৰিব পাৰে তেন্তে ভাৰতবৰ্ষই কিয় কৰিব নোৱাৰে? আমি সকলোৱে জানো, চীনৰ ভয়ংকৰ নদীখন হ'ল হোৱাংহো নদী আৰু এই নদীখনক Huang He River Project ৰ দ্বাৰা নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হৈছে। ঠিক তেনেদৰে, আমেৰিকাত ১৯৩৩ চনত গঢ়ি উঠা Tennessee Valley Authority ৰ ফলত Tennessee নদীৰ ভয়াৱহতা বিজ্ঞান সন্মত ভাৱে অধ্যয়ন কৰি ইয়াৰ প্ৰলয়ংকাৰী বানক নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম হৈছে যাৰ ফলত Tennessee নদী আজি আমেৰিকাবাসীৰ বাবে আশীৰ্বাদ স্বৰূপ। ৬৫২ মাইল দীঘল Tennessee নদীত বছৰি ২৫ হাজাৰৰ পৰা ৩০ হাজাৰলৈ জাহাজ, নাও চলাচল কৰি ৪০ ৰ পৰা ৫০ মিলিয়ন টন সামগ্ৰী পৰিবহণ কৰাৰ ফলত ৪০০ ৰ পৰা ৫০০ মিলিয়ন ডলাৰ পৰিবহণ ব্যয় ৰাহি হৈছে। প্ৰায় ২৯ টা নদী বান্ধ, ৩ টা Nuclear Project, ১৫ টা সৌৰ শক্তি প্ৰকল্প আৰু এটা বায়ুশক্তি প্ৰকল্প স্থাপন কৰি প্ৰদূষণ মুক্ত, নৱীকৰণ যুক্ত শক্তি উৎপাদন কৰিবলৈ সক্ষম হৈছে। গতিকে জলসিঞ্চনৰ দ্বাৰাই উপত্যকাৰ প্ৰায় ৫০ লাখ বাসিন্দাক প্ৰতিদিনে খোৱা পানীৰ যোগান ধৰিবলৈ সক্ষম হৈছে। ইয়াৰোপৰি, পৰ্যটন আৰু মনোৰঞ্জনৰ ক্ষেত্ৰত এক অনন্য স্থল হিচাপেও গঢ়ি তুলিছে। গতিকে অধ্যক্ষ মহোদয়, অন্য দেশে যদি পাৰিছে তেন্তে ভাৰতবৰ্ষই কিয় নোৱাৰো? আমাৰ মাননীয় প্ৰধান মন্ত্ৰীয়ে কৈ থাকে যে পৃথিৱীৰ বুকুত ভাৰতবৰ্ষক শক্তিশালী ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠিত কৰিব। গতিকে শক্তিশালী ৰাষ্ট্ৰৰ লগত যদি আমি একেলগে ফেৰ মাৰি চলিব বিচাৰো তেন্তে তাৰ বাবে অসমৰ বৰাক- ব্ৰহ্মপুত্ৰ নদীৰ লগতে ইয়াৰ অন্যান্য উপনদী সমূহক বিজ্ঞান সন্মত ভাৱে বিশ্লেষণ কৰি বানপানীয়ে যাতে ক্ষতি কৰিব নোৱাৰে আৰু পানীক আমি অভিশাপ হিচাপে নহয়, আশীৰ্বাদ হিচাপে ল'ব পাৰো তাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। সেয়েহে, অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই চৰকাৰ তথা পৱিত্ৰ সদনক অনুৰোধ কৰিব বিচাৰিছো যাতে আপোনাৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰলৈ এটা প্ৰতিনিধি দল প্ৰেৰণ কৰে আৰু অসমৰ বানপানী, গৰাখহনীয়াৰ ফলত যি ভয়ানক পৰিস্থিতি সৃষ্টি হয়, তাৰ বুজ লৈ যাতে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰে। অলপ আগত, মাননীয় সদস্য হাফিজ বচিৰ আহমেদ ডাঙৰীয়াই কৈছে যে অসমৰ ডি-ভোটাৰ, বিদেশী সমস্যা সৃষ্টি হোৱাৰ মূল কাৰণেই হ'ল বানপানী আৰু গৰাখহনীয়া। গতিকে এনে ধৰণৰ সমস্যা যাতে পুনৰ সৃষ্টি নহয়, প্ৰতিবছৰে অহা বানপানীৰ ফলত অসমৰ ৰাইজৰ সপোনবোৰ যাতে চুৰমাৰ নহয়, ধনী মানুহ যাতে ভিক্ষাৰীলৈ পৰিণত নহয় তথা মানুহে যাতে ভালদৰে দুবেলা দুমুঠি খাই থাকিব পাৰে তাৰ প্ৰতি পদক্ষেপ গ্ৰহণ কৰিব লাগে। আমি জানো যে, অসমত বেছিভাগ লোক দৰিদ্ৰ সীমা ৰেখাৰ তলত বসবাস কৰে। গোটেই বছৰটো কষ্ট কৰাৰ পিছত তেওঁলোকে সৰুকৈ এটা ঘৰ সাজি উলিয়াই খেতি-বাতি, মৎস্য পালন বা বিভিন্ন ধৰণে দিন হাজিৰা কৰি জীৱিকা নিৰ্বাহ কৰে। কিন্তু,

যেতিয়া বানপানীয়ে মানুহখিনিৰ সকলো বিনষ্ট কৰে, তেতিয়া তেওঁলোকৰ কেনে ধৰণৰ অৱস্থা হয় সেইবোৰ আমি উপলব্ধি কৰাটো উচিত। সেয়েহে, অসমৰ মানুহক বানপানী আৰু গৰাখহনীয়াই যাতে ক্ষতি কৰিব নোৱাৰে, ইয়াৰ ফলত কোনো মানুহৰ জীৱনলৈ যাতে বাধা আহি নপৰে, পৰৱৰ্তী সময়ত কোনো মানুহে যাতে কান্দিব লগা নহয়, প্ৰতি বছৰে বানপীড়িতৰ বাবে সাহায্যৰ ব্যৱস্থা নকৰি বানপানীক যাতে চিৰদিনৰ বাবে প্ৰতিৰোধ কৰিব পাৰো তেনেধৰণৰ প্ৰচেষ্টা কৰাৰ বাবে আহ্বান জনাই এই প্ৰস্তাৱটো কেন্দ্ৰলৈ প্ৰেৰণ কৰিব লাগে। অধ্যক্ষ মহোদয়, আপুনি বিধান সভাৰ অধ্যক্ষ হোৱাৰ পিছৰে পৰা বিভিন্ন বিভাগত বিভিন্ন ধৰণৰ যুগান্তকাৰী সিদ্ধান্ত গ্ৰহণ কৰিছে। সেয়েহে, বানপানী আৰু গৰাখহনীয়াৰ ক্ষেত্ৰতো যাতে আমি আপোনাৰ পৰা এক যুগান্তকাৰী সিদ্ধান্ত পাম বুলি আশা ৰাখি মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** এতিয়া দেৱানন্দ হাজৰিকা।

**শ্ৰী দেৱানন্দ হাজৰিকা, (বিহপুৰীয়া)ঃ** সন্মানীয় অধ্যক্ষ মহোদয়, বানপানী আৰু গৰাখহনীয়াৰ সমস্যা কেন্দ্ৰীয় চৰকাৰে National Disaster হিচাপে স্বীকৃতি দিয়াৰ যি প্ৰস্তাৱ আমাৰ বিৰোধী পক্ষই উত্থাপন কৰিছে, সেই সংক্ৰান্তত মই দু-আষাৰ ক'ব বিচাৰিছো। বানপানীৰ ভয়াৱহতা আমি সৰু কালৰে পৰা দেখি আহিছো। বাৰিষা কালত মোৰ নিজৰ ঘৰতে একঁকাল-এবুকুলৈ পানী হয় আৰু বানপানীৰ সমস্যাক National Disaster হিচাপে স্বীকৃতি দিয়াৰ বাবে তাহানিৰে পৰা প্ৰস্তাৱ দি অহা হৈছে। এসময়ত, আমাৰ ৰাজ্যৰ সদস্য, প্ৰতিনিধি হিচাপে গৈ প্ৰধান মন্ত্ৰীও হৈছিল। কিন্তু কেন্দ্ৰত এই সম্পৰ্কে মাত মতা নাছিল। কিন্তু, বানপানীৰ লগত অন্য কেইটামান সমস্যা জড়িত হৈ থকা আমি দেখিবলৈ পাইছো। যেনে গৰাখহনীয়া, বানপানীত ঘৰ-দুৱাৰ নষ্ট হোৱা সকলক rehabilitation, compensation দিয়া। গতিকে, মই ভাৱো, এই ক্ষেত্ৰত চৰকাৰৰ কিছু নীতি বদলি কৰিব লগীয়া আছে । বিশেষকৈ মোৰ সমষ্টিত ব্ৰহ্মপুত্ৰ নদীকে ধৰি ৯ খন উপনদীৰ ভয়াবহতা আছে আৰু অৰুণাচলৰ পৰা অহা দক্ষিণ বাহিনী উপনৈবোৰ অতি খৰস্ৰোতাভাৱে বৈ আছে। ঠিক তেনেদৰে, অন্যান্য সমষ্টিত ভূটান, নাগালেণ্ড আদিৰ পৰা বৈ আহিছে। কিছুদিন পূৰ্বে, জল সম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই আমাৰ লগত মোৰ সমষ্টিলৈ গৈছিল আৰু তেখেতে বটুমচুক নামৰ এখন ঠাইৰ বহু কেইঘৰ মানুহক খহাই নিয়া দেখিবলৈ পাইছিল। ইয়াৰ আগতেও কম্বং চাপৰি নামৰ এখন গাওঁ আছিল, যিখন বানপানীৰ ফলত নিঃশেষ হৈ গ'ল। বানমুখ নামৰ গাওঁখনৰ ৬০ ঘৰ মানুহৰ ১৫খন ঘৰ ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈছে। সোৱণশিৰি আৰু খেৰকটীয়াৰ মাজত থকা চেনিমৰা কলবাৰী নামৰ গাওঁখন এটা দ্বীপৰ নিচিনা বহল আছিল। আমি যেতিয়া সদনলৈ নিৰ্বাচিত হৈ আহিছিলো তেতিয়া এই গাওঁখনৰ বহল আছিল আঢ়ৈ কিঃমিঃ, কিন্তু এতিয়া ইয়াৰ বহল মাত্ৰ ২০০ মিঃ। এই গাওঁখনৰ পৰা মানুহবোৰ বেলেগ বেলেগ ঠাইলৈ গুছি গৈছে। এই নৈ পৰীয়া মানুহখিনিয়ে এটা সময়ত নিজৰ মাটিত আছিলে। যেতিয়া তেওঁলোকৰ নিজৰ ভে টি খহনীয়াত জাহ গল তেতিয়া তেওঁলোকে আন ঠাইলৈ যাবলগীয়া হ'ল। সেইকাৰণে এই লোকসকলৰ এতিয়া নিজৰ পত্তা থকা মাটি নাই। সেইদিনাখন যেতিয়া বতমচুকত গৰাখহনীয়া হ'ল লক্ষিমপুৰত DDMA ৰ মিটিং হৈছিলে। এই মিটিংত মই তেওঁলোকৰ compensation ৰ কথা কওঁতে বিভাগীয় বিষয় সকলে ক'লে যে তেওঁলোকৰ নামত মাটি নাই, সেইকাৰণে compensation দিব নোৱাৰে। তেতিয়া মই এটা প্ৰশ্ন কৰিছিলো যে তাত দুই এটা PMAY ৰ ঘৰো নদীয়ে খহালে। PMAY ৰ ঘৰ পাবলৈ মানুহজনৰ নিজৰ নামত মাটিৰ পট্টা থাকিব নালাগে আৰু যদি মাটিৰ পট্টা নথকাকৈ PMAY ৰ ঘৰ পাব পাৰে, তেতিয়াহ'লে খহনীয়াত তেওঁলোকক com-

pensation দিয়াত আপত্তি ক'ত? যেতিয়া কেচা ঘৰ এটা খহি যায়, তেতিয়া দুহেজাৰ বা তিনিহাজাৰ পায় আৰু পকা ঘৰ হ'লে ৯৫ ,০০০ পায়। মই কৈছো যে মাত্ৰ ৯৫ হাজাৰ টকা কিয়, অন্ততঃ কমেও PMAY ৰ ঘৰৰ সমান টকাটোৱে পাওঁক যাতে তেওঁলোকে এটা ভালকৈ ঘৰ সাজিব পাৰে। যেতিয়া Rehabilitation ৰ কথা আহিল, এই মানুহখিনিয়ে ক'ত ঘৰ সাজিব? আগৰ চৰকাৰৰ দিনত আমাৰ সমষ্টিৰ পাদীগাওঁ বুলি এটা অঞ্চলৰ পৰা ২৬ ঘৰ মানুহক অৰুণাচল সীমান্তত Rehabilitate কৰিলে। কিন্তু আজিলৈকে তেওঁলোকৰ নামত মাটিৰ পট্টা নহ'ল যাৰবাবে চৰকাৰী scheme বিলাকে তেওঁলোকক ঢুকি নাপায়।

বানপানীৰ ভয়াবহতাৰ কথা সকলোৱে জানে। গতিকে এই আনুসঙ্গিক কথাবিলাক আমি অকনমান নিয়ম নীতিবোৰ সলনি কৰি হলেও নিজৰ ভাই ভনী সকলক সন্মানেৰে জীয়াই থকাৰ এটা ব্যৱস্থা কৰি দিব লাগে। তাৰবাবে আজি মই এই সদনত এটা প্ৰস্তাৱ ৰাখিছো। স্বাধীনতাৰ ৭ টা দশকৰ পিছতো আমাৰ সমস্যাটোক ৰাষ্ট্ৰীয় সমস্যা হিচাপে চিনাক্তকৰণ নকৰিলে। নৰেন্দ্ৰ মোদী ডাঙৰীয়াই দুবছৰ আগতে অসমত হোৱা বানপানী চাবলৈ আহি ইয়াৰ নদীসমূহৰ ওপৰত study কৰাৰ কথা কৈছিলে। আগতে ভাৰত চৰকাৰৰ ফালৰ পৰা অসম চৰকাৰক কোনো ধৰণৰ সাহাৰ্য্য দিয়া হোৱা নাছিলে কিন্তু মোদী ডাঙৰীয়া চৰকাৰ হোৱাৰ পাছত ১০০ কোটি টকা অসমক আগবঢ়াইছে বানপানীৰ ওপৰত অধ্যয়ণ কৰি তাৰ স্থায়ী সমাধানৰ ব্যৱস্থা কৰিবৰ কাৰণে। তেওঁ অকল তাতেই ক্ষান্ত নাথাকি উত্তৰ-পূৰ্ৱ প্ৰতিখন ৰাজ্যকেই প্ৰাকৃতিক দুৰ্যোগৰ পৰা কেনেদৰে ৰক্ষা কৰিব পাৰি তাৰবাবে নীতি আয়োগৰ Vice Chairman ক লগত লৈ এক উচ্চস্তৰীয় সমিতি গঠণ কৰিছে বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰখন অসমৰ সমস্যা সমূহক লৈ সজাগ। আগতে কিন্তু এইটো কেতিয়াও হোৱা নাছিলে। এতিয়া অসমৰ সমস্যাটোক মাত্ৰ ৰাষ্ট্ৰীয় সমস্যা বুলি গণ্য কৰিবলৈহে বাকী থাকিলে। নীতি আয়োগৰ Vice-Chairman ক লগত লৈ যিখন সমিতি বনোৱা হৈছে সেই সমিতিখনে নিশ্চয় অধ্যয়ণ কৰিব ১০০ কোটি টকাৰে Research কৰি আমাৰ নদী সমূহক কেনেকৈ control কৰিব পাৰি । ইয়াৰ দ্বাৰা বানপানী কেনেকৈ নিৰাময় কৰিব পাৰি, খহনীয়াৰ পৰা কেনেকৈ আমি ভূমি ৰক্ষা কৰিব পাৰো তাৰ নিশ্চয় এটা সুদোত্তৰ পাম। গতিকে কিবা এটা আচঁনি ঘোষণা কৰিলেই যে সমস্যা সমাধান হ'ব সেই কথা আমি নাভাৰো। মই এইটোও ভাৰো হয়তো এই সমিতিখনে নিজেই এদিন ৰায় দিব অসমৰ সমস্যাটোক ৰাষ্ট্ৰীয় সমস্যা হিচাপে। গতিকে তাৰ ওপৰত প্ৰস্তাৱ লোৱাৰ প্ৰয়োজন আছে বুলি মই নাভাৰো।

এই বানপানীৰ লগত কলা-সংস্কৃতি ৰো কিছুমান কথা জড়িত হৈ আছে আৰু আমাৰ কিছুমান আবেগো জড়িত হৈ আছে। বান পানী পীড়িত পৰিয়াল বিলাকৰ যিবিলাক লৰা-ছোৱালী আছে, তেওঁলোকক থকাৰ ব্যৱস্থা কৰি দিয়াই নহয়, তেওঁলোকক পঢ়াই শুনাই ডাঙৰ-দীঘল কৰাৰ কৰ্তব্যও আমাৰ চৰকাৰ আৰু সমাজখনৰ আছে। মই কেইদিনমান আগতে বৰহাবি নামৰ এখন গাৱঁলৈ গৈছিলো। তাত অতি কণমানি দুটি শিশুক দেখি মোৰ চকুপানী ওলাইছিল। তেনেকুৱা হয়তো হাজাৰ হাজাৰ শিশু মাকৰ কোলাত বা বোকোচত উঠি বানপানীত ঘুৰি ফুৰিব লগা হৈছে। তেওঁলোকে হয়তো নাজানে সন্মুখত ১৫০ মিটাৰ দুৰত সোৱনশিৰি নদীখন আছে। তেওঁলোকৰ LP school খন খহি নদীত জাহ গল। মই মোৰ পকেটৰ পইচা দি চালিঘৰ বনাই সেই স্কুলখন চলাই আছো কিন্তু শিক্ষা বিভাগৰ লোক আজিলৈকে তালৈ যোৱা নাই। সিদিনাখন DDMA meeting ত মই Inspector জনক শুধিলো যে এই খহাই নিয়া স্কুল কেইখনৰ

ওপৰত কি ব্যৱস্থা ল'লে? তেখেতে ক'লে যে আমাৰ হাতত পইচা নাই। কিন্তু তাৰবাবে ইয়াৰ আগৰ বাজেটত প্ৰায় ৯৫৮ কোটি টকা ধাৰ্য্য কৰা হৈছিলে। সেই টকাবিলাক ক'ত খৰচ কৰা হ'ল? তেওঁ উত্তৰ দিলে যে গুণোৎসৱ পাতোতে এই টকা খৰচ হ'ল। এই পইচাখিনি বিদ্যালয়বিলাকৰ আন্তঃগাথনি উন্নীতকৰণৰ কাৰণে দিছিলেনে নে গুনোৎসৱৰ কাৰণে দিছিলে? ইয়াৰ উত্তৰ কোনে দিব?

মই বেছি দীঘলীয়া কৰিব বিচৰা নাই, মাত্ৰ এটা কথাই ক'ব বিচাৰিছো যে নীতি আয়োগৰ Vice-Chairman ৰ দ্বাৰা প্ৰধানমন্ত্ৰী ডাঙৰীয়াই যিখন বিশেষ কমিটি গঠণ কৰি দিছে সেইখনে আমাৰ মনত আশাৰ সঞ্চাৰ কৰিছে। এয়া স্বাধীনতাৰ পিছত ভাৰত চৰকাৰৰ প্ৰথম পদক্ষেপ। তাৰবাবে মই ভাৰত চৰকাৰকো ধন্যবাদ জনাইছো। সেইকাৰণে মই ভাৱো যে এতিয়া আৰু আমি কোনো বেলেগ প্ৰস্তাৱলৈ যাব নালাগে। এইখিনিকে কৈ মই মোৰ বক্তব্য শেষ কৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া কমলাক্ষ্য দে পুৰকায়স্থ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, pending resolution ত ক'বলৈ মোক সুযোগ দিয়াৰ বাবে মই আপোনাক ধন্যবাদ জনাইছো। অধ্যক্ষ মহোদয়, ভাৰত চৰকাৰৰ survey মতে বিহাৰ, উৰিষ্যা, অসম, পশ্চিমবঙ্গ আৰু গুজৰাট এই কেইখন ৰাজ্যক অধিক গুৰুত্ব দিয়া হয় কাৰণ এই কেইখন ৰাজ্যত আন ৰাজ্যৰ তুলনাত বেছিকৈ বানপানী হয়। কিন্তু মই ভাৱো আমি যিমান গুৰুত্ব পাব লাগিছিল সিমান গুৰুত্ব পোৱা নাই। যোৱা চাৰি বছৰত প্ৰাকৃতিক দুৰ্যোগৰ কাৰণে ভাৰত চৰকাৰে ১০,৫০০ কোটি টকা মোকলাই দিলে। কিন্তু special package হিচাপে অসমক এটকাও নিদিলে। এইবাৰো মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়া বিভিন্ন ৰাজ্যলৈ গল আৰু সেই ৰাজ্যসমূহলৈ যথেষ্ট টকা আগবঢ়ালে ভাৰত চৰকাৰৰ ফালৰ পৰা কিন্তু অসমে মাত্ৰ ২৫১ কোটি টকাহে পালে।

অধ্যক্ষ মহোদয়, প্ৰত্যেক বছৰে অসমত বানপানী হয় যদিও এইবাৰ বানপানীয়ে অসমত বিধ্বংসী ৰূপ ধাৰণ কৰিলে। মাননীয় বিত্ত মন্ত্ৰী ডাঙৰীয়াই কৈছিলে যে আমি show piece নহয়। এই কথা মই জানো। কিন্তু ভাৰত চৰকাৰ যে অসমৰ প্ৰাকৃতিক দুৰ্যোগৰ প্ৰতি সজাগ এই কথা কিন্তু তেওঁলোকৰ কাম কাজত প্ৰতিফলন হোৱা নাই। অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই কৈছিলে যে ২০১৯-২০২০ ত যেতিয়া বৰাকত খুব বেয়াকৈ বানপানীয়ে ক্ষতিগ্ৰস্ত কৰিছিল তাৰবাবে ১০০ কোটি টকা দিয়া হ'ব। কিন্তু আজিলৈ সেই ১০০ কোটি টকাৰ কোনো কাম তাত আৰম্ভ হোৱা নাই। যোৱাবাৰ য'ত য'ত ২০ মিটাৰ মথাউৰিটো ছিঙিলে এইবাৰ বানপানী হওঁতে সেইটো ৪০ মিটাৰ হৈ গল।

**(আসনত সভাপতি, হাফিজ বচিৰ আহমেদ)**

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ, কৰিমগঞ্জ ঃ** এই যে, ২০ মিটাৰৰ কাৰণে যে sanction টো যে হ'ল, এতিয়া ২০ মিটাৰটো আৰু extra কে চিগি গ'ল। পাছত যেতিয়া ২০ মিটাৰ টো বনোৱা যাব, তাৰ পাছৰ বছৰ আৰু ২০ মিটাৰটো বনাব নোৱাৰিব তেতিয়া কি হ'ব, এই ২০ মিটাৰটো আপোনালোকে বনালে সেইটোও চিগি যাব। এই কামখিনি একলগে যদি কৰিব নোৱাৰি, এটা financial year ৰ কামটো যদি, এটা financial year ত নহয় তেনেহলে যিখিনি টকা আমাৰ sanction হয় এইটো হয়তো বাস্তৱায়িত ৰূপান্তৰ কৰিব নোৱাৰি। এইখিনি কথা মই আগতেও বহুতবাৰ কৈছো। আমি দেখিলো যিখিনি বস্তু reform হোৱা নাই, সেইখিনি বস্তু আমি কৰিব পৰা নাই। আগতে flood control আছিলে এতিয়া water resource হ'ল জলসম্পদ

হ'ল। জলক আমি কেনেকৈ সম্পদ হিচাপে ব্যৱহাৰ কৰিব পাৰো। যিখিনি statistics ৰ কথা, সেইখিনি বস্তু আমি দিয়া নাই। কিন্তু আমি basic কথাখিনি কৈছো যে আমাৰ বৰাকত বিশেষকৈ কুচিয়াৰা নৈ আৰু লংগাই নৈ এই দুইখন নৈ ধ্বংসলীলা চলাই থাকে। যিহেতু research হ'ব আমি ভালেই পাইছো। আমাৰ এই দুয়োখন নৈ বা কাছাৰৰ যিটো নৈ আছে, এই নৈ কেইখন যদি চার্ভে হয়, তেনেহলে ভাল হয়। আমাৰ বিধায়ক সকলে কৈ থাকে যে আমাৰ flood ৰ relief বিলাক ভালকৈ দিয়া হ'ল। যোৱাবাৰ যিমান দিয়া হৈছিল, ২০১১ চনত যিমান দিয়া হৈছিল তাতকৈ ভাল দিয়া হ'ল। কেতিয়াবা কয় যে, কেছুবাৰ কাৰণে গাখীৰ দিয়া হোৱা নাই, এইবাৰ গাখীৰ দিয়া হ'ল। আগতে আঢ়ৈ গ্ৰাম আছিলে, এশ গ্ৰাম দিলে। এই যে, relief materials টোক লৈ যি দুৰ্নীতি হয়, আমি ভাবো যে, relief materials বেছিকৈ দিয়া এইটো আমাৰ কাৰণে ডাঙৰ কথা নহয়। আমি যাতে relief materials তো যাতে দিব নালাগে তাৰ কাৰণে আমি কি কৰিব পাৰো। আমি relief materials দিলো, মানুহক সাহাৰ্য্য কৰিলো this is our resposibility, it is the responsibility of Government. আমি এইকথা বিলাক জানো। কৰবাত flood হৈছে, মানুহৰ খাদ্য যিমানকৈ গৈছে তাতকৈ বেছিকৈ পশুৰ খাদ্য গৈছে। সেই তথ্যবিলাক আমাৰ আছে। আমি ভাবো যে এই relief materials যাতে দিব নালাগে তাৰ কাৰণে ব্যৱস্থা ল'ব লাগে। এই নৈৰ মাথাউৰি কেইটা কেনেকৈ বনাব পাৰি আৰু অসমত যাতে flood নহয় তাৰ কাৰণে কি ব্যৱস্থা কৰিব পৰা যায়। কথাটো হৈছে যে, আজিৰ দিনত আমাৰ বৰাক নমামী, ব্ৰহ্মপুত্ৰ নমামী এইখিনি হৈছে আমি ভালে পাইছো। বৰাকৰ পৰা কলা সংস্কৃতি, ব্ৰহ্মপুত্ৰ ভেলীৰ কলা সংস্কৃতি, একেলগে লগ লগাই ভাল এটা পদক্ষেপ লোৱা হৈছে। কিন্তু ultimately এই বৰাক নমামী, ব্ৰহ্মপুত্ৰ নমামী হোৱাৰ পাছত এই নৈৰ কেইটাৰ ক্ষেত্ৰত আমি যেনেকৈ গুৰুত্ব দিব লাগিছিল হয়তো আমি সিমানখিনি গুৰুত্ব দিব পৰা নাই। তাৰ lapses টো কি ? আমাৰ ভুলটো ক'ত হৈছে। যদিও ভাৰত চৰকাৰ concern হয়, যদিও ১০০ কোটি টকা দিছে, আচল কথাটো হৈছে যে flood হৈ থাকিব আৰু ১০০ কোটি টকা দিব, research কৰি থাকিম তাৰ পাছৰ বছৰ আকৌ flood হ'ব আকৌ ধ্বংসলীলা চলি থাকিব, এনেকুৱা হ'লে নহব। আমি positive এটা step ল'ব লাগিব আৰু মই ভাবো যে এইখন চৰকাৰে যদি কৰিবলৈ সদিচ্ছা থাকে তেনেহলে specifically এই মাথাউৰি কেইটা কেনেকৈ বনাব পাৰে, সেইটো চিন্তা কৰিলে ভাল হয়। আমাৰ তাতে প্ৰধান এটা সমস্যা হয় যে, sanction ৰ বাবে হয়তো এইবাৰ প্ৰপ'জেল টো দিলো। এইবাৰ sanction নহ'ল। পিছৰ বছৰ sanction, তাৰপিছত টেণ্ডাৰ হয়। সেই ক্ষেত্ৰত মন্ত্ৰী ডাঙৰীয়া concern. কিন্তু এই যে ১-২ বছৰ পিছতহে কাম হয়, erosion টো বেছিকৈ হৈ যায়। তেতিয়া আমাৰ যিমান টকা sanction হয় তাতকৈ আমাৰ বেছি টকাৰ প্ৰয়োজন হয় কাম কৰিবলৈ। সেইকাৰণে মই ভাৱো এইটোক লৈ এটা positive step ল'ব লাগে আৰু এইযে বানপানীৰ সমস্যা, যিটোক সকলোৱে ৰাষ্ট্ৰীয় সমস্যা হিচাবে ঘোষণা কৰিব লাগে সেইটো মই বিচাৰো। যদি ৰাষ্ট্ৰীয় সমস্যা হিচাপে টকা বেছিকৈ পাওঁ, ৰাষ্ট্ৰীয় সমস্যা হিচাপে নকৰি আপোনালোকে যদি বেছিকৈ টকা দিব পাৰে তেন্তে ৰাষ্ট্ৰীয় সমস্যা হিচাবে ঘোষণা কৰিব নালাগে। কিন্তু ৰাষ্ট্ৰীয় সমস্যাটো ঘোষণা কৰাৰ পিছত যদি মই ভাবো কেন্দ্ৰীয় চৰকাৰে আমাক আঢ়ৈশ কোটি টকা দিলে নহ'ব, অন্যান্য ৰাজ্য বিলাকে ১০০০ কোটি টকাকে পাই আছে, কোনো কোনো ৰাজ্যই ৫০০ কোটি টকাকৈ পাই আছে। আমি কিয় আঢ়ৈশ কোটি টকাকৈ পাওঁ। আমি কেনেকৈ টকা বেছি পাব পাৰো তাৰকাৰণে কি পলিচী আমি অৱলম্বন কৰিব লাগে? কাৰণ মই

যেতিয়া ২০১১ চনত প্ৰথম বাৰৰ বাবে বিধায়ক হৈ আহিছিলো, তাৰ আগৰ পৰাই শুনি আহিছো এই সমস্যাৰ কথা। এই সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাবে ঘোষণা কৰিব লাগে বুলি assembly ৰ পৰা resolution গ'ল। যোৱাবাৰো গৈছে আৰু আগতেও গৈছে। এইবাৰো যাব। এইটো যোৱাৰ পিছত কামটো হ'ব নে নাই সেইটোহে আচল কথা। কাৰণ আমাৰ টকা বেছিকৈ আহিব লাগে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক মই ধন্যবাদ জনাইছো আৰু হয়তো বা বহুতে ধন্যবাদ জনাই থাকে যে মাননীয় মুখ্যমন্ত্ৰী মহোদয় বৰাক ভেলীলৈ বাইশবাৰ গৈছে। ময়ো ধন্যবাদ জনাও যে, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়া যদি পঞ্চাশবাৰো যায় তেনেহলে আমাৰ ভাল হয়। কিন্তু যোৱাৰ পাছতে কামবোৰ হ'ব লাগিব। বৰাক নৈ আৰু ব্ৰহ্মপুত্ৰ নৈ খন কেনেকৈ আমি ভাল দৰে dredging কৰিব পাৰি কাৰণ তাত আগতে জাহাজ চলিছিল কিন্তু আজিকালিটো জাহাজ চলাচল নকৰে। এইটোৰ কাৰণে dredging টো হব লাগে। ব্ৰহ্মপুত্ৰ নদীৰ dredging ৰ কামটো যেনেকৈ লেহেমীয়া গতিত চলি আছে ultimately সেইটো পাছ- দহ বছৰে কামটো শেষ নহয়। মাটিৰ তলৰ কথাটো আমি নাজানো কি চলি আছে, নদীৰ ভিতৰচৰাত কি হৈ আছে। কাৰণ dredging কৰি বালিখিনি উঠাই দিয়ে কিন্তু বৰষুণ দিলেই আকৌ বালিখিনি নদীলৈ গুছি যায়। এই কষ্টৰ value হৈছে ১০০ কোটি টকা, পঞ্চাশ কোটি টকা। এনেকুৱা ডাঙৰ ডাঙৰ project চলি আছে। Ultimatelyএইবোৰত তো কোনো কাম হোৱা নাই। আমি কিন্তু কাম বিচাৰো। আমাৰ প্ৰত্যেকজন বিধায়কেই এইক্ষেত্ৰত concern, প্ৰত্যেকজন বিধায়কে কামবোৰ হোৱাতো বিচাৰে। এইটোৰ কাৰণে মাননীয় সভাপতি মহোদয়, আপোনাৰ জৰিয়তে মই অসম চৰকাৰক আৰু মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাওঁ যে আমি যাতে এটা positive step ল'ব পাৰো আৰু যাতে flood অসমত আৰু নহয় মই ভাবো যে এই কামটো যদি এইখন চৰকাৰে কৰিব পাৰে তেন্তে চিৰস্মৰণীয় হৈ থাকিব। পিছত যেতিয়া ভৱিষ্যত প্ৰজন্মই ক'ব পাৰিব যে এখন চৰকাৰ আছিলে সেইখন চৰকাৰে আমাৰ বানপানীৰ সমস্যাটো সমাধান কৰি দিলে। এইটো এটা ডাঙৰ কথা হৈ যাব। সকলোকে ধন্যবাদ জনাই মোৰ বক্তব্য শেষ কৰিছো।

**সভাপতি (শ্ৰী হাফিজ বছিৰ আহমেদ) ঃ** ধন্যবাদ। এতিয়া শ্ৰীমতী সুমন হৰিপ্ৰিয়া।

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া (হাজো) ঃ** নমস্কাৰ, বানপানীৰ সমস্যা সন্দৰ্ভত আলোচনা কৰিবলৈ অনুমতি দিয়াৰ বাবে ধন্যবাদ জনাইছো। এইবাৰ বানপানীটো অৱশ্যে ২০০৪ চনৰ পিছত, এইটো প্ৰলয়ংকাৰী বানপানী। এইটো বানে এইবাৰ সমষ্টি, বি. জে. পি., এ. জি. পি., কংগ্ৰেছ এইবিলাক চোৱা নাই। সকলোতে বানপানী হৈছে। এই সমস্যাত মাননীয় opposition ৰ বিধায়ক সকলক কওঁ যে যাতে কোনো ধৰণৰ ৰাজনীতি নকৰে। মই চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো যে ২০০৪ ৰ কথাতো নাজানো। কিন্তু এইবাৰৰ বানপানীত ইমান খৰতকীয়াকৈ আমি যিখিনি সাহাৰ্য্য পাইছো, ভাল লাগিছে , বিতৰণৰ ব্যৱস্থাও ভাল হৈছে। অসমখনৰ geographical যিটো position, আমাৰ ভৌগোলিক location টোৱে এনেকুৱা যে বানপানী সকলোৰে পৰা আহি আমাৰ অসমখনতে সোমায়। কাৰণ আমাৰ অসমখন বাতি এটাৰ নিচিনা। অৰুণাচল ওখত আছে, পানীখিনি আহি সোমাল, ভূটানৰ পৰাও পানী আহি সোমাল, মেঘালয়ত অলপ বৰষুণ হ'লেই যোৰাবাট আৰু সোণাপুৰো উটি যায় ডিমৰীয়া সমষ্টিটোও উটি যায়। গতিকে আমাৰ যিটো ভৌগোলিক দিশ, সেইটোৰ কাৰণে চৰকাৰে তথাপিও বহুত চেষ্টা চলাইছে, বহুত কষ্ট কৰিছে। গতিকে এনেকুৱা ভৌগোলিক পৰিবেশত যুদ্ধ কৰোটো এটা বৰ ডাঙৰ কথা। সৰুক্ষেত্ৰীৰ বিধায়ক ডাঙৰীয়াই চীনৰ নদী, ম্যানমাৰৰ নদীৰ কথা কৈছে। কিন্তু ব্ৰহ্মপুত্ৰ নদীখন যে কিমান ভয়ংকৰ, বিশাল সেইটো

হয়তো তেওঁ পাহৰি গৈছে। ব্ৰহ্মপুত্ৰতক বান্ধিব কোনে? আমাৰ চৰকাৰে যিখিনি পদক্ষেপ লৈছে সেইখিনি বহুত লৈছে কাৰণ ব্ৰহ্মপুত্ৰখন প্ৰথমে খান্দিবলৈ চেষ্টা কৰিছে যিটো ব্ৰহ্মপুত্ৰৰ গেড আছে, গেডটো যিহেটো বহুত ওপৰত আছে সেইটো আৰু খান্দি দ' কৰিবলৈ চেষ্টা কৰিছে। কিন্তু বাংলাদেশৰ side টো এতিয়াও খন্দা হোৱা নাই। কাৰণ বাংলাদেশ চৰকাৰৰ লগত আমাৰ চৰকাৰে কথাবতৰা পাতি আছে। কাৰণ সেইফালেও যদি কাম আৰম্ভ হয় তেতিয়াহ'লে হয়তো অকণমান বানপানীৰ সমস্যাটো অলপমান কমিব। তাৰ পাছত আহিছো ৰাষ্ট্ৰীয় সমস্যাৰ কথা। ৰাষ্ট্ৰীয় সমস্যাৰ নামত বক্তব্যখিনি শুনিলো, ইমান সহায় কৰিছে কেন্দ্ৰীয় চৰকাৰে আৰু ইমান টকা পঠাইছে। যোৱাকালি যিটো প্ৰতিবেদন মন্ত্ৰী ডাঙৰীয়াই দিলে মই দেখি আচৰিত যে ২০১৮-১৯ ত ৪৭৮.৮০৪ কেন্দ্ৰীয় চৰকাৰৰ পৰা আহিছে। তাকো ২০১৯-২০ ৰ প্ৰথম instalment 251.55 Crore আমি ইতিমধ্যে পাইছো। গতিকে আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা যিখিনি সাহায্য পাব লাগে, যিখিনি ধন আমাৰ চৰকাৰক দিব লাগে আমি পাইছো অকল - পোৱাই নহয় আমাৰ প্ৰতিটো সমষ্টিলৈকে আমাৰ সেই সাহাৰ্য্য গৈছে। এতিয়া মাথাউৰিৰ কথালৈকে আহো। গতিকে মাথাউৰি আৰু erosion, যিটো খহনীয়া আৰু নদীবান্ধ সেইখিনি আমাৰ কাম পূৰ্ণ গতিত চলিছে দুই এটা হয়তো কৰবাত কাম আছে। মই আমাৰ হাজো সমষ্টিৰ কথাই লৈ কওঁ। মই যেতিয়া প্ৰথম হাজো সমষ্টিলৈ আহো তেতিয়া কিন্তু কোনোধৰণৰ নদী বান্ধ নাছিল। যাৰফলত আমাৰ চৰকাৰৰ লগত আলোচনা কৰা হ'ল, মাননীয় মন্ত্ৰী মহোদয়ে তিনিবছৰত আন্ধোপাৰা বান্ধ বনাই সম্পূৰ্ণ কৰা হৈছে, হালো গাওঁত বান্ধ বনাই সম্প্ৰূণ হৈছে। গৰমসিং এৰিয়াত বান বনাই সম্পূৰ্ণ হৈছে আৰু বাকী তিনিটা প্ৰকল্প হাদ্‌লা, গোসাইঘাটত আমাৰ কাম আৰম্ভ হৈছে। গতিকে সাতদলাৰো কাম আমাৰ এই বানপানী নোহোৱাহলে সম্পূৰ্ণ হ'ল হেতেন, গতিকে তিনিটা বছৰত ইমানখিনি বান এটা সমষ্টিতে আহিছে। গতিকে আমাৰ বান্ধৰ ক্ষেত্ৰত যিখিনি কৰিব লাগে কৰি আছে। কিন্তু ব্ৰহ্মপুত্ৰ হওঁক বা আমাৰ বৰলীয়া নদীয়ে হওঁক, পুঠিমাৰী নদীয়ে হওঁক এনেকুৱা কোৱাল সোঁত তাতে নিগনীবিলাক থাকে, ডাঙৰ ডাঙৰ নিগনীৰ বাহ আছে মথাউৰী বিলাকত মানে তলে তলে খাণ্ডে। আচৰিত ইমান তলৰে নিগনী বিলাকে সোমাই সোমাই গাত বিলাক কৰে ওপৰত যিমান মথাউৰী বান্ধো আকৌ অকণমান লিকেজ হয়, মই ব্যক্তিগত অভিজ্ঞতাৰ পৰা কৈছো। এইবাৰ বানপানীৰ সময়ত ৰাতি ফোন আহিছে ১ টা বজাত যে বাইদেও কয়াজনীৰ মথাউৰী ভাঙিব কিব কৰক। তেতিয়া সেই মুহূৰ্তত কিবা কৰক বুলি কোৱাত কি কৰিম আপুনি ভাৱিব নোৱাৰে আমাৰ অৱস্থাটো কি হৈছে। ঘৰৰ পৰা মায়ে ৰাতি এটা বজাত আহিব নিদিয়ে তথাপি বুজাই বঢ়াই ৰাতি এটা বজাত যেতিয়া গুছি আহিছো হাজোৰ কয়াজনিলৈ আহি পাই দেখা পাইছো ৫ টা ঠাইত চিপেজ। মই কলো পানী বিলাক তলে তলে কিয় আহিছে? তেতিয়া কলে যে বাইদেও গোটেই নিগনী এন্দুৰৰ তলে তলে গাত সেইবাবে তলে তলে পানী বিলাক সোমাইছে। ওপৰতটো আমি মাটি দিয়াত ধুনীয়া ফিনফিনীয়া হৈয়ে আছে। এইবাৰ ৰাস্তা চেংচন কৰাইছিলো SOPD ত ৰাস্তা ওপৰদি বনোৱাৰ আৰম্ভ হৈ আছে, তলেৰে সেই নিগনীৰ গাত বিলাকৰ কাৰণে ভিতৰে ভিতৰে ফোপোলা হৈ গৈছে, তাৰ পিছত আমি গোটেইবিলাকে হাতে কামে লাগি এটা ঠাইত মথাউৰী বস্তা দি বান্ধিব চেষ্টা কৰো সেইফালে কয় বাইদেও সিফালে আৰু এজাগাত ফুটিল। তেনেকৈ গোটেই ৰাতি ৰাইজে কাম কৰিছে, আমাৰ বিভাগৰ মানুহো আহিছে, আমি ৫ টা ঠাইত মেৰামতি কৰিলো। য'ত মেৰামতি কৰি আছিলো তাত নাভাঙিল বেলেগ এটা জাগাত পিছদিনাখন গমপালো হাদলা বুলি কয় তাত ফুটি গ'ল। গতিকে তাৰ পৰা পানী আহি গ'ল। গতিকে সেইখিনিত যিহেতু

কোনো সম্ভৱনাই নাছিল সেই মুহূৰ্তত কছোৰাবড়ীত, সেই মুহূৰ্তত ৰাইজেও কোৱা নাছিল যে তাতো আহিব। কাৰণ তলেদি চিপেজটো হৈ গ'ল। গতিকে আমাৰ এনেকুৰা ধৰণৰ সমস্যা বহুত আছে। য'ত আমি যুদ্ধ কৰিব লগীয়া হৈছে, আমি প্ৰতিকুল বতৰৰ লগত যুদ্ধ কৰিব লাগে অসমবাসীয়ে, ভৌগলিক পৰিৱেশৰ লগত যুদ্ধ কৰিব লাগে, গতিকে আমাৰ এই ভয়ঙ্কৰ গড়াখহনীয়া হৈ থাকে তাৰ লগত যুদ্ধ কৰিব লাগে। গতিকে এনে ক্ষেত্ৰত আমাৰ কেন্দ্ৰীয় চৰকাৰৰ পুঁজিখিনিও আহি আছে, গতিকে সকলোৰে সদইচ্ছা লাগিব এইখিনি সমধান কৰিব যাওঁতে। বানপানীৰ ক্ষেত্ৰত মই বিধায়িকা হিচাপে উপদেশ দিব বিচাৰিছো হাজো সমষ্টিত, আমাৰ হাজোৰ এইবাৰ বানপানীত কচুৰাবড়ী মঠাউৰীৰ পৰাটো অলপ হৈছে কিন্তু ভয়ঙ্কৰ বানপানীটো হ'ল আমাৰ কমলপুৰ সমষ্টিৰ পৰা অহা পানী। এই আমাক কমলপুৰে দুবাই দিলে। কমলপুৰ সমষ্টিৰ দুটা মঠাউৰী আঠগাওঁ আৰু সোনাপুৰ। যিদিনাখন ভাঙিছে সেইদিনাখন এই দুটা মথাউৰী আমি পৰিদৰ্শন কৰিছিলো। যদিও কমলপুৰ সমষ্টি তথাপিও গৈছিলো, আমি সোনাপুৰটো কোনো পধ্যে বচালো কিন্তু আমি আঠগাঁৱৰটো কোনো পদ্ধেই বচাব নোৱাৰিলো। কাৰণ সেই মুহূৰ্তত ৰাইজে আবেলি ৬ টা বজালৈকে কৈছে এইটো নাভাঙে টেনচন নাই। কিন্তু সেইদিনাখন ৰাতিয়ে ভাঙি গ'ল। গতিকে ভঙাৰ পৰিৱেশটো সেই মুহূৰ্ত্তত নাছিল। আগদিনাখনলৈ নাছিল বা দুই, তিনি ঘন্টা আগলৈকে নাছিল, যিহেতু আমি নিজে সেই ঠাইত আছিলো। তেনে ক্ষেত্ৰত এই কমলপুৰ সমষ্টিৰ মথাউৰী দুটা বনাবলৈ আমি অনুৰোধ কৰিলো আৰু এইটো পুঠিমাৰী নদী যিটো ৰঙিয়া সমষ্টিৰ পৰা কমলপুৰ হৈ আমাৰ হাজোৰ খলিহামাৰীলৈকে গৈছে। গতিকে এই গোটেই পুঠিমাৰী মথাউৰীটো যদি আমি বনাই দিব পাৰো তেতিয়াহলে আমাৰ বহুত কেইটা সমষ্টি আমাৰ বাচি যাব কমলপুৰ, ৰঙিয়া আৰু হাজোকে ধৰি। গতিকে পুঠিমাৰীৰ নদীৰ মথাউৰীটো বনাবলৈ অনুৰোধ কৰা হ'ল, খুব ভালকৈ। দ্বিতীয় কথা আমাৰ এইবাৰ যিখিনি ৰিলিফ কেম্পত আছে তেওঁলোকেহে সাহাৰ্য্য পাব বুলি কথা এটা আছে। কিন্তু আমাৰ চৰকাৰী ৰিলিফ কেম্প হিচাপে হাজোত তেনেকৈ নাই। আমাৰ ৰিলিফৰ বস্তু বিলাক বিতৰণৰ কেম্পহে আছে। কএঞা এৰিয়াত এই কেম্প আছে আমাৰ চাৰিটা। কিন্তু এইখিনিতে এটা কথা আমাৰ মানুহখিনিয়ে ৰিলিফ বিতৰণ কেম্পত থাকিলেও যাতে সাহাৰ্য্যখিনি পাই তাৰ ব্যৱস্থা কৰিব লাগে। তাৰ লগে লগে আমাৰ বহুত মানুহ মথাউৰীত আছে কিন্তু সেইবিলাক কোনো চৰকাৰী শিবিৰ নহয়। কিন্তু তেওঁলোকেও চৰকাৰী সাহৰ্য পোৱাত মই চৰকাৰক অনুৰোধ কৰিছো। মই আমাৰ উপায়ুক্ত আৰু ৰাজহ চক্ৰ বিষয়াৰ লগত কথা পাতিছিলো আৰু তেওঁলোকে কৈছিল যে শিবিৰ পাতিবলৈ তেওঁলোকৰ মাটিয়ে নাই। গতিকে মানুহখিনি মথাউৰী বা চৰকাৰী স্কুলত আছে আমাৰ তেনেকুৰা কোনো শিবিৰ নাই। গতিকে বিভাগীয় মন্ত্ৰী মহোদয়ে এই বিষয়টোত অলপ গুৰুত্ব দিয়াতো মই বিচাৰো। দ্বিতীয়তে হ'ল যেতিয়া আমাৰ বানপানী হয় তেতিয়া গাওঁবুঢ়া বা মণ্ডলৰ ওপৰত সম্পূৰ্ণৰূপে নিৰ্ভৰশীল হয় সাহয্যৰ বস্তু পোৱাৰ ক্ষেত্ৰত। মই নকও যে তেওঁলোকে বেয়াকৈ বিলায়, কিন্তু যেতিয়া বস্তুবোৰ বিলাই লৈ যায় তেতিয়া মানুহৰ মাজত এটা সন্দেহ হয় যিহেতু এই কথাটো পুৰণি দিনৰ পৰাই চলি আহিছে। গতিকে এই সাহায্যৰ বস্তুৰ বিতৰণৰ ক্ষেত্ৰত এখন মনিটৰিং কমিটি যদি আগতীয়াকৈ বনোৱা হয় তেতিয়াহলে আমি সম্পূৰ্ণভাৱে গাওঁবুঢ়া বা মণ্ডলৰ ওপৰত নিৰ্ভৰশীল হ'ব লগা নহয়। তেওঁলোকেই বিলাওক এইটো যিহেতু চৰকাৰী নিয়ম তথাপিও যদি ওপৰত এখন মনিটৰিং কমিটি থাকে আৰু সেই কমিটি বিলাক যদি আমি এতিয়াই বনাই থৈ দিওঁ অৰ্থাৎ বানপানীৰ আগে আগে যদি বনাই থৈ দিও তেতিয়হলে ভাল হয়। ইয়াৰোপৰি এতিয়া সেই বানপানীত সৰ্বহাৰা হোৱা লোক সকলৰ পুনৰ সংস্থাপনৰ বাবে

কাৰণ এই ভয়ংকৰ বানপনীৰ কাৰণে ৰাস্তা ধ্বংস হৈ গ'ল, পুখুৰীৰ মাছ গুছি গ'ল, খেতিপথাৰ ধ্বংস হৈ গ'ল, ঘৰবোৰ নষ্ট হৈছে এতিয়া লিষ্ট বিলাক বনোৱাৰ ক্ষেত্ৰ আকৌ যদি আমি পুৰনা মেথদ হিচাপে কৰোঁ তেতিয়া হয়তো এতিয়া ৰাইজে কোৱা আৰম্ভ হৈ গৈছে, বাইদেউ মোৰ নামটো নুসোমালে। এতিয়া ঘৰে ঘৰে গৈ নাম বিলাক সোমোৱাৰ কাৰণে চিন্তা লাগি আছে যে কৰো কি গতিকে এইবিলাক ক্ষেত্ৰত চৰকাৰে অলপ মনযোগ দিয়াতো উচিত। অৰ্থাৎ অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী ডাঙৰীয়াক জনাব বিচাৰিছো যে আমাৰ এই পুনৰ সংস্থাপনৰ ক্ষেত্ৰতো যাতে কাঢ়া মনিটৰিং কমিটি কিছুমান থাকে। তেতিয়া আমি ভালকৈ মনিটৰিং কৰিব পাৰিম, আমি এই বিষয়ে উপায়ুক্তৰ লগত কথা পাতিছিলো তেতিয়া উপায়ুক্তই কলে যে প্ৰতিটো বস্তু আমি বিধায়কক দেখুৱাই কৰিব লাগিব বুলি এনেকুৱা চৰকাৰী নিয়ম নাই। কিন্তু তথাপিও যদি এনেকুৱা ধৰণৰ কিছুমান কমিটি হয় আৰু আপুনি যদি অনুমোদন কৰি দিয়ে তেতিয়া বিধায়ক বা তেনেকুৱা ধৰণৰ মানুহক যদি অধ্যক্ষ কৰি দিয়ে তেতিয়া আমি এই বস্তু বিলাকত চকু দিব পাৰিম। আমাৰ বিষয়া বিলাকে ভালকৈয়ে কাম কৰিছে, সেইটোত কোনো সন্দেহ নকৰো। তথাপিও আমাৰো এবাৰ মন যায় যে সচাকৈ ভূক্তভোগীবোৰ এই তালিকাত অন্তৰ্ভূক্ত হৈছে নে নাই। যে আঞ্চাখন বনালেও অকমান টেষ্ট কৰি চোৱা হয় কেনেকুৱা হৈছে। গতিকে কামখিনি হওঁতেও এটা serious কৈ কৰিব পাৰিলে ভাল লাগে, যিহেতু বেয়া কিবা এটা হলে তেতিয়া দোষীটো বিধায়ক জনেই হ'ব। গতিকে পুনৰ সংস্থাপনৰ ক্ষেত্ৰত মনিটৰিঙৰ ক্ষেত্ৰতো যদি অকণমান পাৱাৰ দিয়া যায় বিধায়ক সকলক, কাৰণ যিহেতু তেওঁলোকৰ সুখে দুখে আমিয়ে আছো, আমাৰ চৰকাৰখন আছে গতিকে আমাৰ চৰকাৰৰ প্ৰতিনিধি সকলক অকমান পাৱাৰ দিলে ভাল হয়। মোৰ আৰু এটা অনুৰোধ আছে যে যিবোৰ সমষ্টিত বেছিকৈ বানপানী হৈছে সেইবোৰ সমষ্টিত ভূমি সংৰক্ষণ বিভাগৰ বহুতো কৰিবলগীয়া কাম থাকে। গতিকে ভূমিসংৰক্ষণ বিভাগৰ যিবোৰ Wet land Development area তাৰ পিছত তেওঁলোকে Waste Land Development ও কৰে তাৰ লগতে তেওঁলোকে Water shed Management programme ও লব পাৰে। গতিকে ভূমিসংৰক্ষণ বিভাগে এইবিলাক আঁচনি যাতে ভালকৈ লয়। গতিকে অধ্যক্ষ মহোদয়, ভূমি সংৰক্ষণ বিভাগটোক এই বিলাক ঠাইত বেছিকৈ কাৰ্য্যক্ষম কৰি তোলক আৰু পইচা বহুত ধাৰ্য্য কৰক। এইটো বহুত প্ৰয়োজন বুলি ভাবো। ইয়াৰ উপৰিও গড়কাপ্তানী বিভাগৰ যিবোৰ ৰাস্তা নষ্ট হৈ গৈছে গতিকে গড়কাপ্তানী বিভাগেও কিছুমান বিশেষ পুঁজি এইবিলাক এৰিয়াৰ বাবে ধৰিব লাগে। ইয়াৰ লগতে মীন বিভাগ আৰু হস্ততাত আৰু বয়ন শিল্প, কাৰণ মই হস্ততাত বুলি এইকাৰণে কৈছো আমাৰ হাজো সমষ্টিত বহুতে তাত শালৰ ব্যৱসায় কৰি পৰিয়াল পোহপাল দি আছে আৰু এতিয়া বহুত শিপিনীৰ তাত শালৰ সূতা কাপোৰ বানপানীত উতি গৈছে। গতিকে হস্ততাত আৰু বয়ন শিল্প, মীন বিভাগ, গড়কাপ্তানী বিভাগ, কৃষি বিভাগ আৰু ভূমি সংৰক্ষণ বিভাগ এইকেইটা বিভাগে বিশেষ ব্যৱস্থা লব লাগে। এটা বচা বচা বিষয়াৰ দলৰ জৰিয়তে এটা action team বনাব লাগে। সেই action team ৰ জৰিয়তে ওপৰত উল্লেখ কৰা বিভাগ কেইটাই বানপীড়িত অঞ্চল বিলাকত বিশেষ মনযোগ দি কাম কৰিব লাগে। ইয়াৰ লগতে মই আমাৰ জলসম্পদ বিভাগৰ মন্ত্ৰী মহোদয়ক জনাব বিচাৰিছো যে পুঠিমাৰী নদীৰ মথাউৰীটো সম্পূৰ্ণৰূপে নতুনকৈ বনাব লাগে আৰু এইবাৰ আমি সাহায্যৰ নামত বিতৰণ কৰা খাদ্যবিলাকৰ ভিতৰত শিশু খাদ্যটো অকমান কমকৈ আহিছে।

**মাননীয় সভাপতি, শ্ৰী হাফিচ বছিৰ আহমেদ ঃ** Please try to conclude.

**শ্ৰীমতী সুমন হৰিপ্ৰিয়া (হাজো) ঃ** গতিকে শিশু খাদ্যটো বেছিকৈ দিয়াৰ ব্যৱস্থা কৰিব লাগে আৰু মহিলা নেপকিনৰ ব্যৱস্থা এইবাৰ নাছিল গতিকে সেইটোৰো এইবাৰ দিয়াৰ ব্যৱস্থা কৰিব লাগে। মহিলা সকলেও মথাউৰীত আছিল, গতিকে এইখিনি কথাকে কলো। আমাৰ চৰকাৰক আকৌ ধন্যবাদ জ্ঞাপন কৰিছো আমাৰ এইবাৰৰ বানপানীত আমাৰ চৰকাৰে ৰাইজৰ ওচৰত থকাৰ কাৰণে, সাহাৰ্য্য প্ৰদান কৰাৰ কাৰণে ৰাইজৰ প্ৰতি যে সদ্ইচ্ছা আছে তাকেই প্ৰমান কৰিলে।

**মাননীয় সভাপতি ঃ** ধন্যবাদ। এতিয়া সন্মানীয় সদস্য ভূৱন পেগু।

**শ্ৰী ভূৱন পেগু (জোনাই)ঃ** সভাপতি মহোদয়, বিৰোধীয়ে যিটো প্ৰস্তাৱ আনিছে, আমাৰ বানপানী সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰিবলাগে। এই বিষয়ত মই বক্তব্য ৰাখিব বিচাৰিছো । অলপ আগতে আমাৰ বিধায়িকা সুমন হৰিপ্ৰিয়া ডাঙৰীয়ানীয়ে যিটো বক্তব্য আগবঢ়াইছে তাত তেখেতে ২০০৪ চনৰ পিছত এইবাৰ ডাঙৰ বানপানী অহাৰ কথা কৈছে। এইবাৰ বানপানীৰ পৰিস্থিতি আমি ধেমাজী, লক্ষীমপুৰ বা জোনাই অঞ্চলবোৰ যদি চাওঁ, lower Assam ত যদি চাও তেন্তে অহা দিনবোৰত ইয়াতকৈ আৰু বেছি ভয়াৱহ বানপানী আহিব বুলি আমাৰ অনুমান হৈছে । কিয়নো অধ্যক্ষ মহোদয়, মই এইবাৰ গোটেই পৰিস্থিতিটো অধ্যয়ণ কৰি মই অধ্যয়ন কৰিব পাৰিছো হয় ব্ৰহ্মপুত্ৰ নদী খন বহুত বাম হৈ পৰিছে। বাম হৈ যোৱাৰ কাৰণে ঠাই নোপোৱাৰ কাৰণে ব্ৰহ্মপুত্ৰৰ পানীয়ে য'তে ত'তে বিয়পিবলৈ ধৰিছে। খহনীয়াতোও যথেষ্ট বেছি হ'বলৈ ধৰিছে। সেই কাৰণে আমি এই বিষয়টো যদি ভালদৰে লক্ষ্য কৰো আৰু ইয়াৰ যদি proper solution লাগে তেনেহ'লে কেন্দ্ৰীয় চৰকাৰৰ হস্তক্ষেপ দৰকাৰ হ'ব । এই সমস্যাটোৰ যদি সমাধান লাগে তেন্তে ইয়াত Dam Stabilization হ'ব লাগিব, river stabilize কৰিব লাগে আৰু ইয়াৰ কাৰণে বৃহৎ পুঁজিৰ প্ৰয়োজন হ'ব । এইবাৰ এই সমস্যা সমাধানৰ কাৰণে ভাৰত চৰকাৰ আৰু অসম চৰকাৰে যথেষ্ট সদ্ইচ্ছা প্ৰকাশ কৰিছে। বৰঞ্চ এই চৰকাৰৰ দিনতে ব্ৰহ্মপুত্ৰ খননৰ প্ৰস্তাৱ গ্ৰহন কৰা হৈছে, যিটো কেতিয়াও আমি শুনা নাছিলো। Barak Valley ৰ খননৰ কথা চলিছে। ঠিক আছে, river hight টো কমাবৰ কাৰণে জাহাজ চলা-চলৰ সুবিধাৰ কাৰণে খনন কৰিছে। কিন্তু সেইটো যেতিয়া খনন হ'ব আৰু যেতিয়া ব্ৰহ্মপুত্ৰ নদীৰ মাজৰ অংশ খনন কৰি এটা ড্ৰেইন কৰি দিব পৰা যায় আৰু বেংক বোৰ যদি stabilize কৰি দিয়া যায় তেতিয়া ইয়াৰ পৰা এটা long term solution হোৱাৰ সম্ভাৱনা আছে। অধ্যক্ষ মহোদয়, ইয়াৰ কাৰণে এটা বৃহৎ পৰিমানৰ পুঁজিৰ দৰকাৰ। কেৱল এই সমস্যাটোক যদি ৰাষ্ট্ৰীয় সমস্যা বুলি ঘোষণা কৰিলেই যদি সমস্যাটো সমাধন হৈ যায় তেন্তে আমাৰ একো আপত্তি নাছিল আৰু আজিয়েই কওঁ আৰু তাৰ পিছত এই সমস্যাটো নাই। ইয়াৰ পিছত সমস্যাটো আকৌ আহিব, পইচাটো লাগিব। এতিয়া পইচাটো ৰাষ্ট্ৰীয় সমস্যা বুলি কলেও লাগিব, নকলেও লাগিব । এতিয়া কেন্দ্ৰীয় চৰকাৰে বিশেষকৈ প্ৰধানমন্ত্ৰীয়ে গোটেই উত্তৰ-পূৰ্বাঞ্চলৰ বানপানী আৰু গৰাখহনীয়া সমস্যা যোৱাবাৰ যিটো হৈছিল তাৰ কাৰণে পইচা ঘোষণা কৰিছিল । মাননীয় অধ্যক্ষ মহোদয়, বিশেষকৈ নামনি অসমত ভূটানত এৰি দিয়া পানীৰ কাৰণে যি অৱস্থাৰ সৃষ্টি হৈছে তাত ৰেড এলাৰ্ট কৰিছে, তাত মানুহ টুপনি যাব পৰা নাই। এনেই বানপানীয়ে সমস্যাৰ সৃষ্টি কৰিছে, তাতে আকৌ ভূটানে পানী এৰি দিলে কি হ'ব । অধ্যক্ষ মহোদয়, আমাৰ উজনি অসমৰ সোঁৱণশিৰি নদীৰ জলবিদ্যুৎ প্ৰকল্পই যিটো সমস্যাৰ সৃষ্টি কৰিছে, আজি ১০-১৫ বছৰ ধৰি এই প্ৰকল্পটোৰ বাবে যি debate চলি আছে আৰু আজিলৈকে এই সমস্যাটোৰ সমাধান হোৱা নাই । এইটো সঁচা কাইলৈ dam টো যদি বনায়, dam সম্পূৰ্ণ হোৱাৰ পিছত Power generation dam যিটো হয় গোটেই দিনতো পানীটো ৰখাই থব আৰু

সন্ধিয়া যেতিয়া Power টো দৰকাৰ হ'ব তেতিয়া টাৰ্বাইনটো চলাব । দিনত অকল ৬ কিউমেক্স পানী এৰিব। ৰাতি ২৫০০ কিউমেক্স তাৰমানে আপোনাৰ ১০০০ গুণ পানী বেছি এৰিব । আমি সকলোৰে জানো বানপানীত খহনীয়া কেতিয়া হয়, যেতিয়া বানপানী হৈ যিদিনা পানী কমা আৰম্ভ কৰে তেতিয়া খহনীয়া আৰম্ভ কৰে। এতিয়া আমাৰ জনগণে কৈ আছে বানপানী গৰাখহনীয়াৰ সমস্যাটো সমাধান হওঁক। আৰু যদি বৃহৎ নদীবান্ধ যদি বনায়, যদি বনোৱাৰ কাৰণে বানপানীৰ কাৰণে গৰাখহনীয়া সমস্যা সমাধান হয় আমি বনাব দিম বুলি কৈছো। কিন্তু বৃহৎ নদীবান্ধ বনোৱাৰ কাৰণে যদি বানপানী, গৰাখহনীয়া সমস্যাটো আৰু অধিক বাঢ়ি যায় আমি কিয় বনাব দিম । অধ্যক্ষ মহোদয় মই আজি প্ৰশ্ন এটা আনিছিলো যিটোত শুধিছিলো যে এই কথা কেন্দ্ৰীয় চৰকাৰে স্বীকাৰ কৰি লোৱাৰ পিছত নামনি সোঁৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ কাৰণে যি খহনীয়া হ'ব সেইটো ৰোধ কৰাৰ কাৰণে ৪৭০ কোটি টকা দিছিলে । অধ্যক্ষ মহোদয় অসম চৰকাৰে বছৰত ৫০০ কোটি টকা পাও SDRF ত । সেই ৫০০ কোটি টকাতো ৰেষ্ট'ৰেচনৰ কাৰণে সকলো বিভাগত ভগাই দিয়ে । কিন্তু অকল সোঁৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ কাৰণে ৪৭০ কোটি পাইছিলো, আৰু আজি ৰিপোৰ্টত আহিছে তাৰ ভেকোভাওনা চলি আছে । NHPC য়ে তাত ১৩৫ কোটি টকা বেংক Stabilization ত খৰচ কৰিছে আৰু বাকী ৩২০ কোটি টকা আমাৰ তাত যি সকল ট্ৰাইবেল মানুহ আছে গাহৰি পুহিব শিকাব, পলু পুহিব শিকাব, মুগা খেতি কৰিব শিকাব এতিয়া। কেনেকুৱা হাস্যকৰ কথা। তাৰ যদি সদ ব্যৱহাৰ নহয় আমাৰ নামনি অংশত থকা জনগণে কিয় dam বনাব দিব । অধ্যক্ষ মহোদয় তাতকৈ ভয়াবহ কথাটো হ'ল কি এই dam টো ১১১ মিটাৰ ওখ। এতিয়া তাতকৈ ভয়াবহ কথা হ'ল ডিবাং ভেলী, তাৰমানে তিনিচুকীয়া, শদিয়া, ডিব্ৰুগড়, ধেমাজি, লক্ষিমপুৰ, মাজুলীৰ ওপৰত ব্ৰহ্মপুত্ৰৰ সকলোতলৈ যিটো পানীৰ source দিবাং ভেলীত ২৭৮ মিটাৰ ওখ dam বনাবলৈ গৈ আছে। যোৱা ১২ দিন আগতে প্ৰধান মন্ত্ৰী ডাঙৰীয়াই clear কৰিছে। মই ভাল পাইছো, কিন্তু অধ্যক্ষ মহোদয় নামনি অংশত যিটো প্ৰভাৱ পৰিব সোঁৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ প্ৰভাৱৰ কোনে দ্বায়িত্ব ল'ব। অধ্যক্ষ মহোদয়, ২৭৮ মিটাৰ হিচাপ কৰিলে দেখা যায় যে যদি এক মহলীয়া ঘৰ এটা বনাও আৰু ১০ ফুটৰ চাটতো দিও তেন্তে ৯০ মহলীয়া ঘৰটোৰ উচ্চতা কিমান হ'ব । অধ্যক্ষ মহোদয় আমাৰ বিধান সভাৰ নতুন গৃহ নিৰ্মাণ কৰি আছে ১৭ মহলীয়া। ওপৰলৈ চালে দেখা যায় গুৱাহাটীৰ ভিতৰতে ওখ ঘৰ। এই ১৭ মহলীয়া বিলডিংটো চালে যেনেকুৱা লাগে, তেনেহ'লে ৯০ মহলীয়া বিলডিংটো চালে কেনেকুৱা লাগে। গতিকে সেই dam টোৰ উচ্চতা হৈছে ৯০ মহলীয়া বিলডিংৰ সমান । এই dam টো পৃথিৱীৰ ভিতৰতে tallest concrete gravity dam. তাৰ পৰা যেতিয়া পানীটো এৰিব আৰু দিনটো যেতিয়া পানীটো ৰখাই থব আৰু সন্ধিয়া হ'লে পানীটো এৰি দিব তেতিয়া কেনেকুৱা এটা ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি হ'ব । আমাৰ মানুহে সৌসিদিনা আলোচনা কৰিছিলো যে ব্ৰহ্মপুত্ৰ এনেও বাম, চিয়াং নদী এনেও বাম, লুইত নদীও বাম সেয়েহে বাম হোৱাৰ কাৰণে পানীবোৰ সোনকালে সিচৰিত হৈ আমাৰ গাওঁবোৰত প্ৰত্যেক বছৰে সোমাই আছে। এইবোৰ সমস্যাৰ নিৰাময় হোৱা নাই, তাৰ উপৰিও এই নতুন বিপদ আহি আছে কি হ'ব । অধ্যক্ষ মহোদয় আমি অসমৰ ৰাইজে ধৰিলে আৰু কেন্দ্ৰীয় চৰকাৰে দ্বায়িত্ব ল'ব লাগিব । মই অনুৰোধ জনাইছো আমাৰ যি খিনি বানপানী আৰু গৰাখহনীয়া সমস্যা সমাধানৰ কাৰণে বৃহৎ পূঁজিৰ দৰকাৰ সেই পূঁজি পোৱাৰ এটা ৰাস্তা আছে । অধ্যক্ষ মহোদয় সোঁৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ কাৰণে যেনে কৈ ৪৭০ কোটি টকা আন্দোলন কৰাৰ কাৰণে পালো এই বৃহৎ নদীবান্ধ দিবাংৰ কাৰণে আমি অসম চৰকাৰ আ ৰু অসমৰ জনগণে যদি বিচাৰো ২০০০

বা ৩০০০ কোটি টকা আমিও পাম। ইয়াৰ উপৰিও অৰুণাচলৰ এটা ৰিপোৰ্টত এনেকুৱা ধৰণৰ এটা dam এটা হ'ব বুলি ঘোষণা হৈছে । ইয়াৰ পৰা অৰুণাচলৰ কেনেকুৱা লাভ হ'ব বুলি কওতে তেতিয়া the total value of the benefit to the Arunachal Pradesh from three power and contribution to the local area development fund will be 26785 crore over the project life of the 40 years. আৰু সেই project ৰ expenditure হ'ল 28000 crore দিবাং ভেলীৰ এই dam টোৰ কাৰণে। কিন্তু এইটো হ'ল আজিৰ তাৰিখৰ হিচাপ । যেতিয়া ৯, ১০ বছৰৰ পিছত এই dam টো সম্পূৰ্ণ হ'লে ইয়াৰ assessment কৰিলে পোৱা যাব ৬০ হাজাৰ কোটি টকা হ'ব বুলি কৈছে । ৬০ হাজাৰ কোটি টকা হোৱা মানে অৰুণাচলে পাবলগীয়া লাভটো ২৬ হাজাৰ কোটি নহয় ৪০ হাজাৰ কোটি টকা হ'ব । অধ্যক্ষ মহোদয় এই ৪০ হাজাৰ কোটি টকা যদি ৪০ বছৰত ভগাই দিয়া হয় তেতিয়া হ'লে বছৰত ১ হাজাৰ কোটি টকা লাভ অৰুণাচল চৰকাৰে পাব। অৰুণাচলে বছৰি ৩,০০০-৪,০০০ কোটি টকা পাব এই ডেমবোৰৰ পৰা , কিন্তু আমি অসমে কি পাম? আমি অসমে ক্ষতিটোহে পাম। আমাৰ ক্ষতিটোৰ নিৰাময় উলিয়াই দিয়ক। নিৰাময়ৰ পইচাটো অৰুনাচলে যেনেকৈ পাব, তেনেকৈ যদি আমাকো দিয়ে , আমি ৫,০০০ - ১০,০০০ - ২০,০০০ কোটি টকা পাম। ২০,০০০ কোটি টকা যদি আমি পাও Protectionৰ কামটো আমি কৰি ল'ব পাৰো। আমাৰ জনগণই কৈছে - কেন্দ্ৰীয় চৰকাৰে যদি বৃহৎ নদীবান্ধ বনাব বিচাৰে বনাওঁক। Power আমাকো লাগে কিন্তু তলত আমাৰ ক্ষতি হ'ব পৰা , খহনীয়া ৰোধ কৰাৰ আমাক ৰাস্তাটো দিয়ক, বানপানীৰ পৰা বাছিবলৈ আমাক ৰাস্তাটো দিয়ক। যদি এই নিৰাময়ৰ ৰাস্তাটো যদি দিয়ে তেন্তে বৃহৎ নদীবান্ধ বনালেও আমাৰ আপত্তি নাই বুলি কৈছে। অধ্যক্ষ মহোদয়, আমি কৈ থাকো পইছা ক'ত পাম? এইটো বানপানীৰ সময়ত আমাৰ জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়া মোৰ সমষ্টিলৈ আহিছিল, তাৰ বাবে তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। মোৰ তাত ৭০ কি.মিৰ অংশ এটা আছে য'ত মথাউৰি নাই। তাত প্ৰায়৪০-৫০ কি.মি ৰ এটা মথাউৰি এটা লাগে। লগতে erosion protection works ৰ বাবে ১৫০ কোটি টকা লাগে। এই ১৫০ কোটি টকা ক'ৰ পৰা আহিব। আমাৰ আছে ৫৫০ কোটি টকা । গতিকে পইচাটো অহাৰ আমাৰ উৎসটো আমাৰ আছে। Lower Suwansiri Dam লৈ আমি ৪৭০ কোটি টকা পালো। Dibang ক লৈ আমি ২,০০০ কোটি টকা আমি পাম যদি বিচাৰো। বাকী ডেমবোৰ যদি বনায় আমাক পইচাটো দিয়ক Lower down stream impact assessment study কৰি আমাক পইচাটো দিয়ক, ২০,০০০ কোটি টকা । একেলগে যদি পইচাটো নিদিয়ে তেনেহ'লে ১০ বছৰ বা ৫ বছৰৰ প্ৰগ্ৰেম এটা লওঁক পইচাটো আদায় দিয়াৰ কাৰনে। এইটো যদি কৰা হয় আমাৰ বানপানী আৰু গড়াখহনীয়া সমস্যা মোকাবিলা কৰাত পুঁজিৰ সমস্যা নাথাকিব। কেৱল কেন্দ্ৰীয় চৰকাৰক হেঁচা দি থাকিলে নহ'ব। অসম চৰকাৰ, আমাৰ সদনেও, এটা কংক্ৰিট প্ৰপোজেল দিব লাগে যে ডেমবোৰ যদি বনায় লোৱাৰ ডাউন ষ্ট্ৰীমত যিটো ইমপেক্ট হ'ব সেইখিনি মেনেজমেন্ট কৰাৰ বাবে আমাক কেন্দ্ৰীয় চৰকাৰে আমাৰ ৰাজ্য চৰকাৰক দিয়ক। আমি নিৰাময়ৰ ব্যৱস্থা কৰি ল'ম। তেতিয়া জনগণৰ আপত্তি নাথাকিব। ডিপাৰ্টমেন্টৰ টকা নাই। কেন্দ্ৰীয় চৰকাৰো এতিয়া দিব বুলি কৈছে , ভাল কথা , কিন্তু আৰু টকা লাগে, যিখিনি টকা দিব সেইখিনিৰে নুজুৰে। আমি অসমে প্ৰপোজেল ল'ব লাগে- যিটো বৃহৎ নদীবান্ধ আহিব তাৰ এটা অংশ আমাক দিব লাগিব। নিটি আয়োগৰ এটা ৰিপোৰ্টে কৈছে- India is facing the worst Water crisis in its History and 21 Indian Cities

will run out of Ground Water by 2020. তাৰ মানে অহা বছৰ। এতিয়া চেন্নাইত পানী নাই অৱস্থা বেয়া, বাংগালোৰৰ অৱস্থাও বেয়া , ২১ খন মহানগৰ বুলি কৈছে , তাৰ ওপৰতFood Crisis বুলি কৈছে অধ্যক্ষ মহোদয়। including Delhi, Bangalore, Chennai, Hydrabad, will run out of Gound Water by 2020 affecting 100 Million People, 40 per cent of Indian population will have no access to drinking Water by 2030. তাৰ পিছত কৈছে, given the combination of repidly declining Gound of the Level , this is also link to significant Food Security risk for the Country going forward. অধ্যক্ষ মহোদয়, পানীৰ দৰকাৰ। অন্যহাতে আমাৰ পানী আছে। পানী বেছি হৈছে। তেল নহ'লে মানুহ জীয়াই থাকিব অধ্যক্ষ মহোদয় কিন্তু পানী নহ'লে মানুহ জীয়াই থাকিব নোৱাৰে। ৪০ শতাংশ মানুহে পানীৰ আকালত ভূগিবলৈ গৈ আছে। তেল খাব নোৱাৰে। পানী খাবই লাগিব। আমাৰ তেলো আছে, পানীও আছে। আমাৰ তেলটো যেনেকৈ পাইপ লাইনেৰে ভাৰতবৰ্ষৰ বিভিন্ন ঠাইলৈ পঠাইছো একেদৰে মহাবাহু ব্ৰহ্মপুত্ৰৰ পানীটো যদি ২১ চিটিত বিক্ৰী কৰিব পাৰো , সেই ৰাজ্যলৈ যদি আমি নিব পাৰো সেইটো এটা ৰেভিনিউ। সেইদিনা হায়দৰাবাদৰ ৰিপোৰ্ট এটা পালো - গ্ৰাউণ্ড ৱাটাৰ নোহোৱা হৈছে সেই কাৰনে সাগৰৰ পানী শোধন কৰি খোৱা পানী যোগান ধৰাৰ ব্যৱস্থা কৰিছে তাত। পাৰ লিটাৰ ২০ পইচাকৈ গৰ্ভমেন্টে কিনিব লাগিব। গৰ্ভমেন্টে কিনাৰ কাৰনে চুক্তি কৰিছে। আমি পানী মিলিয়ন লিটাৰ, বিলিয়ন লিটাৰ পানী আমি দিব পাৰো। এই ব্ৰহ্মপুত্ৰৰ পানীটো আমি যদি এই ২১ খন মহানগৰত যোগান দিব পাৰো আমাৰ ৰেভিনিউ আহিব। কেন্দ্ৰীয় চৰকাৰক আমি ক'ব লাগে পানীটো লৈ যাওক পাইপেৰে আমাৰ ইয়াৰ পৰা । পানীৰ ৰেভিনিউটো আমাক দিয়ক। যিখিনি ডেম বনাব তাৰ ডাউন ষ্ট্ৰীম ইমপেক্টৰ বাবে আমাক টকা দিয়ক। তেতিয়া আমাৰ ইয়াত যিটো বানপানী আৰু গড়াখহনীয়া প্ৰতিৰোধ কৰাৰ কাৰনে বিশাল পুঁজিৰ প্ৰয়োজন হয় সেইখিনি এই উৎসৰ পৰা পাম। অধ্যক্ষ মহোদয় ২০০৬ চনৰ পৰা মই বিধায়ক হিচাপে আছো। বানপানী সমস্যা ৰাষ্ট্ৰীয় সমস্যাহিচাপে ঘোষণা কৰিব লাগে বুলি ডিবেট চলি আছে। কিন্তু এতিয়া Out of the Box চিন্তা কৰি এই সমস্যা সমাধানৰ ব্যৱস্থা কৰিব লাগিব অধ্যক্ষ মহোদয়। গতিকে অধ্যক্ষ মহোদয় ৰাষ্ট্ৰীয় সমস্যাৰ Teg টো লগাই দিলে এই সমস্যাৰ সমাধান নহয়। এই কথাটো গাই থাকিলে নহ'বOut of the Box আমি চিন্তা কৰিব লাগিব। ইয়াৰ solution আমি কেন্দ্ৰীয় চৰকাৰক দিব লাগিব। গতিকে অধ্যক্ষ মহোদয় মোৰ এটা সদনক অনুৰোধ যদি বৃহৎ ডেম কেন্দ্ৰীয় চৰকাৰে বনাম বুলি ভাবিছে- তাৰ ৰেভিনিউ শ্বেয়াৰিং আমি অসম চৰকাৰে পাব লাগে। অকল অৰুনাচলেই নহয় আমিও প্ৰতি বছৰে ১০০০ কোটিটকাৰ অংশ কেন্দ্ৰীয় চৰকাৰৰ পৰা পাব লাগে। দ্বিতীয়তে down stream impact assessment কৰি গড়াখহনীয়া ৰোধৰ টকাটো আমি পাব লাগে। আৰু তৃতীয়তে জল সম্পদৰ কথাটো, ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহ অসমৰ বাবে সঁচা অৰ্থত জল সম্পদ। এই জল সম্পদ কেন্দ্ৰীয় চৰকাৰক MOU কৰাৰ বাবে বাধ্য কৰি উপৰঞ্চি পানীখিনি বিক্ৰি কৰি পুঁজি আৰ্জন কৰিব লাগে আৰু আমাৰ বানপানী আৰু গড়াখহনীয়াৰ সমস্যা সমাধান কৰাৰ ব্যৱস্থা কৰিব লাগে। মোৰ বিশ্বাস এইক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ সদিচ্ছা আছে। আমি যদি এনেধৰনে প্ৰস্তাৱ আগবঢ়াই দিও নিশ্চয় কেন্দ্ৰীয় চৰকাৰে দায়িত্ব ল'ব আৰু আমাৰ এইখন চৰকাৰেও দায়িত্ব ল'ব সেই কাৰনে মই বিৰোধীক মই অনুৰোধ জনাইছো Out of the Box আমি চিন্তা কৰি এটা প্ৰস্তাৱ দিয়ক। অকল ৰাষ্ট্ৰীয় সমস্যা বুলি কৈ থাকিলে

নহ'ব, এই টেগটো বাদ দিয়ক ।এইখিনি কথা কৈ মোৰ বক্তব্য সামৰণি মাৰিলো। ধন্যবাদ সভাপতি মহোদয়।

**माननीय সভাপতি ঃ** ধন্যবাদ পেগু ডাঙৰীয়া, এতিয়া চক্ৰধৰ গগৈ।

**শ্ৰীচক্ৰধৰ গগৈ, বিধায়ক ঃ** মাননীয় সভাপতি মহোদয়, বিৰোধীৰ ফালৰ পৰা অসমৰ বান সমস্যাক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষনা কৰাৰ নিমিত্তে যি সংকল্প প্ৰস্তাৱ উত্থাপন কৰিছিল এই বিষয়টোৰ ওপৰত সভাপতি ডাঙৰীয়াই আমাক এআষাৰ ক'বলৈ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। মই নিজে এগৰাকী বানপানী কবলিত অঞ্চলৰ এজন বিধায়ক হিচাপে এই বিষয়টো বহুবাৰ সদনত ৰাখিছো। আজিও দুটামান কথা ক'ব বিচাৰিছো। সভাপতি মহোদয় অসমৰ যি বান সমস্যা এইটো আজি বা কালিৰ নহয়। স্বাধীনতাৰ আগতেও আৰু পাছতো অসমৰ বিভিন্ন জিলাত বানপানী হৈ আছে। হয়তো কোনোবা বছৰ কম আৰু কোনোবা বছৰ বেছি। কিন্তু এইবাৰ ৩৮ খন জিলাৰ ভিতৰত৩৩ খন জিলাতে বানপানী হৈছে আৰু ১০০ অধিক লোক ইতিমধ্যে আমাৰ মাজৰ পৰা হেৰাই গৈছে। তাৰোপৰি শ শ জীৱ জন্তু আৰু বহু হেক্টৰ কৃষিভূমি ইতিমধ্যে নষ্ট হৈছে। বানপানীত ককবকাই জীয়াই থকাৰ যিটো পৰিবেশ এতিয়া অসমত সৃষ্টি হৈ আছে ইয়াৰ বাবে ৩ বছৰীয়া বি জে পি চৰকাৰখন নিশ্চয় দায়ী নহয়।

**(আসনত মাননীয় অধ্যক্ষ উপবিষ্ট)**

অসমত যেতিয়া বানপানী হয় তেতিয়া এইখন সদনৰ মজিয়াৰ লগতে বাহিৰতো বহু মন্ত্ৰীৰ লগতে মুখ্যমন্ত্ৰী পৰ্য্যন্ত লোকে উত্তৰ দিয়া শুনিছিলো। অসমৰ এই জলন্ত সমস্যাটো সমাধানকল্পে অসমৰ ৰাইজক কি কি পৰামৰ্শ দিছিল সেইবোৰ আমাৰ মনত আছে। কিছুমানে জনহিতৰ কাৰণে কৈছিল যে আমি কল গছ লগাব লাগে, কলপুলি ৰুব লাগে ভুৰ বনোৱাৰ কাৰণে আৰু এনেধৰণৰ কথাও আমি এই সদনৰ বাহিৰে, ভিতৰে শুনিবলৈ পাইছো যে লণ্ডন আমেৰিকাতো বানপানী হয়, গতিকে অসমত বানপানী হোৱাটো কোনো ডাঙৰ কথা নহয় ইত্যাদি ধৰণৰ টুলুঙা মন্তব্য দিয়াও আমি শুনিবলৈ পাইছো।

কিন্তু আজি সদনত বিৰোধী দলৰ ফালৰ পৰা বানপানী সমস্যাটোক ৰাষ্ট্ৰিয় সমস্যা হিচাপে গণ্য কৰাৰ সংক্ৰান্তত যি **"সংকল্প প্ৰস্তাৱ"** আগবঢ়াইছে, সেইটো মই ব্যক্তিগত ভাৱে বেয়া পোৱা নাই। কিন্তু এটা কথা ঠিক যে - বানপানী সমস্যাটোক ৰাষ্ট্ৰিয় সমস্যা হিচাপে স্বীকৃতি দিলেই বানপানী শুকাই নাযায়। অসমত বানপানী হোৱাৰ ক্ষেত্ৰত আমাৰ চুবুৰীয়া ৰাষ্ট্ৰ সমূহৰো অবদান আছে। কাৰণ অৰুণাচল প্ৰদেশে যেতিয়া ৰঙানদী বান্ধৰ পানী এৰি দিয়ে আৰু ভূটানে যেতিয়া কুৰেচী নদী বান্ধৰ পানী এৰি দিয়ে, তেতিয়া সেই নদীৰ পানীৰ ঢল কোনে ৰোধ কৰিব পাৰিব ! এই পানী ৰোধ কৰিবলৈ আমাক এটা Specified Machanism লাগিব।

আমাৰ মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই অসমৰ বানপানী সমস্যাৰ স্থায়ী সমাধানৰ অৰ্থে অসমত থকা নৈ উপনৈ সমুহৰ ওপৰত এটা বিজ্ঞানসন্মত গবেষণা আৰু অধ্যয়ণৰ কাৰণে অসম চৰকাৰক ১০০ কোটি টকা প্ৰদান কৰিছে। তাৰ বাবে মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো । অসম চৰকাৰেও বিভাগীয় মন্ত্ৰী আৰু বিষয়ববীয়া সকলৰ নেতৃত্বত এই কামখিনি সম্পাদন কৰাৰ ক্ষেত্ৰত বহুদূৰ আগুৱাই গৈছে। আমাৰ ব্ৰহ্মপুত্ৰ নদীখন এখন বৃহৎ নদী। ই ঢাপ মৰা খাল নহয় যে লগে লগে খান্দি চাফা কৰি দিব পৰা যায়। ব্ৰহ্মপুত্ৰ নদীখনত এক বিজ্ঞানসন্মত পন্থা অবলম্বনৰ দ্বাৰা খনন কাৰ্য্য চলাব লাগিব অন্যথা হিতে বিপৰীদ হব পাৰে। শদীয়াৰ পৰা ধুবুৰীলৈকে প্ৰসাৰিত

হৈ থকা ব্ৰহ্মপুত্ৰ নদীখনৰ ওপৰত চলাব লগীয়া গবেষণা বা অধ্যয়ণ কাৰ্য্য ইমান সহজ নহয় যে এবছৰ বা দুৰছৰতে সম্পূৰ্ণ কৰিব পৰা যাব। ইয়াৰ বাবে যথেষ্ট সময়ৰ প্ৰয়োজন হব। গতিকে এই সময়চোৱাত আমি সৰ্বসাধাৰণ ৰাইজে যাতে শংকা, মানসিক দুচিন্তাত পৰি হতাশ হৈ নপৰে, সেই কাৰণে এই হতাশাৰ বিপৰীদে এটা আশাৰ বতৰা কঢ়িয়ায় অনাৰ বাহে সভাপতি মহোদয় মই ইংৰাজীতে এটা উদ্ধৃতি দিবলৈ বিচাৰিছো যে - We must build dykes of courage to hold back the flood of fear অৰ্থাৎ আমি ভয়ানক বানপানীক ভেটা দিবলৈ আমাৰ মনত সাহসৰ মঠাউৰি নিৰ্মাণ কৰিব লাগিব। আমি যদি কেৱল সমস্যা বিলাকৰ কথাবিলাক আলোচন্ আৰু সমালোচনাই কৰি সময় বোৰ পাৰ কৰো, তেতিয়াহলে বানপানীৰ সমস্যাবোৰ সমাধান কৰিব নোৱাৰিম।

মাননীয় সভাপতি মহোদয়, এই প্ৰসংগতে মই মাননীয় মূখ্যমন্ত্ৰী মহোদয়কো ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো যে - তেখেতে এইবাৰ ভয়াৰ্ত বানপানীৰ সময়ত মোৰ সমষ্টিৰ - আন্তৰ্গত "লৰোৱা" নামৰ যিটো মৌজা আছে তাত ৫ খন পঞ্চায়ত আছে, তাৰ প্ৰায় ৬০ খনৰো অধিক গাওঁ বানত বুৰ গৈছিল। সেই সময়ত তাৰ বন্যাৰ্ত সকলৰ মাজত খোৱা বোৱাকে ধৰি অন্যান্য প্ৰয়োজনীয় প্ৰয়োজনীয় সামগ্ৰীৰ যোগান ধৰি প্ৰায় ১০ দিন মান যিধৰণে সহায় কৰিলে তাৰ কাৰণে মই মুখ্যমন্ত্ৰী, বিভাগীয় মন্ত্ৰীৰ লগতে চৰকাৰ খনকো ধন্যৱাদ জ্ঞাপন কৰিছো।

মই মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক আৰু এটা কথাত ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো যে এই বাৰ বানপানীৰ সময়ত তেখেতে সমগ্ৰ অসমমৰ শদীয়াৰ পৰা ধুবুৰীলৈকে আৰু কাৰ্বি-আং-লং আদি ঠাই সমুহলৈ কেৱল হেলিকপ্তাৰেৰে নহয়, গাড়ীৰেও ভ্ৰমণ কৰি বান পৰিস্থিৰ বুজ লৈছিল আৰু বন্যাৰ্ত সকলৰ মাজত শান্তনা আৰু সাহস দিয়াৰ লগতে পশুধনৰ মাজতো পশুখাদ্য বিতৰণ কৰি আন্তৰিক সহযোগীতা আগবঢ়ালে। দুখৰ সময়ত বানাক্ৰান্ত সকলৰ মাজত থিয় দি যি বদান্যতা দেখোইছিল তাৰ বাবেও ধন্যবাদ জনাইছো।

মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক আৰু এটা কথাত ধন্যবাদ জ্ঞাপন কৰিব বিচাৰিছো যে - তেখেতে যোৱাবাৰ মুখ্যমন্ত্ৰীৰ বিশেষ পুঁজিৰ পৰা মোৰ সমষ্টিত প্ৰায় এক কোটি টকাৰ ৪ টা High Land দিলে। এইবাৰ বানপানীৰ সময়ত দেখিবলৈ পালো যে এই High Land সমুহত কেৱল মানুহেই নহয়, ইয়াত গৰু, ছাগলী, গাহৰি, হাঁহ, কুকুৰা আদিকো আশ্ৰয় দি ৰাখিছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এই High Land নিদিয়া হলে আগৰ দৰে এইবাৰো মোৰ সমষ্টিৰ মানুহে বানপানীত কক - বকাই থাকিব লগীয়া অৱস্থাৰ সৃষ্টি হঁলহেতেন আৰু বহু পশুধনৰ মৃত্যু পৰ্যন্ত হলঁহেতেন। তাৰ বাবেও মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো।

মই মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াক আৰু এটা কথাৰ বাবে ধন্যবাদ জনাবই লাগিব যে- বিগত দিনতো বানপানী আহিছিল আৰু গৈছিল কিন্তু সেই সময়ত কোনো জনপ্ৰতিনিধিযে ৰাইজৰ খবৰ লোৱা বা তেনেধৰণৰ কোনো তৎপৰতা গ্ৰহণ কৰা নাছিল। কিন্তু এইবাৰ বান অহাৰ পাচত চৰকাৰৰ ফালৰ পৰা লগে লগে Assessment কৰোৱা হৈছে, ইতিমধ্যে গাওঁবুঢ়া, S.D.C. বা D.C. ৰ জৰিয়তে নিপিড়িত ব্যক্তি সকলৰ ক্ষয় ক্ষতিৰ বুজ লৈছে। মই আশা ৰাখিছো আতি কম দিনৰ ভিতৰত চৰকাৰে প্ৰতিটো ক্ষতিগ্ৰস্ত পৰিয়ালক ৩৮০০ টকাকৈ দিবলৈ সক্ষম হব। এইটো আমাৰ কাৰণে নিশ্চয়কৈ এটা ভাল খবৰ হব, তাৰ বাবেও মই চৰকাৰ খনক ধন্যবাদ জনাইছো।

আগৰ চৰকাৰৰ দিনত বহু সময়ত এনে কথাও ওলাইছিল যে প্ৰধান মন্ত্ৰী বা কেন্দ্ৰীয় চৰকাৰে আমাক মাহী আইৰ চকুৰে চায়, কিন্তু এতিয়াৰ দিনত মই সাহস আৰু বিস্বাসেৰে কব পাৰো যে -

বৰ্তমান নৰেন্দ্ৰ মোডী চৰকাৰৰ দিনত আমাক কেতিয়াও মাহী আইৰ চকুৰে চোৱা নাই। বৰ্তমান গুজৰাটত প্ৰায় ৬.৮৭ কোটি মানুহ আছে আৰু আমাৰ ইয়াত প্ৰায় ৩.২৫ কোটি মানুহ আছে, গতিকে গুজৰাটত ২০০ কোটি টকা বেছিকৈ দিয়াটো একো ডাঙৰ কথা নহয়। মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই আমাৰ অসম চৰকাৰলৈকো প্ৰায় ২৫১ কোটি টকাৰ অনুদান আগপঢ়াইছে। তাৰ বাবেও মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই যে অসমৰ বানপানী সমস্যাটোক চিৰদিনৰ বাবে ৰোধ কৰিবলৈ প্ৰয়োজন হোৱা অধ্যয়ণৰ কাৰণে অসম চৰকাৰক ১০০ কোটি টকা প্ৰদান কৰিছে তাৰ বাবেও মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াক ধন্যবাদ জনাইছো। এইবাৰ অসমত বানপানী হোৱাৰ তিনি দিনৰ পিচতেই কেন্দ্ৰীয় জলসম্পদ মন্ত্ৰী গৰাকী উজনি অসমলৈ আহি মাজুলীত খোজ কাঢ়ি বন্যাৰ্ত সকলৰ মাজলৈ আহি যি সহাঁৰি আৰু আন্তৰিকতা দেখোৱালে সি আমাৰ মাজত এক উৎসাহজনক পৰিবেশৰ সৃষ্টি কৰিলে তাৰ কাৰণেও মই কেন্দ্ৰীয় চৰকাৰক ধন্যবাদ জ্ঞাপন কৰিছো। মই আমাৰ জলসম্পদ মন্ত্ৰী গৰাকীকো ধন্যবাদ জনাইছো কাৰণ তেখেতে যি দিনাৰ পৰা দায়িত্বভাৰ গ্ৰহণ কৰিলে তাৰ পাচৰে পৰা কেৱল বানপানীৰ সময়তেই নহয় অন্যান্য বিভিন্ন সময়ত নদী মঠাউৰি আদি সমস্যা সমূহ দূৰ কৰাৰ কাৰণে ৰাইজৰ মাজত থিয় দিছে আৰু কেনেকৈ এই সমস্যা বিলাকৰ পৰা হাত সাৰিব পাৰি তাৰ উপায় উদ্ভাৱনৰ বাবে অহৰহ প্ৰচেষ্টা চলোৱাৰ লগতে সামন্তৰাল ভাৱে এই সমস্যা সমূহ ওচৰৰ পৰা অনুধাৱন কৰি সেই সমস্যা বিলাক নিৰাময়ৰ ব্যৱস্থা কৰিছে আৰু এটা কাৰণে মই তেখেতক ধন্যবাদ জনাইছো যে যোৱা দুই বছৰ ধৰি মোৰ সমষ্টিৰ বানপানীৰ লগত জড়িত থকা দুখন আঁচনি তেখেতৰ লগত মই আন্তৰিকতাৰে আলাপ আলোচনা কৰি আগবঢ়াই নিয়াৰ কাৰণে প্ৰয়াস কৰিছে। কিন্তু কিবা কাৰণত আমি সমাধান পোৱা নাই। মই আশা ৰাখিছো যে এইবাৰ নিশ্চিত ভাৱে তাৰ পৰা সমাধানৰ পাব পাৰিম আৰু জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই এইটো আমাক নিশ্চিত ভাল উপহাৰ দিব। এইখিনি মই তেখেতৰ পৰা কামনা কৰিছো। আজি অসমত যিবিলাক মথাউৰি আছে, ব্ৰহ্মপুত্ৰৰ মথাউৰিয়ে হওঁক বা দিহিঙৰ মথাউৰিয়ে হওঁক বা অন্যান্য নদীৰ মথাউৰিয়ে হওঁক, যিবিলাক আমাৰ নদীৰ মথাউৰি আছে, সেই মথাউৰিবিলাক ইয়াৰ বয়স কিমান, ই কেতিয়া বনোৱা হৈছিল, কেনেকৈ বনোৱা হৈছিল, ইয়াৰ ওখ কিমান আছিল, বহল কিমান আছিল, ইয়াৰ কোনো তথ্য চৰকাৰৰ হাতত নাই। বিগত দিনৰ চৰকাৰ বিলাকে এই তথ্য বিলাক কিয় সংগ্ৰহ কৰি নাৰাখিলে, আমি নাজানো। কিন্তু ইয়াৰ তথ্য আমাৰ হাতত নাই, যাৰ কাৰণে কোনোবা এটা মথাউৰি আজি ৭০-৮০ বছৰ পাৰ হৈ গৈছে। মোৰ সমষ্টি দিহিঙত যিকেইটা মথাউৰি আজি ৫০ ৰ দশকত বনোৱা মথাউৰি। আজিলৈকে তাৰ কোনো ইতিহাস কেনেকুৱা ধৰণৰ আছিল তাৰ কোনো তথ্য আমাৰ হাতত নাই। বিভাগত মই বিচাৰি যাওঁ, কিন্তু বিভাগে এই তথ্য দিব নোৱাৰে। তাৰ মানে তেওঁলোকে এইবিলাক সংগ্ৰহ কৰি নাৰাখিলে। সংগ্ৰহ কৰি নোথোৱাৰ কাৰণে আজি আমি এই মথাউৰি বিলাকক যেনেধৰণে নিৰ্মাণৰ ব্যৱস্থা কৰিব লাগিছিল, তাক আমি কৰিব পৰা নাই। কিন্তু তাৰ বিপৰীতে আমাক যিসকলে তাহানিতে শাসন কৰি যোৱা সেই বৃটিছসকলৰ কথা যদি কওঁ, অসমত থকা বহুত দলং বৃটিছে নিৰ্মাণ কৰি থৈ গৈছিল। সেই বৃটিছে নিৰ্মাণ কৰি যোৱা দলং বিলাকৰ নটিছ কিন্তু আমাৰ অসম চৰকাৰলৈকে, ভাৰত চৰকাৰলৈকে পঠিয়াই থাকে যে অমূকত নিৰ্মাণ কৰা দলংখনৰ বয়স ইমান বছৰ হ'ল, এইখন দুৰ্বলহৈছে গতিকে এইখন মেৰামতি কৰিব লাগে। ঠিক এনেকুৱাধৰণ তেওঁলোকে নটিছ পঠিয়াই। কিন্তু আমাৰ চৰকাৰৰ দিনত আজি স্বাধীনতাৰ পিছৰ প্ৰায় ৭০ বছৰ শাসন কৰি গ'ল তেওঁলোকৰ হাতত তথ্য বিলাক সংগ্ৰহ হৈ নাথাকিল। গতিকে আমি সেই কাৰণে

ভৱিষ্যতৰ দিনত আমাৰ চৰকাৰবিলাকক অনুৰোধ জনাম যে এই তথ্য বিলাক সংগ্ৰহ কৰি ৰাখিব লাগে। যাতে ভৱিষ্যতৰ প্ৰজন্মটোৱে সঠিক ভাৱে কামত লৈ আগুৱাই লৈ যাব পাৰে, তাৰ ব্যৱস্থা নিশ্চিত ভাৱে তেখেতসকলে কৰিব। আমাৰ চৰকাৰৰ দিনত যিটো ধৰণে বান সমস্যাটো গুৰুত্ব প্ৰদান কৰা হৈছে। মই নিশ্চিত ভাৱে কব পাৰো যে আগতে এনেকুৱা ধৰণৰ কোনো ব্যৱস্থা লোৱা নাছিল। কাৰণ এতিয়া যেতিয়া মানুহৰ মাজলৈ বানৰ সময়ত গৈছিলো কোনো বিধায়কে গালি খাব লগা হোৱা নাই। কমেও আমাৰ উজনিত মই জানো যে কোনো বিধায়কে গালি খাব লগা হোৱা নাই। এই কাৰণে মানুহে যেনেকুৱা ধৰণে সাহাৰ্য্য লাগে তেনেকুৱা ধৰণে পাইছে। কিন্তু এটা কথা আমি নিশ্চিত ভাৱে ক'ব লাগিব যে সাহাৰ্য্য দি মানুহক কেৱল জীয়াই ৰখাটো আমাৰ কাম নহয়। আমি এই সমস্যা যেতিয়ালৈকে স্থায়ী সমাধান কৰিব নোৱাৰিম, তেতিয়ালৈকে মানুহক কেৱল ৰেচন পাতি দি জীয়াই ৰখাৰ ব্যৱস্থা কৰো। এইটো আমাৰ কাৰণে বৰ বিপদ সংকট হব। তাৰ কাৰণে মই ভাৱো যে আগন্তুক দিন বিলাকত এই অস্থায়ী সমধানৰ বিপৰীতে এটা স্থায়ী সমাধান কৰি আমাৰ যিবিলাক নদী মথাউৰি আছে, সেই মথাউৰিবিলাক নিৰ্মাণ কৰিব লাগে। আজি মোৰ সমষ্টিত ব্ৰহ্মপুত্ৰ নদীৰ **৯** কিলোমিটাৰ মথাউৰি চিঙি লৈ গৈছে। কিন্তু দুখৰ কথা এই **৯** কিলোমিটাৰ মথাউৰিয়ে স্বাধীনতাৰ **৭০** বছৰ পিছত কোনো চৰকাৰে নিৰ্মাণ কৰিব নোৱাৰিলে। মই আজি অতি গৌৰৱৰে কৈছো মাননীয় মুখ্যমন্ত্ৰীৰ সহযোগত সেই মাননীয় ৰে'ল মন্ত্ৰী ৰাজেন গোহাঁই ডাঙৰীয়াৰ উদ্যোগত এইবাৰ তিনি কিলোমিটাৰ পাইছো প্ৰায় **১৮** কোটি টকা আৰু তাৰ বনজ সম্পদ ক্ষতি হোৱাৰ কাৰণে অসম চৰকাৰেও **২.৩০** কোটি টকা দিছে। তাৰ কাৰণে মই দুয়োখন চৰকাৰক ধন্যবাদ জনাইছো। আজি স্বাধীনতাৰ **৭০** বছৰৰ পিছত আমি তিনি কিলোমিটাৰ মথাউৰি নিৰ্মাণৰ কাৰণে সক্ষম হৈছো। এই অৱস্থা হৈছে আমাৰ চৰকাৰ বিলাকত। গতিকে মই আশা ৰাখিছো যে মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়াই যিটো ধৰণে উদ্যোগ লৈছে, এই উদ্দ্যোগ আগবাঢ়ি যাওঁক আৰু আমাৰ লগতে এইখন সদন তেখেতৰ লগত আছে। লগতে আমাৰ বিৰোধী সতীৰ্থ বন্ধু আছে মই তেখেতসকলকো আহ্বান জনাইছো যে আপোনালোকে দিয়া এই প্ৰস্তাৱ সমৰ্থন আছে যে বান সমস্যা ৰাষ্ট্ৰীয় সমস্যা হ'ব লাগে। কিন্তু এইটো ঘোষণা কৰোতে সমধান নহয়। ইয়াৰ কাৰণে মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই ইতিমধ্যে ব্যৱস্থা লৈছে একশ কোটি টকা দিছে, অধ্যায়ণ চলিছে। DPR যেতিয়া প্ৰস্তুত হ'ব নিশ্চয় ইয়াৰ এটা সমধান সুত্ৰ ওলাব সেয়া হয়তো ব্ৰহ্মপুত্ৰ নদী খননো হ'ব পাৰে, বৰাক নদী খননো হ'ব, দিহিঙৰ মথাউৰি নিৰ্মাণো হ'ব পাৰে, চেঁচাৰ মথাউৰি নিৰ্মাণো হ'ব পাৰে বা আপানালোকৰ বিভিন্ন সমষ্টিত থকা মথাউৰি নিৰ্মাণৰ কথাও হ'ব পাৰে। গতিকে এই কাৰণে কব লগা হৈছে মাননীয় অধ্যক্ষ মহোদয়, এইখন সদনৰ মজিয়াত যোৱা তিনিটা বছৰে বানপানীৰ কাৰণে মই যথেষ্ট কথা ৰাইজৰ আহ্বানৰ কাৰণে কব লগা হৈছে। মোৰ সমষ্টিতো এইবাৰ **৩৮** হেজাৰ মানুহ নিগৃহীত হৈছে। **৬০** খন গাওঁ একেবাৰে পানী ডুবি গৈছে। সেইকাৰণে কথাখিনি অলপ উষ্মা ৰাখিও কব লগা হৈছে মাননীয় অধ্যক্ষ মহোদয়, তাৰ কাৰণে যাতে ক্ষমা কৰে।

এই গোটেই বিষয়টোৰ ওপৰত আমাৰ বিৰোধীসকলে যিটো সংকল্প প্ৰস্তাৱ আনিছে। এই প্ৰস্তাৱ অন্তৰিকতাৰে কেৱল প্ৰস্তাৱ সদনত বিৰোধীতা কৰিবৰ কাৰণে নহয়। এই প্ৰস্তাৱ সহযোগিতাৰে কাম কৰিবৰ কাৰণে প্ৰস্তাৱ হিচাপে আনক, আমি নিশ্চয় ভাৱে আমাৰ সমৰ্থন থাকিব আৰু মই আমাৰ মাননীয় মূখ্যমন্ত্ৰী ডাঙৰীয়াক লগতে জলসম্পদ বিভাগৰ মন্ত্ৰী ডাঙৰীয়াক মোৰ ফালৰ পৰা আহ্বান আছে যে **১১৫** নং মৰাণৰ সমষ্টিৰ দৰে এই দুভীয়া সমষ্টিবিলাকৰ দৰে আৰু অসমত যিমান সমষ্টি আছে আটাইবোৰ সমষ্টিক বানমুক্ত কৰি ৰাইজক জীয়াই থকাৰ পৰিবেশ দিব লাগে।

এইখিনি কথাকে কৈ মাননীয় অধ্যক্ষ মহোদয় মই মোৰ বক্তব্য সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ। মই এতিয়া তালিকাখন চাইছো আমি ইতিমধ্যে প্রায় সাত আঠজনক সন্মানীয় বিধায়কক কবলৈ দিছো। আৰু এতিয়া মোৰ তাত ৯ জনৰ নাম আছে। সন্মানীয় সদস্য কমলসিং নাৰ্জাৰী, গুৰুজ্যোতি দাস, ৰমেন্দ্ৰ নাৰায়ণ কলিতা, গনেশ লিম্বু, প্ৰদীপ হাজৰিকা, তেৰছ গোৱালা, ঋতুপৰ্ণ বৰুৱা, কিশোৰ নাথ, ড০ নুমল মমিন আৰু কোনো আছে যদি মই নাজানো। এই কাৰণে আজিতো শেষ নহয়, কিন্তু অহা বাৰলৈ শেষ কৰিব লাগিব, নহলে নতুন বিষয় নাহিব। মই এতিয়া মাননীয় সদস্য কমলসিং নাৰ্জাৰী কবলৈ অনুৰোধ কৰিলো।

**শ্ৰী কমলসিং নাৰ্জাৰী (বিজনী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য বৃন্দাবন গোস্বামী ডাঙৰীয়াৰ লগতে বিৰোধী দলে তেওঁলোকে যিটো সংকল্প প্ৰস্তাৱ আনিছে বানপানী প্ৰতিৰোধ কৰাৰ বাবে, এইটো এটা ভাল প্ৰস্তাৱ বুলি কব লাগিব। আৰু এইটো সদায় আমি positive চিন্তাধাৰাৰ আগবাঢ়ি যাব পাৰো তাৰ কাৰণে মই সদনত আহ্বান জনাইছো আপোনাৰ জৰিয়তে। মই ২০০৬ চনৰ পৰা বিধান সভাৰ মজিয়াত আছো আজিলৈকে। বানপানীতো আমি ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্বীকৃতি দিব লাগে বুলি কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাব লাগে বুলি প্ৰস্তাৱ লোৱা বহু বছৰ হৈ গ'ল মাননীয় অধ্যক্ষ মহোদয়। আজিলৈকে অসমৰ যিটো বানপানীৰ সমস্যা ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্বীকৃতি নাপালে। পৰিতাপৰ বিষয় আমাৰ অসমৰ পৰা ৰাজ্যসভাৰ সদস্য হিচাপে মাননীয় প্ৰাক্তণ প্ৰধান মন্ত্ৰী ড° মনমোহন সিং, তেওঁ দুইবাৰকৈ প্ৰধান মন্ত্ৰী হৈ গ'ল। হোৱাৰ পিছতো অসমৰ বানপানীৰ সমস্যা ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্বীকৃতি দিয়াৰ কাৰণে আগবাঢ়ি নাহিল। এইটো আমাৰ কাৰণে খুৱ দূৰ্ভাগ্যৰ বিষয়। এইবাৰ আমাৰ ভাৰত প্ৰধান মন্ত্ৰী মোডী ডাঙৰীয়াই এই সমস্যাটো সমধান কৰিবৰ কাৰণে এটি পদক্ষেপ লম বুলি কথা দিছে। আমি আশাবাদী যে এইবেলি ৰাষ্ট্ৰীয় সমস্যা হিচাপে স্বীকৃতি দিয়ক বা নেদিয়ক, অসমৰ যিটো বানপানীৰ সমস্যা ইয়াক positively সমধান কৰাৰ পক্ষত আগবাঢ়ি যাব পাৰিম। সেইটো আমি আশাবাদী আৰু আশা কৰিছো। এইবাৰ যিটো গোটেই অসমত বানপানী হৈছে অসমখনক বহুতো ক্ষতিগ্ৰষ্ট কৰি থ'য় গ'ল। আৰু ইয়াৰ ক্ষতিপূৰণ আজি আমি নিশ্চয় কৰিব নোৱাৰো। তথাপিও ইয়াৰ বাবে বহুখিনি পদক্ষেপ লব লাগিব।এতিয়া আমি প্ৰধানকৈ নদী বান্ধৰ কথাটো বেছিকৈ আলোচনা কৰা হৈছিল। এই নদী বান্ধৰ ক্ষেত্ৰত আমাৰ Baksa, Chirang কে আদি কৰি কোকৰাঝাৰলৈকে এই পানী গৈছে। তাৰ পাছত ৰঙা নদী, চিয়াং বা আমাৰ নামনিৰ সোৱণশিৰি এই বিলাকৰ যিটো বান্ধ, পানী প্ৰধানকৈ ডাঙৰ ডাঙৰ ডেমবিলাক আছে, নদী বান্ধ বিলাক আছে, সেই নদী বান্ধৰ যেতিয়া পানী এৰি দিয়ে, বাৰিষা বতৰত পানী বেছি হোৱাৰ ফলত তাৰ ফলত বেছিকৈ আমি বানপানীত ক্ষতিগ্ৰস্ত হোৱাটো দেখিবলৈ পাইছো। মই যেতিয়া ষষ্ঠ শ্ৰেণীত পঢ়ি আছিলো, তেতিয়া হিতেশ ডেকাৰ এখন কিতাপ পাইছিলো। কিতাপখনৰ নাম আজি মোৰ মনত নাই যদিও, তেখেতৰ কিতাপখন পঢ়াৰ পাছত এখন উপন্যাস পঢ়িছিলো। সেই উপন্যাসত তেওঁ আমাৰ যোৰহাট, লক্ষীমপুৰ অঞ্চলৰ যিটো বানপানী সেই সৰ্ন্দভত তেখেতে বৰ সুন্দৰকৈ বৰ্ণনা কৰিছে। সেই সময়ৰ পৰা অৰ্থ্যাৎ যেতিয়া হিতেশ ডেকাই উপন্যাস খন লিখিছিল তাৰ পৰা আজি লৈকে, কিন্তু বানপানীৰ যিটো সমস্যা, সেইটো সমস্যা হৈয়ে থাকিল। ইয়াৰ স্থায়ী সমাধান কৰাৰ ক্ষেত্ৰত কোনো পদক্ষেপ লোৱা আমি দেখা নাপালো। কুৰেশ্বু নদীৰ যিটো বান্ধৰ পানী এৰি দিয়ে. ৰঙা নদীয়ে বান্ধৰ পানী এৰি দিয়ে। নামনিৰ সোৱণশিৰিত আকৌ হাইড্ৰো ইলেকট্ৰিক পাৱাৰৰ প্ৰজেক্ট হবলৈ গৈ আছে। ইয়াৰ ফলত আমাৰ সকলোৰে এটা চিন্তা হৈছে যে এই নদীত দিয়া বান্ধটো খুলি দিয়াৰ লগে লগে গোটেই

লক্ষীমপুৰ, Dhemaji এই অঞ্চলটো বুৰাই পেলাব। বুৰ গৈটো আছেই। ইয়াতকৈ আৰু বেছিকৈ বুৰাই পেলাব। ডিবাং নদীৰ ওপৰটো আকৌ Hydro Electrict Power Project কৰিবলৈ গৈ আছে। গতিকে চাৰ, মই আপোনাৰ যোগেদি অসম চৰকাৰ আৰু ভাৰত চৰকাৰলৈ এই ক্ষেত্ৰত এটা অনুৰোধ কৰিব বিছাৰিছো, যদি আমি ৰিজাৰ্ভাৰৰ ব্যৱস্থা কৰো। কুৰেশ্বু নদীৰ বান্ধৰ পানী এৰি দিব, এই পানীখিনি যদি আমি ৰখাৰ ব্যৱস্থা কৰো। চিয়াং, ৰঙা নদী, ল'ৱাৰ সোৱণশিৰিৰ Hydro Electrict Power Project তেওঁলোকে যি পানী এৰি দিব, সেই পানীখিনি যদি বাৰিষা ৰিজাভাৰত ধৰি ৰাখি ভৱিষ্যতৰ কাৰণে এটা ভাল কামত ব্যৱহাৰত উপযোগী হৈাৱাকৈ জমা কৰিব পাৰো। অসমৰ যিবোৰ অঞ্চলত বান পানী হৈ আছে, অসমত যি বানপানীৰ সমস্যাটো দেখি আছো, এই বানপানী কিছু হলেও লাঘৱ হ'ব। গতিকে এই বিষয়টো আমি চিন্তা কৰিব পাৰো নেকি চাৰ। এই সৰ্ম্পকত সদনত আপোনাৰ যোগেদি অনুৰোধ জনাইছো। চাৰ, বানপানী সদায় থাকিব। নদী বান্ধৰ পানী সদায় এৰি দি থাকিব তাৰ পিছত বান পানীৰ সৃষ্টি হৈ থাকিব। তাৰ ফল আমি সকলোৱে বানপানীত ভুগি থাকিব লাগিব। গতিকে এই ক্ষেত্ৰত এটা ভাল পদক্ষেপ লবৰ কাৰণে ব্যৱস্থা কৰা হয়, তাৰ কাৰণে এইটো এটা সুন্দৰ পদক্ষেপ হ'ব। আজিৰ পৰা ৭ দিন আগতে, প্ৰতিদিন টাইমচে এটা Talk show ৰ ব্যৱস্থা কৰিছিল। তাত আমাৰ IIT ৰ প্ৰফেচাৰ এজনে আগভাগ লৈছিল। তেওঁ ৰিৰ্জাভাৰৰ কথাটো সুন্দৰকৈ উনুকিয়াই দিছিল। এই ৰিৰ্জাৰভাৰত পানীখিনি ৰাখি থম। তাৰ পিছত তাৰ পৰা পানী খিনি ড্ৰাইভাৰ্শ্যন কৰি বেলেগ এটা কামত ব্যৱহাৰ কৰিব পাৰিম। ব্যৱহাৰ কৰাৰ ফলত আমাৰ ইয়াত সদায়ে যিটো বান পানী হৈ আছে, সেইটো কিছু পৰিমাণে লাঘৱ কৰিবলৈ সক্ষম হ'ম। এইখিনি কৰিবলৈ আপোনাক অনুৰোধ কৰিছো। কাৰণ এই বানপানীৰ সময়ত যি সকল থলুৱা জনগোষ্ঠীৰ মানুহ আছে, থলুৱা জনগোষ্ঠীৰ বুলি কলে আপোনালোকে ভুল নুবুজিব। আমাৰ যিবিলাক ৰিলিফ কেম্প, সেই ৰিলিফ কেম্প বিলাকত আমাৰ মাইনৰেটিৰ মানুহবিলাক থাকে। কিন্তু বাঙালীকে ধৰি যিবোৰ বড়ো, ৰাজবংশী, অসমীয়া ধৰি ইটো-সিটো যিবোৰ জনগোষ্ঠী আছে, তেওঁলোকে ৰিলিফ কেম্পত থাকিবলৈ খুব টান পায়। নিজৰ ঘৰ-বাৰী এৰি কেম্পত থাকিবলৈ টান পায়। পানী যিমানেই নহওঁক কিয় চকীৰ ওপৰত চকী, পালেংৰ ওপৰত পালেং দি, নিজৰ ঘৰতে তেওঁলোকে থাকিবলৈ ভাল পায়। তেওঁলোকে ৰিলিফ কেম্পত নোযোৱাৰ ফলত সেই পানী শুকাই নোযোৱাৰলৈকে, নিজ ঘৰত থকাৰ কাৰণে তেওঁলোক ৰিলিফৰ পৰা বঞ্চিত হ'ব লগীয়া হয়। এই ক্ষেত্ৰত মণ্ডল সকলৰ যিটো ৰিৰ্পট সেই ৰিৰ্পটৰ ভিত্তিত যদি সচাকৈ বান পানী হৈছে, বানপানীৰ কৱলত ভোগী আছে, তেওঁলোককো ৰেচন দিয়াৰ ব্যৱস্থা কৰিব নেকি? ইয়াত উত্তৰটো কোনে দিব মই নাজানে। তেওঁলোকৰ বাবেও ৰেচন দিয়াৰ ব্যৱস্থা কৰিব লাগে। সদনত চাৰ আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো। এইখিনি ব্যৱস্থা যদি কৰা যায়, তেন্তে আমাৰ যি সকল ভুক্তভোগী আছে, তেওঁলোক ইয়াৰ পৰা ডিপ্ৰাইভ ন'হ্‌ব। দেখিবলৈ পাইছো তেওঁলোকৰ ঘৰ বাৰী উছন্ন হৈ গৈছে। তৎস্বত্বেও কেম্পত যাবলৈ টান পায়। ফলত ৰিলিফৰ পৰা বঞ্চিত থাকিব লগীয়া হয়। নোখোৱাকৈ থাকিব লগীয়া হয়। ফলত ভোকত ককবকাই থাকিবলগীয়া হয়। এইখিনি যাতে কৰিব পৰা যায়। এইটো চাবৰ কাৰণে মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো। তাৰ পিছত চাৰ, আমাৰ গোটেই বিটি চি এলেকাটোত ভূটানৰ যিটো পানী সমগ্ৰ বিটিচি এলেকাত সোমাই যায়। ভূটানৰ যিটো পানী বিটিচি এলকাত সোমাই যোৱাৰ ফলত এই পানীৰ যিটো সোঁত, সেইটো খৰশ্ৰোতা হৈ যায়, তাৰ ফলত যথেষ্ট খহনীয়া হয়। খহনীয়া বেছিকৈ হোৱাৰ কাৰনে, মাটিবাৰীৰ উচন্ন হৈ ক্ষতিগ্ৰস্থ হৈ যায়। এনেদৰে ক্ষতিগ্ৰস্ত হৈ যোৱাৰ পাছত

তেওঁলোকে চৰকাৰৰ পৰা কোনো চৰকাৰী সাহাৰ্য্য নাপায়। তাৰোপৰি এই বানপানী আৰু খহনীয়াই, বহু পৰিমানৰ খেতিৰ মাটি খহাই নিয়াৰ ফলত তেওঁলোকৰ খেতিৰ মাটি নথকাৰ কাৰণে, প্ৰাণ ৰক্ষাৰ কাৰণে ভিক্ষা কৰিব লগীয়া হোৱাটো আমি দেখিবলৈ পাইছো, আৰু এইটো আমাৰ উপলব্ধি হৈছে। তেওঁলোকক আমি কেনে ধৰণে সাহাৰ্য্য দিব পাৰো, সেই ব্যৱস্থা যদি কৰিব পাৰো, এইটো সদনত আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো। চাৰ, আমাৰ বিটিচি এলেকাত তৎকালীনভাৱে সাহাৰ্য্য দিবৰ কাৰনে disaster management ৰ যিটো পইচা সাহাৰ্য্য আৰু পুনৰ সংস্থাপনৰ বাবে আছিল। যিটো আমাৰ বিষয়। এই বিষয়টো যিহেতু আমাৰ বিটিচি এলেকাত ২০০৩ চনৰ ১০ ফেব্ৰুৱাৰীত যিটো চুক্তি হৈছিল, সেই চুক্তি মৰ্মে, সেই বিভাগটো Transfer কৰিবলগীয়া হৈছিল। এই বিভাগটো Transfer নকৰাৰ ফলত বিটিচি Authority য়ে তৎকালীনভাৱে ৰিলিফৰ যি সামগ্ৰী, খোৱা বস্তু আদি দিব নোৱাৰে। নোপোৱাৰ ফলত SDRF ৰ যিটো ফাণ্ড, সেই কাৰনে বিটিচি এলেকাত নাযায়। নোযোৱাৰ ফলত এই ক্ষতিগ্ৰস্ত এলেকাত খহনীয়া অঞ্চল আছে। সেই খহনীয়া অঞ্চল বিলাকত তৎকালীন ভাবে সাহাৰ্য্য দি তেওঁলোকক যদি কিবা ব্যৱস্থা কৰিব পৰা গ'লহেতেন, সেই ব্যৱস্থাৰ পৰা বঞ্চিত হৈ আছে। disaster management যদি বিটিচি ত এই ব্যৱস্থা হস্তান্তৰ কৰে, তেতিয়া হ'লে মই সেই বিভাগৰ মন্ত্ৰীৰ লগতে অসম চৰকাৰক মই আপোনাৰ জৰিয়তে টানি অনুৰোধ জনাইছো। এইখিনি কৰিলে ভাল হয়। বিটিচি ত দেখিবলৈ পাইছো যে মহিলাই নিজে জেচিপি লৈ নিজে ৰাস্তাত গৈ নিজৰ খৰচ উলিয়াব লগীয়া হৈছে। যিহেতু বিটিচি ত disaster management ৰ টকা দিয়া নাই নিদিয়াৰ ফলত তেওঁলোকে এই কামবোৰ কোন হেডৰ কৰিব। বিটিচি ত ৰাজহ বিভাগ আছে, কেপিতেল যি আছে, তাৰ পৰাও তেওঁ খৰচ কৰিব নোৱাৰে। নোৱাৰাৰ ফলত তেওঁ নিজেই নিজৰ পকেটৰ ধন খৰচ কৰিবলৈ সাহস কৰে। ন'হলে ৰাষ্ট্ৰীয় ঘাই পথ বন্ধ হৈ থাকে। গতিকে সেইবোৰ দৃষ্টি চাই পেলাই যদি আমি সেই বিভাগটো হস্তান্তৰ কৰি দিওঁ, তৎকালীন ভাৱে এই কামবোৰ কৰিব পাৰিব। বিটিচি ত যি Authority আছে, তেওঁলোকে নিজস্বভাৱে কাম কৰিবলৈ সুযোগটো পাব। গতিকে সদনত মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো, উক্ত বিভাগটো সোনকালে হস্তান্তৰ কৰা হয়। লগতে এচ ডি আৰ ৰ ফাণ্ডটো যাতে দিয়াৰ ব্যৱস্থা কৰে তাৰ কাৰণেও মই অনুৰোধ কৰিছো। আমাৰ মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত ডাঙৰীয়াই বিজনী সমষ্টিত মোৰ অনুৰোধ ৰক্ষা কৰি ডেৰকোটি টকা দিছিল। সেই টকাৰে আমি আই নদীৰ মাঠাউৰীৰ বান্ধটোত জিঅ' বেগ দি নিৰ্মাণ কৰিছিলো। তাৰ ফলত বহু কেইখন গাওঁ প্লাবিত হোৱাৰ পৰা বা খহনীয়াৰ পৰা ৰক্ষা পৰিছে। এই মথাউৰি বন্ধাৰ ফলত প্ৰায় ৫০-৬০ খন গাওঁ বানপানীত প্লাৱিত হোৱাৰ পৰা তথা গৰাখহনীয়াৰ পৰা বাচিবলৈ সক্ষম হৈছিল। এইবেলি Right bank and left bank ৰ কিছু অংশ আছে গতিকে তাৰ মথাউৰি বন্ধাৰ বাবেও যাতে আমি অলপমান টকা পাওঁ তাৰ বাবে মন্ত্ৰী ডাঙৰীয়াৰ ওচৰত অনুৰোধ কৰিছো। বানপানীৰ সময়ত Right bank ত মাননীয় মন্ত্ৰী কেশৱ মহন্ত ডাঙৰীয়াই নিজেই পৰিদৰ্শন কৰিবলৈ গৈছিল। আমাৰ চৌৰাবাৰী, মাদুলিপাৰা অঞ্চলত তেখেতে নিজেই গৈছিল। আই নদীয়ে তাৰে স্কুল ঘৰ আদিৰ ওচৰ গৈ পাইছে। গতি কে এই অঞ্চলসমূহ যদি ৰক্ষা কৰিব লাগে আমি Right bank ত আকৌ এটা মথাউৰি দিব লাগিব। ঠিক তেনেদৰে, চৰকাৰৰ ফালৰ পৰা বহু ধৰণৰ কাম কৰিব লগীয়া আছে, সেইখিনি কৰিবৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ৰ প্ৰতি মোৰ অনুৰোধ থাকিল। মাননীয় অধ্যক্ষ মহোদয়, ক'বলগীয়া আৰু বহুতো আছিল যদিও সময়ৰ অভাৱত মই এইখিনি কৈয়েই মোৰ বক্তব্য সামৰণি মাৰিছো আৰু সদৌশেষত, সদনত আজি এই

সংকল্প প্ৰস্তাৱটো আনি আলোচনাৰ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো।

**মাননীয় অধ্যক্ষঃ** এতিয়া আমাৰ ১০ মিনিট সময় বাকী আছে। এই ১০ মিনিটৰ ভিতৰতে গুৰুজ্যোতি দাসে কৈ শেষ কৰক। ইয়াৰ আগতে মই এটা কথা ক'ব বিচাৰিছো যে আজি সদন শেষ হোৱাৰ পিছত আমাৰ গোপীনাথ বৰদলৈ ভৱনত দুপৰীয়াৰ আহাৰৰ আয়োজন কৰা হৈছে। তাৰ পিছত Conference Hall ত Act East Policy ৰ ওপৰত বিভাগৰ ফালৰ পৰা চৰকাৰে কি কৰিছে সেই বিষয়ে এটা briefing দিব। Act East Policy ত শেহতীয়াভাৱে কি হৈছে বা বিভাগটোত কেনে ধৰণৰ কাম হৈছে সেই বিষয়ে জনাবলৈ বিভাগে সময় বিচাৰিছিল। সেইকাৰণে আমি দুপৰীয়া গোপীনাথ বৰদলৈ ভৱনত lunch কৰি Conference Hall ত এই বিষয়ে আলোচনা কৰিম। সেইবাবে তাত সকলোকে উপস্থিত থাকিব অনুৰোধ কৰিলো। এতিয়া গুৰুজ্যোতি দাসে কওঁক।

**মাননীয় শ্ৰী গুৰুজ্যোতি দাস (মঙ্গলদৈ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, সদনত স্থগিত সংকল্প প্ৰস্তাৱৰ ওপৰত মোক ক'বলৈ সুযোগ দিয়াৰ বাবে আপোনাক ধন্যবাদ জনালো। আমি বানপানীৰ বিষয়ে প্ৰাথমিক বিদ্যালয়ত পঢ়াৰ পৰাই শুনি আহিছো আৰু চতুৰ্থ শ্ৰেণীত বানপানীৰ বিষয়ে ৰচনা লিখাও মোৰ মনত আছে। এই বানপানীৰ মাজতেই ডাঙৰ হ'লো আৰু মঙ্গলদৈবাসী ৰাইজৰ আশীৰ্বাদত বিধায়ক হিচাপে দায়িত্ব ল'লো। মই এই পৱিত্ৰ বিধান সভাৰ মজিয়াত ইয়াৰ আগতেও বক্তব্য ৰাখিছো আৰু আজিও দু-আষাৰ ক'বলৈ লৈছো।বানপানীৰ ওপৰত ইতিমধ্যে সন্মানীয় বহু সদস্যই কৈছে আৰু বহুতে ইয়াক 'ৰাষ্ট্ৰীয় সমস্যা' হিচাপে ঘোষণা কৰিবৰ বাবে প্ৰস্তাৱ আগবঢ়াইছে। আমাৰ অসম সঁচাকৈ সৌভাগ্যৱান কিয়নো অসমখন প্ৰায় ৭০% পানীৰে ভৰি আছে। আমি ভাৰতবৰ্ষৰ নদীক মাতৃ হিচাপে সেৱা কৰো, পূজা কৰো। কিন্তু মোৰ অনুভৱ হয়, আমি যেন নদীসমূহক জোকাই লৈছো। আমি হয়তো নদী সমূহৰ সৎ ব্যৱহাৰ কৰিব পৰা নাই যাৰ ফলত বানপানীৰ সমস্যা দিনক দিনে বাঢ়ি গৈছে। খৰালি কালত যেতিয়া নদীত পানী কমি যায় তেতিয়া আমি দেখিবলৈ পাওঁ যে বিভিন্ন জনে ট্ৰেক্টৰেৰে নদীৰ কাষৰ মথাউৰিৰ পৰা মাটি কাটি লৈ আহে। মই এই বিষয়ে জল সম্পদ বিভাগৰ অভিযন্তাসকলৰ লগতে আমাৰ জিলা উপায়ুক্তক অৱগত কৰি তাৰ ওপৰত উপযুক্ত ব্যৱস্থা ল'বলৈ কৈছিলো। কিন্তু খৰালি কালত এই ব্যৱস্থা লোৱা দেখা নাযায়। এইবোৰৰ ওপৰত যদি আমি বাৰিষাৰ আগতেই ব্যৱস্থা লওঁ তেন্তে মই ভাৱো যে আমি বানপানীৰ পৰা বহুখিনি সকাহ পাব পাৰিম। সামগ্ৰিক ভাৱে, ব্ৰহ্মপুত্ৰ আমাৰ প্ৰধান নদী আৰু আমাৰ অসমৰ প্ৰধান সভ্যতা। কিন্তু ব্ৰহ্মপুত্ৰত খনন কাৰ্যৰ ওপৰত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে আৰু মথাউৰি সমূহকো আমি নিশ্চয় গুৰুত্ব সহকাৰে ল'ব লাগিব। এটা সময়ত মথাউৰি নাছিল। লাহে লাহে মথাউৰিৰ ব্যৱস্থা কৰা হৈছে। মই বাস্তৱ ক্ষেত্ৰত বানপানীৰ লগত জড়িত বহুতো সমস্যাৰ সন্মুখীন হৈছো। সেয়েহে, মই মাননীয় জল সম্পদ মন্ত্ৰী মহোদয়ক, গড়কাপ্তানী আৰু জলসিঞ্চন বিভাগৰ লগত একেলগ হৈ কাম কৰিবলৈ অনুৰোধ কৰিছো কিয়নো মোৰ বিশ্বাস আছে যে এনেদৰে কৰাৰ ফলত আমাৰ বানপানীৰ যিমান সমস্যা আছে তাৰ আধা শতাংশ সমাধান হ'ব। এইবাৰ আমাৰ মঙ্গলদৈৰ এটা মথাউৰি ছিঙি গৈছে যাৰ বাবে জলসম্পদ বিভাগ, DRDA বা PWD জগৰীয়া নহয়। ইয়াৰ জগৰীয়া জলসিঞ্চন বিভাগ, কিয়নো এই মথাউৰিটো জলসিঞ্চন বিভাগেহে চোৱা-চিতা কৰে। আনফালে আকৌ DRDA ৰ এটা মূল মথাউৰি ছিঙি গৈছে। তেনেস্থলত, জলসম্পদ বিভাগৰ ওচৰত যাওঁতে তেওঁলোকে মানি নলৈ DRDA ক জগৰীয়া কৰিছে। গতিকে এনেধৰণে এটা বিভাগে আনটো বিভাগক ঠেলি দিয়াৰ কাৰণে বিভিন্ন সমস্যা

আমি দেখিবলৈ পাওঁ। মই গড়কাপ্তানী আৰু জলসিঞ্চন বিভাগক এই কাৰণেই কৈছো যে আমি যদি কিছু মথাউৰি ৰাস্তালৈ ৰূপান্তৰিত কৰিব পাৰো তেন্তে হয়তো মথাউৰি ছিঙা যি সমস্যা সেইটো বহু পৰিমাণে সমাধান কৰিব পাৰিম। আমাৰ বহুকেইটা মথাউৰিৰ ৰাস্তা বনোৱা হৈছে। এই ক্ষেত্ৰত আমাৰ জলসম্পদ মন্ত্ৰী মহোদয়ে গড়কাপ্তানী মন্ত্ৰীৰ লগতো আলোচনা কৰিছে। তাৰোপৰি, ব্ৰহ্মপুত্ৰ খনন কৰি তাৰ দুয়োপাৰে ধুবুৰীৰ পৰা শদিয়ালৈ ৰাস্তা বনোৱাৰ কথাও চিন্তা কৰিছে। ব্ৰহ্মপুত্ৰ দুয়োপাৰে আমি যেতিয়া National Highway ৰ নিচিনাকৈ ৰাস্তা বনাব পাৰিম তেতিয়া নিশ্চিত ভাৱে প্ৰায় ৯০% বানপানীৰ সমস্যাৰ পৰা হাত সাৰিবলৈ সক্ষম হ'ম। বানপানী, গৰাখহনীয়া সমস্যাক 'ৰাষ্ট্ৰীয় সমস্যা' হিচাপে ঘোষিত কৰিব লাগে বুলি সকলোৱে কৈ আছে কিন্তু এই সমস্যাটো কেনেকৈ সমধান কৰিব পাৰি তাৰ ওপৰত আমি বিশেষভাৱে গৱেষণা তথা বিশ্লেষণ কৰিব লাগে। যোৱা ২০১৭ চনত মাননীয় প্ৰধান মন্ত্ৰী মোদী ডাঙৰীয়া অসমলৈ আহি ওচৰ-চুবুৰীয়া ৰাজ্যৰ মুখ্যমন্ত্ৰীসকলৰ লগতে বিধায়ক সকলৰ লগতো প্ৰায় ৪-৫ ঘণ্টা কথা পাতিছিল আৰু আমাৰ এই সমস্যাটোৰ বিষয়ে গৱেষণা কৰি তাৰ সমাধানৰ বাবে প্ৰায় ১০০ কোটি টকাৰ অনুমোদন আগবঢ়াইছিল। বানপানীৰ লগত মোৰ বহুতো স্মৃতি জড়িত হৈ আছে। মোৰ মামাৰ ঘৰ ধুমগুৰা নামৰ গাঁৱত, কিন্তু আজি এই <u>গাওঁখন ব্ৰহ্মপুত্ৰৰ পানীৰ তলত, ইয়াৰ স্কুল-কলেজ, ৰাস্তা পথ সকলো গৰা</u>খহনীয়াৰ ফলত ধ্বংস হৈ গৈছে। এইবাৰ আমাৰ সমষ্টিত প্ৰায় ৬০খন গাওঁ-চহৰ প্লাৱিত হৈছে আৰু প্ৰায় ৬০ হাজাৰ লোককে ধৰি যথেষ্ট পশুধন ক্ষতিগ্ৰস্ত হৈছে। কিন্তু এইখন চৰকাৰৰ বিধায়ক হিচাপে মই গৌৰাৱান্বিত যে এই বানপানীত ক্ষতিগ্ৰস্ত হোৱা লোকসকলক আমি যথেষ্ট ভালকৈ relief দিব পাৰিছো। Relief fund Camp ৰ লোকসকলে কৈছে যে, এনে ধৰণৰ সুবিধা তেওঁলোকে আগতে পোৱা নাছিল। তে ওঁলোকক আমি Generator ৰ সুবিধাও প্ৰদান কৰিবলৈ সক্ষম হৈছো। অধ্যক্ষ মহোদয়, আমাৰ সমষ্টিত চৰকাৰে যিখিনি সুবিধা প্ৰদান কৰিছে তাৰ ওপৰতে মই কৈছো। লেখত ল'বলগীয়া কথা যে, এইবাৰ আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে নিজেই পানীত নামি বানৰ বুজ লৈছে। আামি বানাক্ৰান্তৰ ওচৰলৈ গৈ যিমানখিনি সুবিধা প্ৰদান কৰিব পাৰো, সিমানখিনি কৰিছো। অধ্যক্ষ মহোদয়, আমাৰ মঙ্গলদৈ সমষ্টিত নোৱা নৈ, মঙ্গলদৈ নৈ, শাকতোলা, ধনশিৰি আৰু বেগা- এইকেইখন উপনৈ আছে। মই আজি মন্ত্ৰী মহোদয়ক ধন্যবাদ জ্ঞাপন কৰিম যে তেওঁ আমাৰ মঙ্গলদৈৰ চেৰেং চাপৰিত প্ৰায় ৫ কোটি টকা অনুদান আগবঢ়াইছিল যোৱা বৰ্ষত। ১ কিলোমিটাৰতকৈ অধিক দৈৰ্ঘ্যত আমি Geo Bag ৰ কাম কৰিছিলো। ৰাইজে কিছু সকাহ পাইছে। আমি গৰাখহনীয়াৰ পৰা বহুখিনি ৰক্ষা পাবলৈ সক্ষম হৈছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কথাখিনি শেষ কৰি দিয়ক।

**শ্ৰী গুৰুজ্যোতি দাস (মঙ্গলদৈ) ঃ** ধন্যবাদ অধ্যক্ষ মহোদয়, আপুনি মোক এই সুবিধাখিনি দিয়াৰ কাৰণে। আমাৰ বানপানীৰ সমস্যাটো সচাঁকৈ যথেষ্ট ভয়াবহ, এই সমস্যা সমাধান কৰিবৰ কাৰণে মই এটাই অনুৰোধ কৰিম Water Resource, PWD, Irrigartion আৰু GAD এই গোটেই কেইটা বিভাগে বহল ভিত্তিত এটা ভাল বিশ্লেষণমূলক আলোচনা কৰি আমাৰ সমস্যাটো সমাধান কৰে যেন।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মই যোৱাকালি আমাৰ শিক্ষামন্ত্ৰীয়ে এটা statement lay কৰিছিলে, সেইটো মই সকলোকে দি দিবলৈ দিছো। TET ৰ শিক্ষকৰ ওপৰত যিটো বিষয় আছিলে, তাত কাগজখিনি দি দিয়া হৈছে। মহন্ত ডাঙৰীয়াই বোধ কৰো এইটো note কৰিছিলে আৰু দিবৰ কাৰণে কৈছিলে।

**এতিয়া সদন স্থগিত থাকিব ৩১-৭-২০১৯ তাৰিখৰ পুৱা ৯ঃ৩০ লৈকে।**